N. H. COLLEGE
PATACHARKUCHI
Estd. 1979

বার্ষিক মুখপত্র

# প্রাগ্‌জ্যোতি

ত্রিংশত্তম্ সংখ্যা ২০১৯-২০২০ ইং বর্ষ

PRAGJYOTI

## নির্মল হালৈ মহাবিদ্যালয়

পাটাছাৰকুছি

ড° নৱনীতা কলিতা
তত্ত্বাৱধায়িকা

ফুলমণি কলিতা
সম্পাদিকা

# শ্ৰদ্ধাঞ্জলি



লতা মঙ্গেশকাৰ
জন্ম ঃ ১৯২৯ খ্ৰীঃ
মৃত্যু ঃ ২০২২ খ্ৰীঃ



হোমেন বৰগোহাঞি
জন্ম ঃ ১৯৩২ খ্ৰীঃ
মৃত্যু ঃ ২০২১ খ্ৰীঃ



ড° ৰবীন দেৱ চৌধুৰী
জন্ম ঃ ১৯৪৪ খ্ৰীঃ
মৃত্যু ঃ ২০২১ খ্ৰীঃ



সনন্ত তাঁতী
জন্ম ঃ ১৯৫২ খ্ৰীঃ
মৃত্যু ঃ ২০২১ খ্ৰীঃ



**কনক চন্দ্ৰ গোস্বামী**
জন্ম ঃ ০১-০৬-১৯৫২ খ্ৰীঃ
মৃত্যু ঃ ১৬-০৭-২০২১ খ্ৰীঃ

কনক চন্দ্ৰ গোস্বামী নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উচ্চবৰ্গৰ সহায়ক হিচাপে অৱসৰ গ্ৰহণ কৰি যোৱা ইং ১৬-০৭-২০২১ তাৰিখে ইহলীলা সম্বৰণ কৰে। শ্ৰীমাদেৱীলৈ মহাবিদ্যালয় পৰিয়ালৰ পৰা শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

# প্ৰাগ্‌জ্যোতি

বাৰ্ষিক মুখপত্ৰ
## নিৰ্মল হালৈ মহাবিদ্যালয়
ত্ৰিংশত্তম্ সংখ্যা
২০১৯-২০২০ ইং বৰ্ষ
পাটাছাৰকুছি ঃ বজালী ঃ অসম

NH COLLEGE
PATACHARKUCHI

স্থাপিত ঃ ১৯৭৯ খ্ৰীষ্টাব্দ

প্ৰতি,

মাননীয়/মাননীয়া ..............................................................

..............................................................

ড° নৱনীতা কলিতা
তত্ত্বাৱধায়িকা

ফুলমণি কলিতা
সম্পাদিকা

AGJYOTI The Annual Mouth-Piece of Nirmal Haloi College, Patacharkuchi, 30th issue, Year 2019-2020, Published by Dr. Bhupesh Sarma, Principal, Nirmal Haloi College, Patacharkuchi & Edited by Phulmani Kalita.

# প্ৰাগ্‌জ্যোতি

প্ৰকাশ কাল ঃ জুন, ২০২২ খ্ৰীষ্টাব্দ
প্ৰকাশক ঃ ড° ভূপেশ শৰ্মা, অধ্যক্ষ,
নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছি

## সম্পাদনা সমিতি




সভাপতি ঃ ড° ভূপেশ শৰ্মা
তত্ত্বাৱধায়িকা ঃ ড° নৱনীতা কলিতা
সম্পাদিকা ঃ ফুলমণি কলিতা
শিক্ষক সদস্য ঃ গীতাশ্ৰী গোস্বামী
নিৰ্মালী মহন্ত চৌধুৰী
ছাত্ৰ সদস্য ঃ নিতুল দাস
ৰাকেশ ৰয়
বেটুপাত পৰিকল্পনা ঃ তত্ত্বাৱধায়িকা আৰু সম্পাদিকা
ফটো/স্কেচ্চ ঃ ভাগ্যশ্ৰী কলিতা, মধুস্মিতা ৰয়
ৰাকেশ ৰয়
ছপা ঃ ভায়োলিনা অফ্‌চেট প্ৰেছ, পাটাছাৰকুছি

### সম্পাদনা সমিতিৰ টোকা

মুখপত্ৰত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজনৰ তাগিদাত সম্পাদনা সমিতিয়ে আংশিক সাল-সলনি কৰিছে। কোনো লেখক-লেখিকাই যদি আনৰ লেখনি নকল কৰিছে বা আনৰ পৰা হুবহুভাৱে প্ৰকাশ কৰিছে, ই সম্পাদনা সমিতিৰ অলক্ষিতে কৰিছে, তাৰবাবে সম্পাদনা সমিতি দায়ী নহয়। আলোচনা আৰু মতামতো লিখকৰ নিজা।

### ক্ষমা-প্ৰাৰ্থনা

অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা-মাৰ্জনা বিচাৰিছোঁ।
- সম্পাদনা সমিতি

## সশ্ৰদ্ধ অৰ্পণ

যিসকল মহান ব্যক্তিয়ে ভৱিষ্যত প্ৰজন্মক
এখন জ্ঞানৰ আলোকময়ী সমাজ গঢ়াৰ সুযোগ দিয়াৰ অৰ্থে,
নিজৰ কষ্টক আওকাণ কৰি
এই পবিত্ৰ জ্ঞানালয়-
'নিৰ্মল হালৈ মহাবিদ্যালয়'খন স্থাপন কৰি
পৃথিৱীৰ পৰা চিৰ বিদায় লৈছে,
তেখেতসকলৰ আত্মালৈ
একাঁজলি শ্ৰদ্ধাঞ্জলি নিৰেদিছোঁ।
সেই মহান ত্যাগী ব্যক্তিসকলৰ পবিত্ৰ স্মৃতিত
এই বৰ্ষৰ
"প্ৰাগ্‌জ্যোতি"খন অৰ্পণ কৰিছোঁ।

**সম্পাদিকা, 'প্ৰাগ্‌জ্যোতি'**

## কৃতজ্ঞতা স্বীকাৰ

শিক্ষাগুৰু - ড° ভূপেশ শৰ্মা (অধ্যক্ষ), ড° মণিকান্ত দাস, মাণিক চন্দ্ৰ দাস, ড°
নৱনীতা কলিতা (তত্ত্বাৱধায়িকা), গীতাশ্ৰী গোস্বামী, ৰুদ্ৰ কলিতা, নিৰ্মালি মহন্ত
চৌধুৰী, ড° বিনীমা পাটগিৰি, ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়কসকল।

শুভেচ্ছাদাতা ঃ প্ৰশাসনিক সমিতিৰ সভাপতি শ্ৰীনৃপেন্দ্ৰ কুমাৰ বৰ্মন, স্থানীয় বিধায়ক
তথা জ্যেষ্ঠ কেবিনেট মন্ত্ৰী শ্ৰীৰণ্জিৎ কুমাৰ দাস, উপায়ুক্ত শ্ৰীভাৰত ভূষণ দেৱ
চৌধুৰী, আৰক্ষী অধীক্ষক শ্ৰীধৰ্মেন্দ্ৰ কুমাৰ দাস দেৱ।

বন্ধু-বান্ধৱী - মৃন্ময় দাস, নিতুল দাস, ফাল্গুণী পাঠক, ৰাকেশ ৰয়, জয়ন্ত কলিতা,
বিজিতা দাস, হিৰকজ্যোতি শৰ্মা, ৰাখীমণি দাস, ৰূপজ্যোতি হালৈ, জিণ্টু খাটনিয়াৰ,
সুপ্ৰিয়া কলিতা, ভাগ্যশ্ৰী কলিতা, মধুস্মিতা ৰয়, মনপ্ৰীত পৰাশৰ, বিবেক কলিতা।

ছপাশাল - ভায়োলিনা অফ্‌চেট প্ৰেছ, পাটাছাৰকুছি।

সম্পাদিকা, 'প্ৰাগ্‌জ্যোতি'


OFFICE OF THE GOVERNING BODY

**NIRMAL HALOI COLLEGE**

NAAC Accrediated

*Affiliated to Gauhati University*

S. R. No.- 3561 of 1988/89

Patacharkuchi : Barpeta : Assam - 781326 Ph.: 03666-264650 (O)



N. K. Barman, M. Sc.
President,
Governing Body,
Nirmal Haloi College, Patacharkuchi




# Message

It gives me immense pleasure to know that the annual magazine of the Students' Union of N. H. College entitled 'Pragjyoti' is publishing soon. I hope the magazine will serve as a mirror reflecting the various achievements with socio educational aspect of the college. I convey my best wishes to all members of the Editorial Board of the magazine for success of their endeavor.

*With best wishes*

27/2/17

(N. K. Barman)
President
Governing Body
Nirmal Haloi College

ৰণ্জিৎ কুমাৰ দাস
মন্ত্ৰী
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী
খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা
সচিবালয় প্ৰশাসন আৰু সাধাৰণ প্ৰশাসন বিভাগ, অসম

সত্যমেৱ জয়তে

**Ranjeet Kumar Das, M.Sc.**
**Minister**
Panchayat & Rural Development,
Public Health Engineering,
Food, Civil Supplies and Consumer Affairs,
Secretariat Administration Deptt and GAD



## শুভেচ্ছাবাণী

পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন (২০১৯-২০২০ বৰ্ষৰ) অলপতে প্ৰকাশ পাব বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ।

ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলৰ সৃজনীশীল প্ৰতিভা বিকাশৰ ক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহৰ বাৰ্ষিক আলোচনী সমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আশাকৰোঁ, নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাসকলে শিক্ষানুষ্ঠানখনৰ বাৰ্ষিক আলোচনীখনৰ জৰিয়তে সাহিত্য চৰ্চা তথা নিজৰ সৃজনীশীল প্ৰতিভা বিকাশৰ সুযোগ পোৱাৰ লগতে চিৰ চেনেহী ভাষা জননীৰ সেৱাত অধিক নিষ্ঠা, ঐকান্তিকতা আৰু দায়বদ্ধতাৰে ব্ৰতী হোৱাৰ বাবে অনুপ্ৰাণিত হ'ব।

মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰকাশ পাবলগীয়া বাৰ্ষিক আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আন্তৰিকতাৰে কামনা কৰিলোঁ।

(ৰণ্জিৎ কুমাৰ দাস)

সত্যমেৱ জয়তে
**Government of Assam**
**OFFICE OF THE DEPUTY COMMISSIONER**
**:: Bajali ::**
**Bharat Bhushan Dev Choudhury**, IAS
District Magistrate, Bajali, Assam
E-Mail : dc-bajali@assam.gov.in
Contact No.: 03666-296999
8399881208 (M)



## শুভেচ্ছাবাণী

বজালী জিলাৰ পাটাছাৰকুছিস্থিত নিৰ্মল হালৈ মহাবিদ্যালয় অসমৰ বিদ্যায়তনিক পৰিমণ্ডলৰ এটি অন্যতম নাম। যন্ত্ৰযুগে আক্ৰান্ত নকৰা সময়ৰে পৰা সাম্প্ৰতিক কাললৈ পাটাছাৰকুছিয়ে সমাজৰ উত্তৰণমুখী কাৰ্য পৰিক্ৰমাত যোগাত্মক অৱদান আগবঢ়াই আহিছে। এই পাটাছাৰকুছিতেই অৱস্থিত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰতি বছৰে প্ৰকাশ হৈ অহাৰ দৰে এইবেলিও বাৰ্ষিক মুখপত্ৰখনি প্ৰকাশ পাব বুলি জানিব পাৰি আনন্দ অনুভৱ কৰিছোঁ।

বিদ্যালয় অথবা মহাবিদ্যালয়ৰ আলোচনী মানেই শিক্ষাৰ্থীৰ সাহিত্য সাধনাৰ সেউজ কঠিয়াতলী। নিজস্ব চিন্তা-চৰ্চা, দৃষ্টিভংগী আৰু স্বকীয় অনুভৱ লিখনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে আলোচনীখনত প্ৰকাশ কৰিব পাৰে; আনহাতে ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতা আৰু বৌদ্ধিক বিকাশৰ দিশতো আলোচনীখনে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পাৰে।

আশা কৰিছোঁ বাৰ্ষিক আলোচনীখনে শিক্ষাৰ্থী আৰু অধ্যাপকসকলৰ ভিন্ন দৃষ্টিভংগী, ভিন্ন বিষয়ৰ তথ্য সম্বলিত লেখাৰে সমৃদ্ধ হৈ উঠিব আৰু অঞ্চলটোৰ লগতে অসমৰ ভাষা, সাহিত্য, সংস্কৃতিও প্ৰাণ পাই উঠিব।

মহাবিদ্যালয়খনৰ ইতিহাসৰ বাটত আলোচনীখন এক দলিল আৰু দাপোণ হওঁক— তাৰেই শুভ ইচ্ছা জনালোঁ।

(ভাৰত ভূষণ দেৱ চৌধুৰী, ভাঃ প্ৰঃ সেঃ)
উপায়ুক্ত, বজালী জিলা

*Dharmendra Kumar Das*, APS
Superintendent of Police
Bajali District (Assam)
PIN-781325
Mobile No. 94351-65265
E-mail ID: sp.bajali@assampolice.gov.in

*Date*...............................

*Ref. No.* .................................



# শুভেচ্ছাবাণী

সাহিত্য সমাজৰ দাপোণস্বৰূপ। এখন সমাজৰ সৰ্বাংগীণ উন্নতি সাধনত সাহিত্যই বিশেষ ভূমিকা পালন কৰে। এইক্ষেত্ৰত আলোচনীসমূহৰ অৱদানো মন কৰিবলগীয়া। আধুনিক অসমীয়া সাহিত্যৰ সমৃদ্ধি আৰু বিকাশত একো একোখন আলোচনীয়ে দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰাটো ইতিমধ্যে সৰ্বজনস্বীকৃত।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ বাৰ্ষিক মুখপত্ৰ "প্ৰাগজ্যোতি" আলোচনীখনৰ প্ৰকাশৰ কাম হাতত লোৱা বুলি জানিবলৈ পাই অত্যন্ত সুখী হৈছোঁ।এই আলোচনীখন হৈ উঠক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিৰ কঠিয়াতলী। তেওঁলোকৰ জ্ঞানৰ পৰিসীমাই বিদ্যায়তনিক দিশতে সীমাবদ্ধ নাথাকি বৃহৎ আৰু মহৎ লক্ষ্য নিৰ্ধাৰণৰ বাটত অগ্ৰসৰ হওক।

এই আলোচনীখনৰ জৰিয়তে এনে মহান উদ্যম সৃষ্টি হওক; নিনাদিত হওঁক নতুন প্ৰজন্মৰ প্ৰতিষ্ঠাৰ জয়ধ্বনি। এনে প্ৰতিশ্ৰুতিসম্পন্ন, চিন্তা উদ্ৰেককাৰী, সৃষ্টি সম্বলিত সৰ্ব্বাংগসুন্দৰ আলোচনীখনৰ প্ৰকাশলৈ হেঁপাহেৰে বাট চাই ৰ'লো।

অফুৰন্ত শুভকামনাৰে—

ধৰ্মেন্দ্ৰ কুমাৰ দাস।

ধৰ্মেন্দ্ৰ কুমাৰ দাস
আৰক্ষী অধীক্ষক
বজালী





राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद

विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान

NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL

*An Autonomous Institution of the University Grants Commission*

*Certificate of Accreditation*

*The Executive Committee of the National Assessment and Accreditation Council on the recommendation of the duly appointed Peer Team is pleased to declare the*

*Nirmal Haloi College*

*Patacharkuchi, Barpeta, affiliated to Gauhati University, Assam as*

*Accredited*

*with CGPA of 2.33 on seven point scale*

*at B grade*

*valid up to December 01, 2021*

*Date : December 02, 2016*

*Director*

EC(SC)/19/A&A/15.2




## Nirmal Haloi College at a glance

1. Establishment as 'Pragjyoti College' : 1979
2. Rename as 'Nirmal Haloi College' : 1988
3. Stream : Arts (Provincialized), Commerce (Self financed)
4. Affiliating University : Gauhati University
5. Affiliation : 1988
6. College Deficit : 11-01-1996
7. Permanent affiliation : 2004
8. UGC Recognition under 2f & 12B : 2004
9. 1st accreditation by NAAC : 2004, Grade : C++
10. 2nd accreditation by NAAC : 2016, Grade : B
11. Founder Principal : Krishna Kanta Goswami
12. Enrolment :

    1979 – 69 in Pre-University 1st year

    2021 – 1910 (including all classes & streams)
13. Commencement of Commerce Stream : 2017

    (For Degree Courses only)

    (i) Affiliation by : Gauhati University

    (ii) Year of affiliation : 2017

    (iii) Enrolment : 84



## নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা (২০১৯-২০)ৰ তত্ত্বাৱধায়কৰ দু-আষাৰ

জয় জয়তে মই নিৰ্মল হালৈ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰিছোঁ।

যোৱা ২০২০ ইং বৰ্ষত ক'ভিড-১৯ মহামাৰীয়ে শিক্ষানুষ্ঠানসমূহত প্ৰভাৱ বাৰুকৈয়ে পেলাইছিল। এই প্ৰভাৱ বৰ্তমানো নিঃশেষ হোৱা নাই। যাৰ ফলস্বৰূপে মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি' ২০১৯-২০ ইং বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ বাবে তথ্যাদি সংগ্ৰহৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছে যদিও আলোচনী সম্পাদনা সমিতিয়ে যৎপৰোনাস্তি চেষ্টাৰে প্ৰকাশ কৰি উলিওৱাৰ বাবে মই যথেষ্ট সুখী হৈছোঁ।

মহাবিদ্যালয়ৰ আলোচনীখন হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ দাপোণ স্বৰূপ। আলোচনীখনৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভা বিকাশ কৰাত সফলতা লাভ কৰিবলৈ সক্ষম হ'ব। আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত পুনৰবাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, সম্পাদনা সমিতি আৰু ছাত্ৰ একতা সভাই যি অৰিহণা যোগাইছে তাৰ বাবে মই তেখেত সকলক অশেষ ধন্যবাদ জনালোঁ। মহাবিদ্যালয়ৰ আলোচনীখনত প্ৰকাশিত প্ৰবন্ধ, গল্প, কবিতা আদি পঢ়ি ছাত্ৰ-ছাত্ৰী তথা পাঠক সমাজে উপকৃত হ'ব বুলি আশা কৰিলোঁ।

মনি কান্ত দাস

(ড° মণিকান্ত দাস)
তত্ত্বাৱধায়ক
ছাত্ৰ একতা সভা (২০১৯-২০২০)



## আলোচনী বিভাগ (২০১৯-২০২০)ৰ তত্ত্বাৱধায়িকাৰ দু-আষাৰ

১৯৭৯ ইং চনত পাটাছাৰকুছি অঞ্চলৰ শিক্ষানুৰাগী ৰাইজৰ অকুণ্ঠ সহযোগ আৰু দান বৰঙণিৰে এই অঞ্চলৰ মাজমজিয়াত গঢ় লৈ উঠিছিল অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান 'প্ৰাগ্‌জ্যোতি মহাবিদ্যালয়'। পৰৱৰ্তী সময়ত মহান দাতা নিৰ্মল হালৈৰ নামেৰে মহাবিদ্যালয়খনৰ নাম 'নিৰ্মল হালৈ মহাবিদ্যালয়' কৰা হয় যদিও মহাবিদ্যালয়ৰ প্ৰথম নামটোক চিৰযুগমীয়া কৰি ৰখাৰ মানসিকতাৰে মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনিৰ নাম ৰখা হয় 'প্ৰাগ্‌জ্যোতি'।

দৰাচলতে, যিকোনো শিক্ষানুষ্ঠানতেই আলোচনী বা মুখপত্ৰ এখনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ জৰিয়তে নিজৰ সুপ্ত সাহিত্য প্ৰতিভা প্ৰকাশ কৰাৰ সুযোগ পোৱাৰ লগতে প্ৰত্যেক শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভিন্ন কৰ্মৰ খতিয়ানৰ লগতে বিভিন্ন দিশত শ্ৰেষ্ঠত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ নামো সন্নিৱিষ্ট হয় এই আলোচনীৰ পাততেই। সেয়ে শিক্ষানুষ্ঠান একোখনৰ ক্ষেত্ৰত আলোচনীখন ভৱিষ্যত প্ৰজন্মৰ বাবে একো একোখন দলিল স্বৰূপ হৈ থাকে।

ইতিমধ্যে ২০২০ ইং চনৰ পৰা ক'ভিড- ১৯ মহামাৰীৰ সৰ্বগ্ৰাসী প্ৰভাৱে সমগ্ৰ বিশ্বৰ লগতে আমাৰ সকলোকেই চুই যায়। ইয়াৰ ভয়াবহতাত সমগ্ৰ বিশ্ব ত্ৰাসিত, কম্পমান হৈ পৰে। মহামাৰীৰ সংক্ৰমণ ৰোধৰ বাবে দিয়া লকডাউনৰ ফলত বিশ্বৰ অৰ্থনীতি, সামাজিক দিশৰ লগতে শৈক্ষিক ক্ষেত্ৰতো সাংঘাটিক প্ৰভাৱ পৰে। লকডাউনৰ পৰৱৰ্তী সময়তো শিক্ষানুষ্ঠানসমূহ ভালেমান দিনলৈ বন্ধ হৈ থাকে। ফলত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাবৰ্ষৰ সময়ো কিছু মাহলৈ পিছুৱাই যায়। পৰৱৰ্তী সময়ত স্বাভাৱিক অৱস্থা ঘূৰি অহাত অধ্যক্ষ মহোদয়ৰ তৎপৰতা আৰু সম্পাদনা সমিতিৰ প্ৰচেষ্টাত পলমকৈ হ'লেও ২০১৯-২০২০ ইং বৰ্ষৰ এই আলোচনীখন প্ৰকাশৰ দিহা কৰা হয়। এই ক্ষেত্ৰত শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ পৰা পোৱা ধনাত্মক সহযোগিতা আৰু সুপৰামৰ্শৰ বাবে তেখেতক কৃতজ্ঞতা জনালোঁ।

সম্পাদিকা ফুলমণি আৰু সম্পাদনা সমিতিৰ সদস্য ৰাকেশে যথেষ্ট কষ্ট স্বীকাৰ কৰি আলোচনীখনৰ কাম আগবঢ়াই লৈ গৈছে। তাৰবাবে তেওঁলোকো ধন্যবাদৰ পাত্ৰ। ছাত্ৰ একতা সভাৰ পূৰ্বৰ বিষয়ববীয়াসকল ইতিমধ্যেই মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিক শিক্ষা শেষ কৰি গুচি যোৱাত তেওঁলোকৰ প্ৰতিবেদনসমূহো সঠিক সময়ত সম্পাদনা সমিতিৰ হাতত পৰাহি নাই। তথাপি তাৰ মাজতো অশেষ কষ্ট স্বীকাৰ কৰি আলোচনীখন প্ৰকাশৰ সুবিধা কৰি দিয়াৰ বাবে পাটাছাৰকুছিস্থিত ভায়োলিনা অফ্‌চেট প্ৰেছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মীবৃন্দলৈ কৃতজ্ঞতা যাচিছোঁ। লগতে যিসকল শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ লিখনিৰে আলোচনীখনক সমৃদ্ধ কৰি তুলিলে তেওঁলোকলৈও আন্তৰিক কৃতজ্ঞতা জনালোঁ।

আশা ৰাখিছোঁ আগন্তুক সময়ত 'প্ৰাগ্‌জ্যোতি' আৰু অধিক উন্নততৰ হৈ উঠিব আৰু ইয়াৰ পৰাই অসমীয়া ভাষা সাহিত্যৰ একো একোগৰাকী সুযোগ্য সাহিত্যিকৰ জন্ম হ'ব।

পৰিশেষত, সম্পাদনা সমিতিৰ অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

নৱনীতা কলিতা

(ড° নৱনীতা কলিতা)
তত্ত্বাৱধায়িকা
'প্ৰাগ্‌জ্যোতি' (২০১৯-২০২০)



# সম্পাদকীয়

আমি বাৰু নিজৰ কথা ভাবোনে? যদি ভাবো তেন্তে প্ৰকৃতিৰ কথাও ভাবিবলৈ বাধ্য। প্ৰকৃতিৰ নিশ্চিত সুৰক্ষাতহে আমি তথা সমগ্ৰ জীৱকুল সুৰক্ষিত। মানুহৰ পৰা আৰম্ভ কৰি সমস্ত জীৱ, উদ্ভিদ, প্ৰাণী, পাহাৰ-পৰ্বত, নৈ-নিজৰা, সাগৰ-মহাসাগৰ প্ৰকৃতিৰেই অৱদান। সমগ্ৰ জীৱকুলৰ ভিতৰত মানুহকে উচ্চস্তৰৰ বিকশিত মগজু প্ৰদানেৰে প্ৰকৃতিয়ে শ্ৰেষ্ঠত্ব প্ৰদান কৰিছে। গতিকে প্ৰকৃতিৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি প্ৰকৃতিৰ সৈতে সহাৱস্থান কৰি পৃথিৱীক সহজ সুন্দৰ কৰি ৰখাটো মানুহৰ পৰম কৰ্তব্য হোৱা উচিত আছিল। কিন্তু পৰিতাপৰ বিষয় আধুনিক মানুহৰ ক্ষেত্ৰত এই ধৰণৰ কৰ্তব্য জ্ঞান দেখা পোৱা নাযায়। মানৱ প্ৰজাতিটো আজি হিংসা, অহংকাৰ, স্বাৰ্থপৰতা, লালসা, সংকীৰ্ণতা আদি হীন প্ৰবৃত্তিৰ চিকাৰ হৈছে। ইয়াৰ প্ৰভাৱ প্ৰকৃতিৰ ওপৰত প্ৰত্যক্ষভাৱে পৰিছে। প্ৰদূষণ ক্ৰমাৎ বৃদ্ধি হৈ পৃথিৱী ধ্বংস হৈ গৈ আছে। বৃক্ষবিহীন নাঙঠ পৰিবেশত কংক্ৰিটৰ জংঘল আৰু জীৱ অনিশ্লিকৰণ বৰ্জ্য বস্তুৰ কৃত্ৰিম পাহাৰ গঢ়ি উঠিছে। পৃথিৱীত স্থলভাগ আৰু জলভাগ উভয়তে এনে আৱৰ্জনাবোৰে সমস্যাৰ সৃষ্টি কৰিছে। গোলকীয় উষ্ণতা বৃদ্ধি আৰু অনিয়মিত বৃষ্টিপাতৰ প্ৰভাৱে সলনি কৰিব ধৰিছে কৃষিভিত্তিক জীৱন, সামাজিক চাল-চলন আৰু সমগ্ৰ জীৱকুলৰ জীৱন যাত্ৰা।

"Knowledge is power. Information is liberating Education is the premise of progress in every society, in every family." - Kofi Annan. অতীজৰে পৰা নিৰৱচ্ছিন্নভাৱে মানৱ সমাজে বিভিন্ন স্তৰত যুদ্ধ কৰি আহিছে। আজিৰ আধুনিক যুগত কিন্তু অকল ধনেই যোগ্যতাৰ একমাত্ৰ মাপকাঠি হ'ব নোৱাৰে। এতিয়া প্ৰজ্ঞাৰ যুগ অৰ্থাৎ Knowledge is power. জ্ঞানেই পৰম শক্তি আৰু আধুনিক সমাজে বহুক্ষেত্ৰত আকোঁৱালি ল'লে অৰ্থ সৰ্বোচ্চ জীৱন অৰ্থাৎ money matters. জ্ঞানৰ আদিপাঠেই হ'ল শিক্ষা। কিন্তু প্ৰকৃত জ্ঞান লাভৰ বাবে পাঠ্যক্ৰমত শিক্ষাই একমাত্ৰ মাপকাঠি হ'ব নোৱাৰে। তাৰ বাবে লাগিব ব্যৱহাৰিক শিক্ষা, আচাৰ ব্যৱহাৰ, ৰীতি-নীতি, জ্ঞান অন্বেষণৰ লিপ্সা ইত্যাদি। এই আধুনিকতাৰ লগতে বিশ্বায়নৰ প্ৰভাৱ, বিজ্ঞান তথা প্ৰযুক্তিৰ অভূতপূৰ্ব আৰু দ্ৰুত বিকাশে মানৱ জাতিক ভাবিব নোৱাৰা স্তৰত উপনীত কৰিলে যদিও প্ৰকৃতিয়ে তিলতিলকৈ নিঃশেষ কৰিবলৈ ধৰিলে। যাৰ ফলত ক'ৰোণা মহামাৰীয়ে আজি আমাৰ সমগ্ৰ বিশ্বখনকে মৰিশালীলৈ পৰিবৰ্তন কৰিছে। প্ৰাকৃতিক সম্পদৰ বহনক্ষম ব্যৱস্থাপনা তথা বহনক্ষম অৰ্থনৈতিক উন্নয়নৰ বিষয়ে চিন্তাৰ বীজ ৰোপণ কৰিব লাগে, যাতে ভৱিষ্যত প্ৰজন্মসকলে সম্পদৰ সদ্ব্যৱহাৰ বুজি পায়।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ দৰে মহান এখন শিক্ষানুষ্ঠানৰ আলোচনী বিভাগৰ সম্পাদিকা হ'বলৈ পাই মই নিজকে ভাগ্যৱান বুলি ভাবোঁ। সম্পাদিকা হিচাপে মোৰ এই শিক্ষা জীৱনৰ প্ৰথম অভিজ্ঞতা। সম্পাদনা কৰ্মটো দেখাত সহজ যেন লাগিলেও সিমান সহজ নহয়। এই ক্ষেত্ৰত বিভিন্ন জনৰ সু-পৰামৰ্শৰে আগবাঢ়িবলৈ সাহস কৰিছোঁ। সম্পাদিকা হিচাপে মই 'প্ৰাগ্‌জ্যোতি' আলোচনীখনক মই এখন উন্নত মানৰ আলোচনী হিচাপে গঢ় দিবলৈ চেষ্টা কৰিছোঁ। শ্ৰদ্ধাৰ মাননীয় অধ্যক্ষ, বিভাগীয় তত্ত্বাৱধায়িকা মহোদয়া, শ্ৰদ্ধাৰ শিক্ষা গুৰুসকল আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকলক লগতে বন্ধু-বান্ধৱী সকলকো মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সহায় আৰু উপদেশ দিয়াৰ বাবে। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে লিখনিৰে আলোচনীখন সৰ্বাংগসুন্দৰ কৰাত সহায় কৰিলে তেওঁলোকলৈও ধন্যবাদ জনালোঁ। বিশ্বব্যাপী চলা কৰোণা মহামাৰীৰ পৰিপ্ৰেক্ষিতত আলোচনীখন সময়ত প্ৰকাশ কৰিব নোৱাৰাৰ বাবে শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী।

সদৌ শেষত, আলোচনীখনত ৰৈ যোৱা অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা-মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিছোঁ।

(ফুলমণি কলিতা)
সম্পাদিকা, 'প্ৰাগ্‌জ্যোতি'
২০১৯-২০ ইং বৰ্ষ



কৰ্মৰত মুহূৰ্তত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা

## 'প্ৰাগ্‌জ্যোতি' সম্পাদনা সমিতি



ড° ভূপেশ শৰ্মা
সভাপতি



ড° নৱনীতা কলিতা
তত্বাৱধায়িকা



গীতাশ্ৰী গোস্বামী
শিক্ষক সদস্যা



নিৰ্মালি মহন্ত চৌধুৰী
শিক্ষক সদস্যা



ফুলমণি কলিতা
সম্পাদিকা



নিতুল দাস
ছাত্ৰ সদস্য



ৰাকেশ ৰয়
ছাত্ৰ সদস্য

## ছাত্ৰ একতা সভা ঃ ২০১৯-২০


ড° মণিকান্ত দাস
তত্ত্বাৱধায়ক
ছাত্ৰ একতা সভা


ড° নৱনীতা কলিতা
তত্ত্বাৱধায়িকা
আলোচনী বিভাগ


ৰুদ্ৰ কলিতা
তত্ত্বাৱধায়ক
সাংস্কৃতিক বিভাগ


জিতেন কুমাৰ ভাগৱতী
তত্ত্বাৱধায়ক
গুৰু খেল বিভাগ


ড° তপন কলিতা
তত্ত্বাৱধায়ক
লঘু খেল বিভাগ


মাণিক চন্দ্ৰ দাস
তত্ত্বাৱধায়ক
তৰ্ক বিভাগ


ড° কমল ঠাকুৰীয়া
তত্ত্বাৱধায়ক
ছাত্ৰ জিৰণি কোঠা


নিৰ্মালী মহন্ত চৌধুৰী
তত্ত্বাৱধায়িকা
ছাত্ৰী জিৰণি কোঠা


ড° তপন কাকতি
তত্ত্বাৱধায়ক
সমাজ সেৱা বিভাগ


মৃন্ময় দাস
সভাপতি


নিতুল দাস
সাধাৰণ সম্পাদক


ফাল্গুণী পাঠক
সহঃ সাধাৰণ সম্পাদিকা


ফুলমণি কলিতা
সম্পাদিকা
আলোচনী বিভাগ


বিজিতা দাস
সম্পাদিকা
সাংস্কৃতিক বিভাগ


ৰাকেশ ৰয়
সম্পাদক
গুৰু খেল বিভাগ


জয়ন্ত কলিতা
সম্পাদক
লঘু খেল বিভাগ


সুপ্ৰিয়া কলিতা
সম্পাদিকা
তৰ্ক বিভাগ


হিৰকজ্যোতি শৰ্মা
সম্পাদক
ছাত্ৰ জিৰণি কোঠা


ৰাখীমণি দাস
সম্পাদিকা
ছাত্ৰী জিৰণি কোঠা


ৰূপজ্যোতি হালৈ
সম্পাদক
সমাজ সেৱা বিভাগ

## অনুক্ৰমণিকা

### প্ৰবন্ধ শিতান


- একেখন নাৱৰে যাত্ৰী আমি— গীতাশ্ৰী গোস্বামী ১
- অসমীয়া সংস্কৃতিৰ সংৰক্ষণ ঃ ইতিবাচক আৰু নেতিবাচক দিশ— অনুস্মিতা কলিতা ৩
- নাৰী শক্তি আৰু বিশ্বায়ন— এনিশা দাস ৫
- নাৰী আৰু বিশ্বায়ন— সুপ্ৰিয়া কলিতা ৬
- অন্ধবিশ্বাস আৰু কু-সংস্কাৰ— ভায়োলিনা ৰয় ৭
- জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শ আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰাসংগিকতা ঃ এক চমু অৱলোকন— মিতুমণি চেতিয়া ৯
- অসমীয়া সমাজ ব্যৱস্থাত নাৰীৰ অস্তিত্ব— বনানী ৰয় ১২
- নাৰী আৰু বিশ্বায়ন— ৰিমি পৰাশৰ ১৪
- নাৰী আৰু বিশ্বায়ন— প্ৰকাশ বৰ্মণ ১৫
- পৃথিৱীৰ প্ৰতি এক ভাবুকি ঃ গোলকীয় উত্তাপন (Global Warming)— বৰষা শৰ্মা ১৬
- জৱাহৰলাল নেহৰু— বৰষা খাটনিয়াৰ ১৮
- ড° এ.পি.জে. আব্দুল কালাম— অংকিতা দাস ২০
- ছাৰ আইজাক নিউটন— কাশ্মিৰী ৰয় ২১
- ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ— বিদিশা ৰয় ২২
- চৰিত্ৰ— হিয়াস্মিতা দাস ২৩
- অনুভৱ— ফুলমণি কলিতা ২৪
- সপোনবোৰৰ বাবেই আমি জীয়াই থাকো— হিমশিখা কলিতা ২৫
- মাক আৰু মৰম— হিমাঞ্জলী কলিতা ২৬
- প্ৰকৃতি আৰু মানুহ— কৰিস্মা ৰয় ২৭
- বৃক্ষৰোপণ— দিপাশ্ৰী দাস ২৮
- হাঁহি— অনুশ্ৰী মেধি ২৯
- 'কুইজ' শব্দৰ উৎপত্তি — বিবেক কলিতা ৩০
- আশা— জীমনি কলিতা ৩১
- শনি গ্ৰহ— লীনা দাস ৩২


### গল্প শিতান


- মৃত্যুশয্যা— স্মৃতি মালাকৰ ৩৫
- ছোৱালীৰ জীৱন কাহিনী— অঞ্জলী বৰ্মণ ৩৬
- বন্ধুত্ব প্ৰেমৰ উৰ্দ্ধত— নিকুমণি দাস ৩৭


### নীলা খামৰ চিঠি


- মনজিৎ দাস ৪১
- জিন্তীমণি চৌধুৰী ৪২
- নিকুমণি কলিতা ৪৩
- বৰষা খাটনিয়াৰ ৪৩
- দীপামণি বৰ্মণ ৪৪
- সুপ্ৰিয়া কলিতা ৪৪
- ফাল্গুণী পাঠক ৪৫
- প্ৰকাশ বৰ্মণ ৪৬
- ৰাখিমণি দাস ৪৭
- ভনীতা ডেকা ৪৭
- প্ৰিয়াংশু গোস্বামী ৪৮


### কবিতা শিতান


- সন্ধান — বিদিশা ৰয় ৫১
- সোঁৱৰণ — জিনিশ্ৰী ডেকা ৫১
- তুমি বিহীন এই জীৱন— জিন্তীমণি চৌধুৰী ৫২
- আত্মাৰ বিলাপ— জিনিশ্ৰী ডেকা ৫২
- ক'ভিড-১৯— মদুস্মিতা ডেকা ৫৩
- তুমি তুমি লগা সেই বৰষুণজাক— জিন্তীমণি চৌধুৰী ৫৩
- বৰষুণ এটি জীপাল কবিতা— নয়ন শৰ্মা ৫৪
- এজাক ৰিমজিম বৰষুণ— বৰষা শৰ্মা ৫৪
- বৰষুণ— মনজিৎ দাস ৫৫
- হেঁপাহ— বৰষা খাটনিয়াৰ ৫৫
- নাৰী— দীপিকা শীল ৫৬
- অনুভৱ— প্ৰীতিস্মিতা কলিতা ৫৬
- জীৱনৰ ৰং— নিকুমণি কলিতা ৫৭
- সংগ্ৰামী সত্তা— প্ৰিয়াংশু গোস্বামী ৫৭
- সংগ্ৰাম এক জীৱনৰ ৰং— প্ৰকাশ বৰ্মন ৫৮
- জীৱনৰ ৰং— সুপ্ৰিয়া কলিতা ৫৮
- আধৰুৱা প্ৰেম— মনপ্ৰীত পৰাশৰ ৫৯
- মোৰ মৃত্যুৰ পিছত— জিন্টু খাটনিয়াৰ ৫৯
- শব্দ ভালপোৱা মইজনী— পিংকি দাস ৬০
- অনুভৱ— সৌৰভ তালুকদাৰ ৬০
- অনুৰাধা— প্ৰাণজিৎ দাস ৬১
- প্ৰেমৰ সপোন— চয়নিকা ৰয় ৬১
- সোঁৱৰণিৰ এখিলা পাত— মৌচুমী পাঠক ৬২
- প্ৰকাশবিহীন মোৰ মনৰ ভাৱনা— মৌচুমী পাঠক ৬৩

- Meaning… — Bibek Kalita ৯৪
- সময়ৰ সোঁতত— সোনমণি পাটগিৰী ৬৩
- কোনে গৈ ক'ব তোমাক— জৰ্ণা ডেকা ৬৪
- মোৰ জীৱনৰ অৰ্থ তুমি— বৰষা শৰ্মা ৬৪
- আধৰুৱা সপোনৰ শেষ ঠিকনা তুমি— জীমণি মেধী ৬৫
- অপেক্ষা মাথোঁ তোমালৈ— গোলাপ বসুমতাৰী ৬৫
- প্ৰেমৰ বতৰা— চিন্ময় ৰয় ৬৬
- দুখীয়া-দুৰ্ভিক্ষ— জৰ্ণা ডেকা ৬৬
- জোনাক নিশাৰ সময়বোৰ— দিপাশ্ৰী দাস ৬৭
- জীৱন মোৰ জাৰ— অভিজিৎ চৌধুৰী ৬৮
- জীৱনৰ অংক— পিংকি দাস ৬৮
- দেউতা— ফুলমণি দাস ৬৯
- মা— গোলাপ বসুমতাৰী ৭০
- মা বিহীন কন্যা মই— নন্দিতা দাস ৭০
- সংগীত— কিংকৰ ৰয় ৭১
- নিবৃত্তি— বৰষা শৰ্মা ৭১
- ফাগুন আহিলে, যৌৱনে সাৰ পায়— নিকুমণি দাস ৭২
- হে প্ৰকৃতি— কৰিস্মিতা ৰয় ৭২
- আপুনি— ৰীমাঞ্জলী দাস ৭৩
- উভতি নাহিল— কিংকৰ ৰয় ৭৪


## সাক্ষাৎকাৰ


- ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে সাক্ষাৎকাৰ ৭৫


## English Section


- Russia Ukraine Conflict– Dr. Bhupesh Sarma ৮১
- Kalidas's Concept of Love– Nirmali Mahanta Choudhury ৮৫
- The Law of Karma– Bhagyashree Kalita ৮৬
- Pollution– Subham Das ৮৮
- Video Games : *Bane or Boon*– Himashree Deka ৮৯
- Article 370 of the Constitution of India– Chayanika Khataniar ৯০
- Assam's Pride– *Dikshamani Thakuria* ৯১
- Shakespeare's Place and Influence– Madhusmita Roy ৯২
- Kalpana Chawla– *Chinty Goswami* ৯২
- Abacus and its Advantages– Supriya Kalita ৯৩
- Forever– Chintimani Goswami ৯৫
- My wish– Jinti Sarma ৯৫
- Parents– Sourav Sarma ৯৬
- Follow Me– Barasha Das ৯৬
- Sweet home– Manprit Parashar ৯৭
- When I Behind Her– Dimpi Kalita ৯৭
- Times for a poem– Debajit Dutta ৯৮
- Life– Ankita Baishya ৯৮
- Dreams– ৯৯
- A Walk Through Indian History– Madhusmita Nath ৯৯ ১০০


## ভিতৰ চ'ৰা


- College Teaching & Non-Teaching Staff ১০৩
- ১৯৭৯ চনৰ পৰা নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক আৰু সাধাৰণ সম্পাদকৰ নামৰ তালিকা—
- ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন— ১০৫
- ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন— ১০৬
- ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন— ১০৭
- আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১০৯
- Report of the Secretary, Cultural Department ১১০
- তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন— ১১২
- গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১১৪
- লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১১৫
- ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১১৬
- ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন— ১১৮
- সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন— ১১৯
- ২০১৯-২০ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল— ২০১৯-২০২০ ১২০ ১২১




# প্ৰবন্ধ শিতান

- সময়ৰ সোঁতত— সোনমণি পাটগিৰী ৬৩
- কোনে গৈ ক'ব তোমাক— জৰ্ণা ডেকা ৬৪
- মোৰ জীৱনৰ অৰ্থ তুমি— বৰষা শৰ্মা ৬৪
- আধৰুৱা সপোনৰ শেষ ঠিকনা তুমি— জীমণি মেধী ৬৫
- অপেক্ষা মাথোঁ তোমালৈ— গোলাপ বসুমতাৰী ৬৫
- প্ৰেমৰ বতৰা— চিন্ময় ৰয় ৬৬
- দুখীয়া-দুৰ্ভিক্ষ— জৰ্ণা ডেকা ৬৬
- জোনাক নিশাৰ সময়বোৰ— দিপাশ্ৰী দাস ৬৭
- জীৱন মোৰ জাৰ— অভিজিৎ চৌধুৰী ৬৮
- জীৱনৰ অংক— পিংকি দাস ৬৮
- দেউতা— ফুলমণি দাস ৬৯
- মা— গোলাপ বসুমতাৰী ৭০
- মা বিহীন কন্যা মই— নন্দিতা দাস ৭০
- সংগীত— কিংকৰ ৰয় ৭১
- নিবৃত্তি— বৰষা শৰ্মা ৭১
- ফাগুন আহিলে, যৌৱনে সাৰ পায়— নিকুমণি দাস ৭২
- হে প্ৰকৃতি— কৰিস্মিতা ৰয় ৭২
- আপুনি— ৰীমাঞ্জলী দাস ৭৩
- উভতি নাহিল— কিংকৰ ৰয় ৭৪


## সাক্ষাৎকাৰ


- ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে সাক্ষাৎকাৰ ৭৫


## English Section


- Russia Ukraine Conflict– Dr. Bhupesh Sarma ৮১
- Kalidas's Concept of Love– Nirmali Mahanta Choudhury ৮৫
- The Law of Karma– Bhagyashree Kalita ৮৬
- Pollution– Subham Das ৮৮
- Video Games : *Bane or Boon*– Himashree Deka ৮৯
- Article 370 of the Constitution of India– *Chayanika Khataniar* ৯০
- Assam's Pride– *Dikshamani Thakuria* ৯১
- Shakespeare's Place and Influence– Madhusmita Roy ৯২
- Kalpana Chawla– Chinty Goswami ৯২
- Abacus and its Advantages– Supriya Kalita ৯৩
- Power of Doing Big– Khushi Roy ৯৪
- Meaning of Life– Jayanta Kalita ৯৫
- Forever– Bibek Kalita ৯৫
- My wish– Chintimani Goswami ৯৬
- Parents– Jinti Sarma ৯৬
- Follow Me– Sourav Sarma ৯৭
- Sweet home– Barasha Das ৯৭
- When I Behind Her– Manprit Parashar ৯৮
- Times for a poem– Dimpi Kalita ৯৮
- Life– Debajit Dutta ৯৯
- Dreams– Ankita Baishya ৯৯
- A Walk Through Indian History– Madhusmita Nath ১০০


## ভিতৰ চ'ৰা


- College Teaching & Non-Teaching Staff ১০৩
- ১৯৭৯ চনৰ পৰা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক আৰু সাধাৰণ সম্পাদকৰ নামৰ তালিকা— ১০৫
- ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন— ১০৬
- ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন— ১০৭
- ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন— ১০৯
- আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১১০
- Report of the Secretary, Cultural Department ১১২
- তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন— ১১৪
- গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১১৫
- লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১১৬
- ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১১৮
- ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন— ১১৯
- সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন— ১২০
- ২০১৯-২০ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল— ২০১৯-২০২০ ১২১




# একেখন নাৱৰে যাত্ৰী আমি



**গীতাশ্ৰী গোস্বামী**
মুৰব্বী তথা সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

ফুলনি মানে বাগিচা
বাগিচা মানে ফুলনি
ফুলনি মানে বাগিচা
..........................

গাৰ কাষেৰে গান গাই পাৰ হোৱা চাইকেল আৰোহী-জনলৈ মন কৰিলোঁ। হালি জালি ভৰিৰে কোনোমতে পেডেল ঢুকি পোৱা প্ৰায় দহ/বাৰ বছৰীয়া এটা সৰু ল'ৰা। ল'ৰালি কাম, চাইকেল, গান, আবেগ! মুখেৰে ওলাই আহিল— বাহ্, কি মজ্জা!

সঁচা কথা, ফুলনি মানে বাগিচা, বাগিচা মানে ফুলনি— ফুলনি মানেতো মালী আৰু মালী শব্দই কঢ়িয়াই অনা স্মৃতিবোৰত আমাৰ ল'ৰালি। আমাৰ শৈশৱ, বাল্যকাল আৰু কৈশোৰৰ— এক সুদীৰ্ঘ কাল অতিবাহিত হৈছিল বাগিচাৰ অনাবিল প্ৰকৃতিৰ মাজত। গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ হোষ্টেল, হস্পিটেল, প্ৰশাসনিক ভৱনৰ আশে-পাশে থকা অসম আৰ্হিৰ ঘৰবোৰ আছিল আমাৰ সেই সময়ৰ স্থায়ী ঠিকনা।

সেউজবুলীয়া এলানি টিলা আৰু মহাবাহু ব্ৰহ্মপুত্ৰ আবেষ্টনীত গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ সদায় ৰঙীন। বেছি ৰঙীণ কৰি তুলিছিল ইয়াৰ মাজত গঢ়ি উঠা সৰু-বৰ বাগিচাবোৰে। খৰিকাজাঁই, মাধবীলতা, যুতিমালতী, বকুল, শেৱালী, জবা, কৰবী, গোলাপ, চম্পা, তগৰ, বাগান বিলাস আদি স্থায়ী ফুলবোৰৰ উপৰিও সময় উপযোগী ডালিয়া, জিনিয়া, নাৰ্জি আদিকে ধৰি হৰেক ৰকমৰ বিভিন্ন ৰঙী ফুল ফুলনিবোৰত দেখিছিলো। দেখিছিলো বিভিন্ন জাতৰ বগৰী, ক'লা জাম, বগা জাম, মধুৰী আম, আমলখি, লিচু, আম আদি ফলৰ গছবোৰ। সেয়েহে গুৱাহাটী বিশ্ববিদ্যালয় বুলি ক'লে কৃষ্ণচূড়া, ৰাধাচূড়া, সোণাৰু আৰু এজাৰৰ পৰিবৰ্তে বিভিন্ন ৰঙী ফুল-ফলৰ সমাহাৰৰ সামগ্ৰিক ৰূপটোৰ ছবিখনহে আমাৰ মনত ধৰা দিয়েহি।

ঋতু পৰিবৰ্তনে বিশ্ববিদ্যালয় চৌহদক ভাল ধৰণে চুই যায়। ফাগুণ চ'তত লঠঙা হৈ পৰা প্ৰকাণ্ড গছবোৰে ব'হাগ-জেঠত মিঠা সেউজীয়া পাতেৰে বৰণ সলায়। গছে-পাতে বৰণ সলোৱাৰ লগে লগে ইয়াৰ সুকীয়া গোন্ধবোৰৰ স'তে আমাৰ চিনাকী হয়। বেল ফুল আৰু মাধৱীলতাৰ আমোলমলীয়া গোন্ধ আজিও নাকত লাগি আছে। সেয়েহে দিন আৰু ৰাতি ফুলা ফুলৰ গোন্ধবোৰেৰে চিনাকী ফুলৰ নামবোৰ বিচাৰি লোৱাত অকণো কষ্ট নাপাওঁ। এইখিনিতে মেৰীয়া মণ্টেশ্বৰীৰ ইন্দ্ৰিয় অনুশীলনীৰ শিক্ষা বা ৰুছোৰ প্ৰকৃতিবাদ ধাৰণাৰ শিক্ষাৰ তাৎপৰ্য্য উপলব্ধি কৰোঁ। 'প্ৰকৃতি নিজেই এক মহান শিক্ষক' বুলি কোৱা কথাষাৰৰ বাস্তৱ অভিজ্ঞতা আমি সঁচাকৈ অনুভৱ কৰোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰদ্বাৰা স্থায়ী নিযুক্তিপ্ৰাপ্ত মালীসকলে বাগিচাবোৰ তদাৰক কৰিছিল। এওঁলোকৰ সৰহভাগেই বিহাৰী সম্প্ৰদায়ৰ আছিল। মংগল পাণ্ডে, মংগল সিং, সীতা ৰাম, ৰাজনাথ মালীসকল আছিল আমাৰ চিৰ পৰিচিত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কিছুমান নিৰ্দিষ্ট এলেকাত

এওঁলোকে বসবাস কৰিছিল। সেইবোৰ কৰ্তৃপক্ষৰ পৰা অনুমোদিত আছিল নে তেওঁলোকৰ দখলীকৃত আছিল, সেয়া আমাৰ জ্ঞাত নাছিল। এক বুজন অংশই বাস কৰা অঞ্চলটোৰ সন্মুখ ভাগৰ কেঁচা আলিটোৰে আমি স্কুললৈ গৈছিলো। সেয়েহে বহু ওচৰৰ পৰা এওঁলোকৰ জীৱন প্ৰণালী দেখাৰ সুযোগ লাভ কৰিছিলোঁ। বাস কৰা সৰু জুপুৰী ঘৰবোৰৰ তুলনাত গোহালীবোৰ যথেষ্ট ডাঙৰ আছিল। সিন্ধ্ৰী, জাগি গাই গৰুবোৰ আমি দেখি থকা গৰুবোৰতকৈ ডাঙৰ আৰু দেখনিয়াৰ আছিল। পৰিয়ালৰ প্ৰায় ভাগ সদস্যই গৰু আৰু ঘোঁৰাৰ পৰিচৰ্যাতে ব্যস্ত আছিল বাবে ল'ৰা-ছোৱালীয়ে স্কুললৈ যোৱাৰ প্ৰয়োজনবোধ কৰা নাছিল। পিছলৈ অৱশ্যে হিন্দী স্কুলখন প্ৰতিষ্ঠা হোৱাত তাত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছিল।

বহু পৰিয়ালত ঘোঁৰা গাড়ী থকা দেখিবলৈ পাইছিলোঁ। সেয়া তেওঁলোকৰ পেছা আছিল। ৰাতিপুৱা নিপোটল ঘোঁৰাবোৰৰ নোম, কেশৰ, নেজবোৰ বিশেষ ষ্টাইলত কাটি চিকুণাই ঘোঁৰাগাড়ীখন দিনটোৰ বাবে সাজু কৰি তুলিছিল। এনে ধৰণৰ গাড়ীবোৰ মাছখোৱা বজাৰ আৰু পাণ্ডু বজাৰৰ পৰা ৰচদ পাতি অনা কামত ব্যৱহাৰ হৈছিল। সেই সময়ত জালুকবাৰীৰ পৰা গুৱাহাটীলৈ যোৱাৰ বাবে বাহন তেনেই নগণ্য আছিল। বিহাৰী লোকসকলে দৰা-কইনা অনা-নিয়া কৰাত আৰু ষট্ পূজাৰ দিনা ঘোঁৰাৰ লগতে গাড়ীবোৰ ধুনীয়াকৈ সজাই তুলিছিল। মনত পৰে অসম আন্দোলনৰ সময়ত বিশ্ববিদ্যালয়ৰ পৰা আমি এমখা মানুহ ঘোঁৰা গাড়ীত উঠি জজ খেলপথাৰ, চানমাৰীৰ প্ৰতিবাদ স্থলীলৈ বহুদিন গৈছিলো। সেই সময়ত আন্দোলনৰ উদ্দেশ্য বুজি নুঠিলেও ঘোঁৰা গাড়ীত উঠি জালুকবাৰীৰ পৰা গুৱাহাটীলৈ যোৱাৰ মাদকতাখিনি ভালদৰে লৈছিলো।

চেকুঁৰি অহা ঘোঁৰাবোৰক বহু দূৰৰ পৰাই বাট এৰি দিছিলো। ঘৰৰ পৰা সাৱধান কৰি থোৱা আছিল— ঘোঁৰাই পিছ ভৰিৰে লথিয়ায়। সেয়েহে চালকবিহীন ঘোঁৰাৰ কাষেৰে পাৰ হ'লে যথেষ্ট সাৱধান হৈছিলোঁ। ঘোঁৰাগাড়ীৰ পিছে পিছে দৌৰি থকা ল'ৰা-ছোৱালীৰ জাকটোত আমিবোৰো আছিলোঁ। তাত ভয় নাছিল। মাজৰাতিও টোপনিৰ আলি-জালিত শুনিছিলোঁ- ঝুনুকা লগোৱা ঘোঁৰাকেইটাৰ খুৰাৰ পৰা অহা খতলপ্ খতলপ্ এক মধুৰ ছন্দ। এই মধুৰ শব্দৰ ৰহস্য ভেদ কৰিছিলোঁ, দেখিছিলো খুৰাৰ তলিত লগোৱা হৈছিল লোৰ একোটা চেপেটা পাতি। পাতিবোৰ হাতুৰী জাতীয় সঁজুলিৰে কোবাই কোবাই খুৰাত লগোৱা হৈছিল। ঘোঁৰাই চিঞৰিছিল, যন্ত্ৰণাত নহয়, বহুকেইজন মানুহে হেঁচা মাৰি ধৰা কাৰণেহে চিঞৰিছিল বুলি পিছত গম পাইছিলো। অভিজ্ঞ লোকে এইকামবোৰ কৰিছিল। বিশ্ববিদ্যালয়ৰ খেলপথাৰৰ (পুৰণি) উত্তৰ-পশ্চিম দিশত এডাল বেলগছ আছিল। বেলগছৰ গুৰিটোৰ চাৰিওকাষ ওখকৈ পকা কৰা আছিল। সেই ঠাইত তেওঁলোক মুখিয়ালৰ সতে মাজে-সময়ে বহিছিল। ডাঙৰ গোফ একোচাৰে স'তে পাগুৰী মৰা মানুহবোৰক সেই অঞ্চলত মাজে-সময়েহে দেখিছিলো। তেওঁলোকৰ দিহা-পৰামৰ্শ বাকীবোৰ লোকে মনোযোগেৰে শুনা আমি দেখিছিলো। এনেবোৰ অভিজ্ঞতাৰে বিহাৰৰ এখন গাঁৱত নিজকে ভ্ৰমি ফুৰা যেনহে লাগিছিল।

বিহাৰী সম্প্ৰদায়ৰ লোকসকল কৰ্মঠ আছিল। কৰ্তব্যনিষ্ঠা আৰু দায়িত্ববোধেৰে কাম কৰি কৰ্তৃপক্ষৰ প্ৰিয়ভাজন হৈছিল। পিছে, আমি বেয়া পাইছিলো। কাৰণ এনেয়েটো নিদিয়েই সৰস্বতী পূজাৰ বাবেও আমাক ফুল চিঙিব দিয়া নাছিল! বহু ফলেৰে ভৰি থকা ফাৰ্মখনৰ ফলৰ সোৱাদ ল'বলৈ গৈ মালীৰ খেদা খোৱাৰ ঘটনাবোৰে এতিয়াও আমাক আমোদ দিয়ে।

বিশ্ববিদ্যালয়ৰ সেউজীয়া শান্ত, সুন্দৰ প্ৰাকৃতিক পৰিবেশ সৃষ্টিত এওঁলোকৰ বৰঙণি যথেষ্ট আছিল। পৰিবেশৰ প্ৰভাৱ, পৰিবেশ বিনষ্টকৰণৰ বিষময় ফলশ্ৰুতি আদি বিষয়ক বৈজ্ঞানিক জ্ঞানৰ ভূ কে নোপোৱা এইসকলে পৰিবেশ মূল্যবোধ থকা অনানুষ্ঠানিক শিক্ষাৰে কৃষ্ণচূড়াৰ নগৰীখন পৰৱৰ্তী প্ৰজন্মলৈ প্ৰবাহিত কৰি থৈ গ'ল। সেয়েহে এই সম্প্ৰদায়ৰ নিৰীহ লোকসকলক আমাৰ ৰাজ্যত মাজে-সময়ে নিৰ্বিচাৰে গুলীয়াই হত্যা কৰা বাতৰিয়ে আমাক আঘাত দিয়ে। ভাব হয়, যুক্তিৰে কথাবোৰ ফঁহিয়াই চালে কথাবোৰ তেনেই সহজ— আপোনজনেই পৰ, পৰেই আপোনজন। জাতীয় শিক্ষা কিতাপৰ পাতত নাথাকে। হৃদয়ে আদৰি ল'লে বিশ্বই আপোন হৈ পৰে। সহযোগিতা, মানৱতা, সামাজিক সম্পৰ্ক, জীৱন সম্পৰ্কে ধাৰণাৰ আদি পাঠ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিবেশৰ পৰাই আহৰণ কৰিছোঁ। সেয়েহে গৌৰৱেৰে উচ্চস্বৰে গাব পাৰোঁ— সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সেই অমৰ সৃষ্টি— "একেখন নাৱৰে যাত্ৰী আমি"।**



# অসমীয়া সংস্কৃতিৰ সংৰক্ষণ ঃ ইতিবাচক আৰু নেতিবাচক দিশ



অনুস্মিতা কলিতা
অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ

সংস্কৃতি কোনো এটা নিৰ্দিষ্ট জাতি বা জনগোষ্ঠীৰ একচেটীয়া সম্পত্তি নহয়। ই মানৱসৃষ্ট; আৰু মানুহৰ মাজত পৰিবৰ্তিত তথা পৰিবৰ্দ্ধিত ৰূপত জীয়াই থাকে। পৃথিৱীৰ প্ৰত্যেকটো জাতি বা জনগোষ্ঠীৰ নিজ নিজ সংস্কৃতি আছে। আমাৰ অসমীয়া সংস্কৃতিও বিভিন্ন জাতি, জনগোষ্ঠীৰ সাংস্কৃতিক সমলৰ সমাহৰণত গঢ় লৈ উঠিছে।

সময় গতিশীল। যুগৰ পৰিবৰ্তনৰ লগে লগে সমাজ এখনৰো পৰিবৰ্তন হয়। অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন প্ৰয়োজনত সমাজৰ পৰিবৰ্তন হয়। অসমীয়া সমাজো ইয়াৰ বিপৰীত নহয়। সংস্কৃতি যিহেতু সমাজৰেই এক অবিচ্ছেদ্য অংগ গতিকে এই সংস্কৃতিও পৰিবৰ্তনশীল।

সংস্কৃতিৰ এনে ভালেমান উপাদান আছে যি অসমীয়া সংস্কৃতিৰ বিশ্বাস, আবেগ, মৰ্যাদা, পৰিচয় আদিৰ প্ৰতিনিধিত্ব কৰে। আভিজাত্য বা সম্ভ্ৰম অসমীয়া মানুহৰ এৰাব নোৱাৰা সম্পত্তি বুলি গণ্য কৰিব পাৰি। আভিজাত্যপূৰ্ণ সাংস্কৃতিক সমলসমূহ অসমীয়া সংস্কৃতিৱান লোকসকলে আজিও তাৰ মূল ৰূপটোতে জীয়াই ৰাখিবলৈ চেষ্টা কৰিছে। অৰ্থাৎ ইয়াকে আমি সংস্কৃতি সংৰক্ষণৰ ইতিবাচক দিশ বুলি ক'ব পাৰো। এই ইতিবাচক দিশেৰে সংৰক্ষণ কৰা সংস্কৃতিৰ কিছুমান সমল বা উপাদান হ'ল—

**১। তামোল পাণ ঃ** তামোল-পাণ অসমীয়া সমাজত ভক্তি, সন্মান আৰু বন্ধুত্বৰ চিনস্বৰূপে আগবঢ়োৱা হয়। এইটো এটা অতি পুৰণি পৰম্পৰা যাক এতিয়াও অসমীয়া সমাজত আগৰ দৰে সমানেই গুৰুত্ব আৰোপ কৰা হয়। মূলতঃ অষ্ট্ৰিক সকলৰ দান এই সংস্কৃতিক আজিও অসমীয়া সমাজত জীয়াই ৰখা হৈছে।



**২। শৰাই ঃ** পৰম্পৰাগত আভিজাত্যৰ চিনস্বৰূপ আন এবিধ সাংস্কৃতিক উপাদান হ'ল শৰাই। অসমীয়া সমাজত আলহী-অতিথিক সংকাৰ কৰা আদিত শৰাই এখনৰ বহুমূলীয়া অৱদান পোৱা যায়। ইয়াৰ উপৰি সন্মান বা উপহাৰৰ চিন স্বৰূপেও শৰাই আগবঢ়োৱা হয়।



**৩। গামোচা ঃ** গামোচা অসমীয়া জাতীয় জীৱন আৰু সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ। ই অসমীয়াৰ অতি আদৰৰ বস্ত্ৰ। এই গামোচা নামঘৰলৈ যাওঁতে ডিঙিত মেৰাই লোৱাটো দস্তুৰ। পূজা-সেৱাৰ সময়তো গামোচাৰ ভূমিকা অসীম। মান-সৎকাৰৰ কাৰ্যতো ইয়াৰ গুৰুত্বপূৰ্ণ অৰিহণা আছে। বিহুৱান স্বৰূপে আপোনজনলৈ গামোচাখন বৰ হেঁপাহেৰে আগবঢ়োৱা হয়।



**৪। উৎসৱ-পাৰ্বণ ঃ** অসমৰ যিবোৰ লোক-উৎসৱ আছে তাৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ উৎসৱ হ'ল বিহু। বিহু অসমীয়া জাতিৰ জাতীয় উৎসৱ, বাপতি সাহোন। বিহু সম্পৰ্কীয় ভালেমান

লোকাচাৰৰ পৰিবৰ্তন ঘটিছে যদিও বিহুৱে জাতীয় উৎসৱৰ মৰ্যাদা হেৰুওৱা নাই। আগৰ দিনৰ বিহু আছিল পথাৰৰ বিহু, গছৰ তলৰ বিহু। কিন্তু বৰ্তমান গছৰ তলৰ বা পথাৰৰ বিহুৱে ইমান বেছি জনপ্ৰিয়তা লাভ কৰিছে যে অসমীয়া বিহুৱে গোটেই বিশ্বৰ দৰবাৰতে অসমীয়া জাতিক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হৈছে।



এইবোৰ সংস্কৃতি সংৰক্ষণৰ ইতিবাচক দিশ পৰিলক্ষিত হোৱাৰ লগতে সংস্কৃতি সংৰক্ষণৰ কেতবোৰ নেতিবাচক দিশো দৃষ্টিগোচৰ হয়। বৰ্তমান যুগটোৱে হ'ল বিশ্বায়নৰ যুগ। এনে এটি যুগত এখন দেশৰ লগত আন এখন দেশৰ পাৰস্পৰিক সাংস্কৃতিক বিনিময় একো অস্বাভাৱিক নহয়। এই বিশ্বায়নৰ ফলত বৰ্তমান পশ্চিমীয়া সংস্কৃতিয়ে অসমীয়া সংস্কৃতিক বিভিন্ন দিশৰ পৰা গ্ৰাস কৰি পেলাইছে। তেনেকুৱা কিছুমান নেতিবাচক প্ৰভাৱ পৰা সংস্কৃতিৰ সংৰক্ষণৰ সমল হ'ল—

১। **খাদ্য-সম্ভাৰ ঃ** অসমীয়া মানুহৰ প্ৰধান আহাৰ ভাত। ইয়াৰ লগতে বিভিন্ন প্ৰকাৰৰ শাক-পাচলি, মাছ, মাংস, দাইল, ফল-মূল আদিৰ ব্যাপক প্ৰচলন আছে। ইয়াৰোপৰি বিভিন্ন ধৰণৰ পিঠা-পনা, চিৰা, জলপান আদি অসমীয়া মানুহৰ প্ৰিয়। কিন্তু বৰ্তমান তাহানিৰ সেই খাৰ খোৱা অসমীয়া নাই। বৰ্তমানৰ এচামে বৰ্তমান তাহানিৰ ধৰণৰ পাশ্চাত্য খাদ্যহে দোকান, ৰেস্তোৰাত পোৱা বিভিন্ন ধৰণৰ পাশ্চাত্য খাদ্যহে আঁকোৱালি লোৱা দেখা গৈছে। যেনে- চাওমিন, ম'ম' ইত্যাদি। আজিকালি বিহু আদিত পিঠা-পনা বনোৱাৰ উৎসাহ উদ্দীপনাও নাইকীয়া হ'ল। বজাৰত সহজতে পোৱা পিঠা-পনাৰে কিছু অংশই বিহুৰ ৰীতি-নীতি ৰক্ষা কৰি আছে।

২। **সাজ-পাৰ ঃ** সাজ-পাৰলৈও চালেও দেখা যায় যে পূৰ্বে অসমীয়া পুৰুষসকলে পিন্ধিছিল ধূতী, মহিলাই পিন্ধিছিল মেখেলা-চাদৰ; কিন্তু আজিকালি পুৰুষে পিন্ধে পেন্ট-চাৰ্ট আৰু মহিলাই পিন্ধে চুৰিদাৰ-কামিজ, বিভিন্ন ধৰণৰ পেন্ট-চোলা। ই পাশ্চাত্যৰ প্ৰভাৱ। সাজ-পাৰৰ লগতে অসমীয়া অলংকাৰ সমূহৰো পৰিবৰ্তন হৈছে। আগৰ দিনৰ অসমীয়া গহণা কেৰু, থুৰীয়া, ঢোলবিৰি, জোনবিৰি, মাদলি, দুগদুগী, গামখাৰু আদিও পিন্ধিবলৈ প্ৰায় এৰাৰ দৰে।

৩। **পৰিৱেশ্য কলা ঃ** গ্ৰাম্য সমাজত পৰিৱেশ্য কলাসমূহ কৃষক ৰাইজৰ দৈনন্দিন জীৱনৰ সৈতে জড়িত। কিন্তু আগৰ সেই গ্ৰাম্য সমাজ নগৰমুখী, উদ্যোগমুখী হোৱাৰ লগে লগে প্ৰাচীন নীতিৰ গ্ৰাম্য সংস্কৃতিয়ে পৰাজয় স্বীকাৰ কৰিছে। পুৰণি গ্ৰাম্য সমাজত লোক বিনোদনৰ অনুষ্ঠান হিচাপে পুতলা নাচ, ওজাপালি, ভাওনা, ঢুলীয়া অনুষ্ঠান ইত্যাদি যথেষ্ট জনপ্ৰিয় আছিল। বৰ্তমান এই লোক নাট্য অনুষ্ঠানবোৰ প্ৰায় আমাৰ সমাজত নোহোৱাৰ দৰেই।

সংস্কৃতিৰ বেছিভাগ উপাদানেই তাৰ মূল ৰূপত বৰ্তি থাকিব নোৱাৰে, ইয়াৰ পৰিবৰ্তন নিশ্চিত। পৰিবৰ্তনৰ মাজেৰেই দৰাচলতে সংস্কৃতিৰ উপাদানসমূহ জীয়াই থাকে। ই সংস্কৃতি সংৰক্ষণৰ ইতিবাচক দিশ। সংস্কৃতি পৰিবৰ্তনশীল আৰু পৰিবৰ্দ্ধনশীল এইটো স্বাভাৱিক ৰীতি, কিন্তু আধুনিক অসমীয়া সংস্কৃতিত এই দুয়োটাৰ প্ৰভাৱ ইমান কোবাল যে মূল ৰূপটো ঢাকি পেলাবৰ উপক্ৰম হৈছে। গতিকে অসমীয়া সংস্কৃতিৰ এই মূল ভেটিটো সংৰক্ষণ কৰিবলৈ নেতিবাচক দিশবোৰ এৰাই চলি ইতিবাচক দিশৰ ওপৰত গুৰুত্ব দিব লাগিব। তেতিয়াহে পৰিবৰ্তনৰ মাজেৰেও অসমীয়া সংস্কৃতিৰ সংৰক্ষণ সম্ভৱ হ'ব। **



# নাৰী শক্তি আৰু বিশ্বায়ন




এনিশা দাস
দ্বিতীয় ষান্মাসিক


বৰ্তমানৰ যুগটোক বিশ্বায়নৰ যুগ (Age of Globalization) বুলি কোৱা হয়। বিশ্বায়ন কি? আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে আমি সকলোৱে নিশ্চয় ভালকৈয়ে জানো। 'বিশ্বায়ন' ধাৰণাটিৰ ফলত গোটেই পৃথিৱীখন এখন Global Village ত পৰিণত হৈছে। ইয়াৰ অৰ্থ এই নহয় যে ভৌগোলিকভাৱে এখন গাঁও হৈছে। মানুহৰ জীৱনধাৰাৰ লগত জড়িত মাধ্যম, ব্যৱস্থা, সামগ্ৰীৰ যোগেদি হোৱাকহে বুজাইছে। বিশ্বায়নৰ এই ধাৰণাটিয়ে সকলো দেশ-বিদেশত সকলো দিশেৰে প্ৰয়োজনীয় আৰু স্পষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। Peter Sutherland নামৰ এজন ইংৰাজ ব্যক্তিয়ে এই বিশ্বায়ন শব্দটো পোন প্ৰথমে প্ৰয়োগ কৰিছিল। আমি জনাজাত কিছুমান প্ৰসিদ্ধ দেশে এই বিশ্বায়নৰ ধাৰণাটিৰ পোষকতা কৰিছিল।

বিশ্বায়নে বহু ক্ষেত্ৰত বিস্তৃত প্ৰভাৱ পেলাইছে। বিশ্বায়নৰ নাৰী শক্তি আৰু নাৰীৰ শিক্ষাৰ ওপৰত বহল প্ৰভাৱ বিৰাজমান। একৈশ শতিকাৰ উন্নত দেশৰ উন্নত নাৰী ক'বলৈ গ'লে বিশ্বায়নৰে প্ৰভাৱ। 'Woman Empowerment' এই ধাৰণাটি বিশ্বায়নৰ যোগেদি সকলো দেশলৈ প্ৰৱাহিত হৈছে। এই ধাৰণাটিৰ যোগেদি নাৰীয়ে বহু পৰিমাণে তেওঁলোকৰ অধিকাৰ, কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে পৰিচিত হৈছে। নাৰীয়ে নিজৰ স্বাস্থ্য সম্পৰ্কেও সজাগ হৈছে। মানৱ জাতিয়ে এইটো অনুভৱ কৰিছে যে বৰ্তমান সময়ত নাৰীৰ স্থান কেনেকুৱা। আৰু এই পৰিবৰ্তন কেনেকৈ হৈছে। অনুন্নত আৰু উন্নয়নশীল দেশবোৰে নিজৰ দেশৰ অনুন্নতাৰ কাৰণ কি? সেই সম্পৰ্কে সচেতন হৈছে। এখন দেশে উন্নত দেশখনক অনুকৰণ কৰা সময়ত তেওঁলোকে পাৰ্থক্যটো অনুভৱ কৰিছে যে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা কিমান? বিশ্বায়নৰ ফলতে ৰেডিঅ', টেলিভিছন, দূৰদৰ্শন আদি নানা মাধ্যমৰ যোগেদি নাৰী সুৰক্ষা ব্যৱস্থা সম্প্ৰসাৰিত হৈছে। এজন শিক্ষিতা নাৰীয়ে পৰিয়ালৰ চাৰিজন সদস্যক শিক্ষিত কৰিব পাৰে। এয়া হৈছে নতুন ধাৰণা। আমি এইটোও জানিবলৈ পাইছো যে উন্নত দেশত নাৰীক ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰত যি সমান সুযোগ-সুবিধা প্ৰদান কৰা হৈছে, এয়া বিশ্বায়নৰ ফলত অন্য দেশৰ গুণী-জ্ঞানী ব্যক্তিয়ে বুজি এই ব্যৱস্থাটো উঠাব খুজিছে য'ত তেওঁলোক বহু পৰিমাণে সফলো হৈছে। এই বিশ্বায়নৰ যুগত নাৰীয়ে বহু ধৰণৰ মাধ্যম, ব্যৱস্থাৰ যোগেদি নিজকে আন্তৰ্জাতিক বিশ্ব দৰবাৰত নিজকে প্ৰস্তুত কৰি এক মহত্বপূৰ্ণ স্থান দখল কৰিবলৈ সফলতা লাভ কৰিছে। এইটো স্পষ্ট কথা যে এয়া বিশ্বায়নৰে ফল। নাৰীয়ে নিজকে আৰু নিজৰ দেশক উন্নত কৰাৰ স্বাৰ্থত নিজৰ ওপৰত চলি থকা সকলো অত্যাচাৰ, শোষণ, লাঞ্ছনাৰ তীব্ৰ বিৰোধিতা কৰি বিশ্বায়নৰ ফলত মহিয়সী নাৰীলৈ ৰূপান্তৰিত হৈছে। **

মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত প্ৰবন্ধ প্ৰতিযোগিতাৰ পৰা সংগৃহীত

# নাৰী আৰু বিশ্বায়ন




সুপ্ৰিয়া কলিতা

চতুৰ্থ ষান্মাসিক


নাৰী! এই নাৰীয়ে হৈছে এটি নতুন জীৱনৰ আৰম্ভণি। নাৰী অবিহনে এই সমাজৰ কোনো অস্তিত্ব নাই। নাৰী হৈছে সকলো মানুহৰ আৱিষ্কাৰৰ মূল স্বৰূপ জন্মদাত্ৰী মা।

সময়ে সময়ে আমাৰ সমাজত নাৰীসকল অৱহেলিত হৈ আহিছে যদিও নাৰীসকল যে পুৰুষতকৈ কোনোগুণে কম নহয় তাৰ প্ৰমাণ নাৰী সকলে সময়ে সময়ে সমাজত দি আহিছে।

বৰ্তমানৰ যুগ হৈছে বিশ্বায়নৰ যুগ। এই বিশ্বায়নৰ ফলত সমগ্ৰ দেশতে আমূল পৰিবৰ্তন সাধন হৈছে। এই বিশ্বায়নৰ ফলত নাৰীসকলৰো আমূল পৰিবৰ্তন সাধন হৈছে। উদাহৰণস্বৰূপে কল্পনা চাওলা। তেওঁ আছিল ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী। যি সময়ত পুৰুষসকলে নাৰীক সমাজত অৱহেলিত, নিষ্পেষিত কৰি আহিছিল সেই সময়তে কল্পনা চাওলাৰ দৰে মহীয়সী নাৰীয়ে পুৰুষৰ সমান্তৰালকৈ আগবাঢ়িছিল। আগৰ দিনত মূলা গাভৰু, ৰাণী লক্ষ্মীবাঈ আদি মহীয়সী নাৰীসকলে পুৰুষৰ সমান্তৰালকৈ দেশৰ হকে যুঁজ দিছিল।

নাৰীসকলে বিভিন্ন ধৰণে আজিকালি স্বাৱলম্বী হ'ব ধৰিছে। গাঁৱৰ মহিলাসকলে বিভিন্ন ধৰণৰ আত্মসহায়ক গোট, তাঁতশাল আদিৰ জৰিয়তে নিজকে নিজে প্ৰতিষ্ঠা কৰিছে। লগতে বিভিন্ন নাৰীয়ে পুৰুষকো চেৰ পেলাই উচ্চপদস্থ বিষয়াৰ পদ লাভ কৰিছে।

বৰ্তমান সময়ত কোনো নাৰীয়ে ঘৰৰ চাৰিবেৰৰ মাজত সোমাই নাথাকে। নাৰীয়ে সময়ে সময়ে লক্ষ্মীৰ ৰূপো ধাৰণ কৰিব পাৰে, দুৰ্গাৰ ৰূপো ধাৰণ কৰিব পাৰে আৰু সময় সাপেক্ষে মা-কালীৰ ৰূপো ধাৰণ কৰিব পাৰে আৰু এই আমূল পৰিবৰ্তন সাধন হৈছে এই বিশ্বায়নৰ ফলতে।

বিশ্বায়নে নাৰীসকলক বিভিন্ন ধৰণে আগবাঢ়ি যোৱাত সহায় কৰিছে। বিশ্বায়ণ মানে হৈছে পৃথিৱীৰ এটা মূৰৰ পৰা আন এটা মূৰলৈ সংযোগ স্থাপন কৰা। এই বিশ্বায়নৰ ফলতে আমাৰ দেশৰ উন্নতি হৈছে। বিশেষকৈ নাৰীসকলৰ এই বিশ্বায়নৰ যোগেদি আগবাঢ়ি যোৱাত যথেষ্ট সুবিধা হৈছে।

গতিকে নাৰী আৰু বিশ্বায়ন হৈছে এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। নাৰী আৰু বিশ্বায়ন এটা আনটোৰ লগত যথেষ্টখিনি জড়িত হৈ আছে। বিশ্বায়নৰ ফলত নাৰীসকল আগলৈও এনেকৈয়ে আগবাঢ়ি গৈ থাকিব।

বিশ্বায়নে বৰ্তমান যুগত যেনেকৈ নাৰীসকলক অগ্ৰগতি হোৱাত সহায় কৰিছে- আগলৈও কৰি থাকিব। **



মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত প্ৰবন্ধ প্ৰতিযোগিতাৰ পৰা সংগৃহীত



# অন্ধবিশ্বাস আৰু কু-সংস্কাৰ




ভায়োলিনা ৰয়

তৃতীয় ষান্মাসিক


**অন্ধবিশ্বাস আৰু কু-সংস্কাৰ**

**ভায়োলিনা ৰয়, তৃতীয় ষান্মাসিক**

বৰ্তমান মানৱ সভ্যতাৰ জখলাডাল ইমান উচ্চ, ইমান উন্নত, মানুহৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চা ইমান উচ্চ স্তৰৰ যে 'বিজ্ঞানৰ যুগ' বা 'প্ৰযুক্তিবিদ্যাৰ যুগ' বুলি মানুহে সগৌৰৱেৰে ঘোষণা কৰাৰ সময়ত অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ উল্লেখ কৰাৰ প্ৰয়োজন নাই। কিন্তু এইবোৰ অন্ধবিশ্বাস বা কু-সংস্কাৰে সময়ে সময়ে ঠায়ে ঠায়ে সাগৰৰ ঢৌৰ দৰে সৃষ্টি কৰা কিছুমান চাঞ্চল্যকৰ ঘটনা, অমানুষিক অত্যাচাৰ আদিয়ে সমাজত বিৰূপ প্ৰভাৱ পেলাইছে।

সকলো দেশৰ সকলো সমাজতে অতীজৰে পৰা পৰম্পৰাগতভাৱে কিছুমান বিশ্বাস, আচৰণ চলি আহিছে। কিছুমান কোনো এটা সময়ত তাৰ উপযোগিতা নোহোৱা হৈ পৰিছে। পৰম্পৰাগতভাৱে চলি অহা বাবেই মানুহে সাধাৰণতে কোনো বিচাৰ বিশ্লেষণ নকৰি অন্ধভাৱে সেইবিলাক মানি অহা দেখা যায়। পৰম্পৰা বা পূৰ্ব সংস্কাৰ বুলি যুক্তিৰে বিচাৰ-বিশ্লেষণ নকৰি অন্ধভাৱে মানি অহা এনেবোৰ আচাৰ-আচৰণ তথা বিশ্বাসকে অন্ধবিশ্বাস বা কু-সংস্কাৰ বোলে। তেনেস্থলত মানুহে কিয় এতিয়াও অজ্ঞানী বা অন্ধৰ দৰে আওপুৰণি কিছু মান পৰম্পৰা, লোকাচাৰ, লোককথা, কু-সংস্কাৰ আদি অন্ধবিশ্বাসবোৰক যুক্তিহীন বা ভিত্তিহীনভাৱে গ্ৰহণ কৰি আহিছে। ই এটা ডাঙৰ প্ৰশ্নৰূপে



বৰ্তমান সমাজত থিয় দিছে। এইবোৰৰ ফলতেই ডাইনী হত্যাৰ দৰে লোমহৰ্ষক কাহিনী বা ঘটনাও সংঘটিত হৈ আহিছে।

অন্ধবিশ্বাস, ভূত-প্ৰেত, ডাইনী বিশ্বাস এইবোৰ কু-সংস্কাৰ অৱশ্যে আজিৰ নহয়। এইবোৰৰ লগত কিছুমান ৰীতি-নীতি, আচাৰ-অনুষ্ঠান নিবিড়ভাৱে জড়িত হৈ থাকে।

আচাৰ-আচৰণ আৰু প্ৰাকৃতিক পৰিঘটনাৰ লগতো ভালেমান অন্ধবিশ্বাস জড়িত। যাত্ৰাকালত কোনোবাই হাঁচিয়ালে বা জেঠীয়ে টিক্ টিক্ কৰিলে যাত্ৰা ভংগ হোৱা বুলি ভবা, কোনো ৰোগ হ'লে চিকিৎসা নকৰি জৰা-ফুকা কৰা, সৌভাগ্য উদয়ৰ বাবে ৰত্নৰ আঙুঠি ধাৰণ কৰা, আলু বা কণী খাই পৰীক্ষাত বহিলে শূন্য পোৱা বুলি ভবাৰ নিচিনা কথাবোৰ অন্ধবিশ্বাসৰ বাহিৰে একো নহয়।

তেনেকৈ দেও-ভূত, ডাইনী-যখিনী আদিৰ বাস্তৱত কোনো অস্তিত্ব নাই, মানুহৰ মনতহে সেইবোৰৰ অস্তিত্ব আৰু সিবোৰৰ কাৰ্যবোৰো মানুহৰ জটিল মনৰ বিকাৰ বুলিহে মনোবিশ্লেষক সকলে ব্যক্তব্য দাঙি ধৰে। সেয়ে কোনো কোনোবা সংস্কৃতিৰ আচাৰ-আচৰণ তথা পৰম্পৰা ৰক্ষা কৰাৰ পোষকতা কৰে। সন্দেহ নাই ঐতিহ্য আৰু পৰম্পৰাই অপসংস্কৃতিক ৰোধ কৰি জাতীয় সংস্কৃতিক জীয়াই ৰাখে। কিন্তু বিচাৰ-বিশ্লেষণৰ অভাৱতে কু-সংস্কাৰ বা অন্ধবিশ্বাসৰ পৰা সমাজ মুক্ত হ'বই লাগিব। সেয়ে আমাৰ শাস্ত্ৰকাৰ সকলে কৈছে বোলে কুমাৰে জাৰি-জোকাৰি যেনেকৈ ধানৰ মাজৰ পৰা পতান বাহিৰ কৰা হয়, তেনেকৈ যুক্তিৰ কুলাৰে জাৰি-জোকাৰি কোনো বস্তুখিনি কিমানখিনি বৰ্জনীয় তাকে নিৰ্ণয় কৰিব লাগে। ঐতিহ্য আৰু পৰম্পৰাৰ মাজৰ পৰা অন্ধবিশ্বাস বা কু-সংস্কাৰ নিৰ্ণয় কৰাৰ বেলিকাতো এই নীতি প্ৰযোজ্য।**

## মহৎ লোকৰ বাণী

সংগ্ৰাহক- **হিমাশ্ৰী বৈশ্য**, পঞ্চম যান্মাসিক

* আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছোঁ, কিন্তু পৃথিৱীত ভাতৃৰ দৰে জীয়াই থাকিবলৈ শিকা নাই। — মাৰ্টিন লুথাৰ
* আনক দুখ দি নিজৰ সুখ কামনা কৰা লোকে কেতিয়াও শত্ৰুতা ভাবৰ পৰা মুক্তি লাভ কৰিব নোৱাৰে। — বুদ্ধদেৱ
* ঈশ্বৰে যি সকলক ঘিণ কৰে, যি সকলে নিজে নিজৰ প্ৰশংসা গায়। — বেণ্ট ক্লিমেণ্ট
* ঈশ্বৰক প্ৰাৰ্থনা কৰিবলৈ শিকা, সত্যইহে মানুহ মহৎ আৰু সম্ভ্ৰান্ত কৰে। — বাণীকান্ত কাকতি
* চৰিত্ৰ গঠন ছাত্ৰ জীৱনৰ প্ৰধান অংগ।। — আইনষ্টাইন
* ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা তোমাৰ শক্তিক। — মহাবীৰ



# জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শ আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰাসংগিকতা ঃ এক চমু অৱলোকন



মিতুমণি চেতিয়া
তৃতীয় যান্মাসিক



ভাৰতীয় সভ্যতা সংস্কৃতিত বৈদিক যুগৰ পৰাই গংগা, যমুনা, সিন্ধু, লুইত, কাবেৰী, গোদাবৰী আদি সহস্ৰ নদ-নদীৰ পাৰৰ মনোৰম আশ্ৰমৰ পৰাই সমগ্ৰ ভাৰতবৰ্ষত ঋষি-মুনিসকলে অহিংস প্ৰেমৰ মন্ত্ৰ বাণী প্ৰচাৰ কৰিছিল। ন্যায়নিষ্ঠ আমাৰ পূৰ্বৰ মহান ৰজা-মহাৰজা সকলেও প্ৰেম, কৰুণা, দয়া তথা অহিংসা মন্ত্ৰৰ বাণী শান্তি-সমৃদ্ধিৰ কাৰণে প্ৰজাবৰ্গৰ মাজত প্ৰচাৰ কৰিছিল। ভাৰতৰ সভ্যতা সংস্কৃতি আধ্যাত্মিক চিন্তা-চেতনাৰ প্ৰভাৱত ঐক্য আৰু সম্প্ৰীতিৰ ডোলেৰে বান্ধ খাই মহান হৈছে। ভাৰতীয় সংস্কৃতিত অহিংস নীতিয়েই মূলমন্ত্ৰ।

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীও এই পবিত্ৰ ভাৰতবৰ্ষৰে সুযোগ্য সন্তান। অহিংসাৰ মন্ত্ৰেৰে জগত জিনা গান্ধীজী আছিল ঐশ্বৰিক গুণসম্পন্ন আৰু অহিংসাৰ একান্ত পূজাৰী। তেওঁৰ আদৰ্শ আছিল অহিংসা। জাতি, ধৰ্ম, বৰ্ণ, উচ্চ-নীচ, সৰু-ডাঙৰ বুলি এই আদৰ্শত কোনো প্ৰভেদ নাই।

অনৈক্যৰ মাজত ঐক্য, বিভিন্নতাৰ মাজত একতা, বৈষম্যৰ মাজেৰে সৌম্য- য'ত সকলোৱে হিংসা, বিদ্বেষ, বিদ্ৰোহ, মান-অভিমান, উচ্চ-নীচ আদি সমস্ত কলুষিত ভেদ-ভাৱ ত্যাগ কৰি বিশ্ব ভাতৃত্ব প্ৰেমৰ মহান এনাজৰীৰে বান্ধ খাই সৌম্য, মৈত্ৰী, শান্তি, সহনশীলতা, সহাৱস্থান আদি মহান ভাৱেৰে ভাবিত হৈ

অহিংসা নীতিৰে সদায় মানৱ কল্যাণ  সাধনত ব্ৰতী হোৱা গান্ধীজীয়ে ভাৰতবৰ্ষৰ নৱজাগৰণৰ সূচনা কালত নৱ ভাৰত নিৰ্মাণৰ স্বপ্নৰে ঐতিহ্যপূৰ্ণ ভাৰতীয় সভ্যতা সংস্কৃতিৰ মহান আদৰ্শক পুনৰুজ্জীৱিত কৰি তোলাৰ বাবে অহিংস নীতিৰ জৰিয়তে মানৱ মুক্তিৰ সেঁতু নিৰ্মাণৰ মহান দায়িত্ব কান্ধ পাতি লৈছিল।

অহিংসা, দয়া, ক্ষমা, কৰুণাৰ পূৰ্ণাঙ্গ প্ৰতীক গান্ধীজীয়ে মানুহৰ হৃদয়ত সদিচ্ছা-সুবুদ্ধিৰ উন্মেষ ঘটাই সমাজখনক সৰ্বাংগসুন্দৰ কৰাই আছিল একমাত্ৰ মহান লক্ষ্য তথা উদ্দেশ্য। তেখেতৰ নীতি আৰু আদৰ্শ আছিল ধৰ্মশ্ৰয়ী আৰু উদাৰ পৰোপকাৰী। তেওঁৰ মতে, স্বধৰ্ম, স্বজাতি, স্বদেশ প্ৰেম কেতিয়াও ত্যাগ কৰা উচিত নহয়। নিজ ধৰ্মত থাকি সকলো ধৰ্মৰ প্ৰতি উদাৰ মনোভাৱ পোষণ কৰাই মানুহৰ মূল নীতি হোৱা উচিত। গান্ধীজীয়ে আকৌ কৈছে যে ধৰ্ম আৰু ভাষা হৈছে মানুহৰ ঐক্য আৰু সংহতিৰ মূল ভেঁটিস্বৰূপ।

স্বাৰ্থপৰতা, অন্যায়, অবিচাৰ, অনিয়ম, দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিৰ পৰা বহু দূৰত এখনি শোষণহীন ৰামৰাজ্য প্ৰতিষ্ঠাৰ সপোন দেখিছিল গান্ধীজীয়ে। সত্য, অহিংসা আৰু বিশ্বপ্ৰেমৰ প্ৰতীক গান্ধীজীৰ মূল আদৰ্শ হ'ল- মানৱ প্ৰেম, মানৱ সেৱা আৰু ঈশ্বৰ পৰায়ণতা। তেওঁ অস্পৃশ্য হৰিজন তথা পণ্ডিতসকলক উদ্ধাৰ কৰা আৰু মংগল সাধন কাৰ্যত আজীৱন ব্ৰতী হৈছিল। বিশ্বৰ শ্ৰেষ্ঠ মনীষী ৰূপে অভিহিত মহাত্মা গান্ধীজীৰ প্ৰতিটো কাম, প্ৰতিটো চিন্তা, প্ৰতিটো পদক্ষেপ সত্যৰ ওপৰত প্ৰতিষ্ঠিত আছিল।

গান্ধীজীক নাথুৰাম গড়ছে গুলীয়াই হত্যা কৰাৰ আজি প্ৰায় ৭৩ বছৰ পাৰ হৈ গ'ল। কিন্তু গান্ধীজীৰ আদৰ্শৰ প্ৰাসংগিকতা আজিও নুই কৰিব নোৱাৰি। মহাত্মাৰ অহিংস আদৰ্শ নীতিৰ প্ৰাসংগিকতা অনুভৱ কৰিয়েই ৰাষ্ট্ৰসংঘই তেখেতৰ ওপজা দিনটিক অৰ্থাৎ দুই অক্টোবৰক "অহিংসা দিৱস" ৰূপে পালন কৰি আহিছে।

বৰ্তমান সময়ৰ ভাৰতবৰ্ষৰ ৰাজনৈতিক প্ৰেক্ষাপটলৈ যদি আমি দৃষ্টি নিক্ষেপ কৰি বিশ্লেষণ কৰি চাওঁ তেতিয়াহ'লে দেখা পাওঁ যে বৰ্তমানৰ সময়ৰ ৰাজনীতি বিভাজনকামী ৰাজনীতি, ইয়াত সাম্প্ৰদায়িকতাবাদে অধিক গা কৰি উঠিছে। কোৱা বাহুল্য যে সাম্প্ৰদায়িকতাবাদী সকলে সদায় বিভাজনৰ আহিলা স্বৰূপে ধৰ্মক ব্যৱহাৰ কৰিছে। তেখেতে এবাৰ কথা প্ৰসংগত কৈছিল- "এজন হিন্দু লোক হিচাপে মই নিজকে এজন ভাল মুছলমান আৰু এজন খ্ৰীষ্টান হিচাপে বা পাৰ্ছী বুলি গণ্য কৰোঁ।"[১] তেওঁ সপোন দেখিছিল এনে এখন ভাৰতবৰ্ষৰ, য'ত হিন্দু-মুছলমানে ঐক্যবদ্ধ হৈ থাকিব। সকলো জাতি-ধৰ্মৰ লোকেই সমমৰ্যাদা লাভ কৰাটো তেওঁ মনে-প্ৰাণে কামনা কৰিছিল। তেওঁ কৈছিল- "হিন্দু আৰু মুছলমানৰ মাজত সম্প্ৰীতিৰ এক দৃঢ় বান্ধোন অবিহনে ভাৰতবৰ্ষৰ স্বৰাজ অসম্ভৱ হৈ ৰ'ব। ই কেৱল খন্তেকীয়া সপোন হ'লেই নহ'ব। এয়া হ'ব লাগিব- সমমৰ্যাদাৰ ওপৰত প্ৰতিষ্ঠিত বন্ধুত্ব, ইজনে-সিজনৰ ধৰ্মীয় বিশ্বাসক সন্মান জনাব লাগিব।"[১] (ইয়ং ইণ্ডিয়া, ৬ অক্টোবৰ, ১৯২০)

গান্ধীজীয়ে এটা কথা বাৰে সোঁৱৰাই দিছিল যে ধৰ্মক কেতিয়াও ৰাজনৈতিক উদ্দেশ্য পূৰণৰ স্বাৰ্থত ব্যৱহাৰ কৰিব নালাগে। কোনো ধৰ্মৰ লোকে পৰস্পৰে পৰস্পৰৰ প্ৰতি গোপনে গৰ্হিত ভাষাৰ প্ৰয়োগ বা ক্ষতি কৰাৰ চিন্তা কৰিব নালাগে। তেওঁ ধৰ্মৰ বাহ্যিক আড়ম্বৰতকৈ নৈতিক মূল্যবোধৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰিছিল। তেওঁৰ মতে,- "প্ৰকৃত ধৰ্মীয় শিক্ষাৰ মূল কথা হ'ল- সকলোৱে মানৱ সেৱা কৰিব লাগে, সকলোৰে লগত বন্ধুত্ব স্থাপন কৰিব লাগে। ধৰ্মই আমাক ইজনে সিজনৰ প্ৰতি বৈৰীভাৱ পোষণ কৰিবলৈ নিশিকায়। বন্ধুৰ লগত বন্ধুত্ব গঢ়ি তোলাটো সহজ, কিন্তু যিজনে তোমাক শত্ৰু বুলি গণ্য কৰে, তেওঁৰ লগত বন্ধুত্ব স্থাপন কৰাটোহে প্ৰকৃত ধৰ্মৰ কথা। বাকী সকলো ব্যৱসায়ৰ বাহিৰে একো নহয়।"[২] (হৰিজন, ১৯ মে', ১৯৪৭)

ভাৰতবৰ্ষৰ সৰ্বসাধাৰণ জনগণৰ ধৰ্মীয় বিশ্বাসক গান্ধীজীয়ে ভাৰতীয় জাতীয়তাবাদৰ সৈতে মিহলি কৰিবলৈ সক্ষম হৈছিল। ব্যক্তিগত ধৰ্মীয় বিশ্বাসক যথোপযুক্ত সন্মান প্ৰদান কৰিলেও বাপুৱে ভাৰতীয় জাতীয়তাবাদেই যে ভাৰতীয় নাগৰিকৰ প্ৰথম পৰিচয় হোৱা উচিত, সেয়া জনসাধাৰণক বাৰে বাৰে বুজাইছিল। তেওঁ কৈছিল,— "জাতীয়তাবাদ সাম্প্ৰদায়িক পৰিচয়তকৈ সদায়েই অধিক গুৰুত্বপূৰ্ণ; সেই দিশৰ পৰা চাব গ'লে আমি সকলোৱে প্ৰথমে ভাৰতীয়, তাৰ পিছতহে হিন্দু, মুছলমান, পাৰ্ছী বা খ্ৰীষ্টান।"[৩] (ইয়ং ইণ্ডিয়া, ফেব্ৰুৱাৰী, ১৯২০)

সাম্প্ৰতিক প্ৰেক্ষাপট অনুধাৱন কৰিলে দেখা যায় যে গান্ধীজীৰ সেই উদাৰ মনোভাৱাপন্ন অহিংস আদৰ্শ বৰ্তমান অতিশয় প্ৰাসংগিক হৈ পৰিছে। বৰ্তমানৰ ৰাজনৈতিক নেতাসকলে গান্ধীজীৰ জনকল্যাণমূলক তেনেবোৰ আদৰ্শ পালন কৰাটো জৰুৰী বুলি নাভাবে; কিন্তু গান্ধীজীক প্ৰতীক হিচাপে ব্যৱহাৰ কৰি শাসক বিৰোধী সকলোৱে নিজ স্বাৰ্থ পূৰণ কৰিবলৈ কুণ্ঠাবোধ নকৰে। গান্ধীজীৰ জীৱনৰ মূল বাণী- বন্ধুত্ববাদী জাতীয়তাবাদ, সাম্প্ৰদায়িক সম্প্ৰীতি, জাতীয় সংহতি আদি অধিকাংশ ৰাজনীতিকৰ বাবেই মূল্যহীন কথা। যেনে তেনে প্ৰকাৰে নিৰ্বাচনৰ আগত ডিঙিৰ সিৰ ফুলাই পাবত গজা নেতাই জনতাৰ আগত ভাষণ দি নিৰ্বাচনী বৈতৰণী পাৰ কৰিব পাৰিলেই ৰক্ষা। ক্ষমতা দখলেই যেন এতিয়াৰ ৰাজনৈতিক দলৰ প্ৰধান লক্ষ্য হৈ পৰিছে, গতিকে গান্ধীজীৰ আদৰ্শ আজি বিপদাপন্ন। চৰম ধৰ্মীয় অসহিষ্ণুতা আৰু সাম্প্ৰদায়িকতাবাদী ৰাজনৈতিক নেতা।

ভাৰতীয় গণতন্ত্ৰৰ সহনশীলতা আৰু একতাৰ কেইবা হাজাৰ বছৰীয়া গৌৰৱময় ঐতিহ্যক আৰু ইতিহাসক সুৰক্ষিত কৰি ৰাখিবলৈ হ'লে গান্ধীজীৰ আদৰ্শৰ প্ৰাসংগিকতা নিশ্চয়কৈ আছে। আজি গান্ধীজীৰ আদৰ্শ কেৱল নিৰ্বাচনী প্ৰচাৰৰ শ্লোগান হৈ থাকিলে নহ'ব, কামে-কাজেও যদি নেতাসকলে ভাৰতবৰ্ষক এখন ৰাম ৰাজ্য হিচাপে গঢ়ি তুলিব পাৰে তেতিয়াহে গান্ধীজীৰ আদৰ্শ সঁচা প্ৰতিফলিত হ'ব। যদিহে আজিৰ ভাৰতবৰ্ষৰ নেতাসকলে



গান্ধীজীৰ আদৰ্শৰ প্ৰাসংগিকতা সঠিকভাৱে উপলব্ধি নকৰে তেন্তে আমি এক অন্ধকাৰ ভৱিষ্যতৰ পিনে গতি কৰিম। **

তথ্য উৎস ঃ


১। ইণ্টাৰনেট
২। ইণ্টাৰনেট
৩। ইণ্টাৰনেট


## মহৎ লোকৰ বাণী

সংগ্ৰাহক- **ৰাকেশ ৰয়**, পঞ্চম যান্মাসিক

১। ভুল আঁতৰাই শিক্ষা প্ৰতিষ্ঠা কৰাটোৱে শিক্ষাৰ লক্ষ্য। — চক্ৰেটিছ।

২। যিজনে নিজকে জ্ঞানী বুলি ভাৱে তেওঁতকৈ মূৰ্খ লোক পৃথিৱীত দ্বিতীয়জন নাই। — ভল্টেয়াৰ।

৩। এখনি ভাল কিতাপ নষ্ট কৰা আৰু এজন মানুহক হত্যা কৰা একে কথা। — মিল্টন।

৪। জন্মৰ দ্বাৰা নহয়, কৰ্মৰ দ্বাৰা মানুহ মহান হয়। — মহাবীৰ।

৫। নিভাঁজ অসমীয়া ভাষাৰে কথা লিখিবা, নিভাঁজ অসমীয়া সাজ-পাৰ পিন্ধিবা। অনাহকতে বিদেশীক অনুকৰণ নকৰিবা। — লক্ষ্মীনাথ বেজবৰুৱা।

# অসমীয়া সমাজ ব্যৱস্থাত নাৰীৰ অস্তিত্ব



বনানী ৰয়
তৃতীয় ষান্মাসিক

অতীজৰে পৰা সমগ্ৰ অসম তথা ভাৰতবৰ্ষতে নাৰীক দেৱী বুলি গণ্য কৰি পদতলত পূজা-অৰ্চনা কৰি আহিছে। মা-দুৰ্গা, ধনৰ দেৱী লক্ষ্মী, বিদ্যাৰ দেৱী সৰস্বতীক ভাৰতত উচ্চ পদ মৰ্যাদাত অধিষ্ঠিত কৰি আহিছে। নাৰীয়ে ঘৰৰ সৰ্বেসৰ্বা। নাৰীয়ে এখন সুন্দৰ সমাজ নতুনকৈ গঢ়ি তুলিব পাৰে আৰু এখন সুন্দৰ সমাজ ধ্বংসৰ মুখলৈ ঠেলি দিবও পাৰে। নাৰীৰ অবিহনে পুৰুষ এজনে জীৱনৰ লক্ষ্যত কেতিয়াও উপনীত হ'ব নোৱাৰে। প্ৰতিটো খোজতে একোজন পুৰুষক নাৰীৰ সহায়, আশ্বাস আৰু আশীৰ্বাদৰ প্ৰয়োজন। এজনী পত্নীৰ সহায়ৰ অবিহনে পুৰুষজনে সুন্দৰ ঘৰ সজাৰ কথা ভাবিব নোৱাৰে। গতিকে সকলোৰে মূলতে নাৰী এগৰাকীৰ প্ৰয়োজন।

কিন্তু পৰম দুৰ্ভাগ্যৰ কথা যে সকলো ক্ষেত্ৰতে নাৰীৰ প্ৰয়োজন হোৱা স্বত্বেও নাৰীক একাংশ পুৰুষে সদায় নিজৰ প্ৰয়োজনীয় পণ্য বস্তু বুলিহে গণ্য কৰি আহিছে। বৰ্তমানৰ উপৰিও আমি বুৰঞ্জীৰ পাত লুটিয়ালে দেখিবলৈ পাওঁ পুৰুষবোৰে নাৰীক কিদৰে লাঞ্ছিত কৰিছিল। কিন্তু সেই নাৰীয়ে প্ৰতিটো মুহূৰ্ততে নিজৰ স্বামী, সমাজ তথা স্বদেশ প্ৰেমৰ বাবে আত্মবলিদান দি আহিছে। বুৰঞ্জীয়ে সেইসকল বীৰাংগণা নাৰীৰ প্ৰতিচ্ছবি আমাৰ আগত দাঙি ধৰে। ১৯৪২ চনত দেশৰ স্বাধীনতাৰ বাবে ১৬ বছৰীয়া গাঁওলীয়া এগৰাকী নাৰীৰ নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি পুলিচৰ গুলিত প্ৰাণ আহুতি দিছিল। এই গৰাকী মহান বীৰাঙ্গণা নাৰীৰ নাম আছিল কনকলতা। দেশ স্বাধীন কৰাৰ মানসেৰে কুমলীয়া বয়সতে গণ আন্দোলনত জঁপিয়াই পৰিছিল। ১৯৪২ চনত গহপুৰ থানাত ভাৰতৰ জাতীয় পতাকা প্ৰতিষ্ঠিত কৰিবলৈ যাওঁতে পুলিচৰ গুলিত প্ৰাণ বিসৰ্জন দিছিল। স্বাধীনতা আন্দোলনলৈ অনবদ্য অৱদান আগবঢ়াই কনকলতাই নিজৰ নাম সোণালী আখৰেৰে বুৰঞ্জীৰ পাতত চিৰদিনৰ বাবে লিখি থৈ গৈছে।

আহোমৰ ৰাজত্বকালত স্বামীৰ প্ৰাণ বচাবলৈ নিজৰ প্ৰাণ আহুতি দিয়া আন এগৰাকী বীৰাংগণা নাৰীৰ নাম হ'ল সতী জয়মতী। জয়মতী স্বামী ভক্তি পৰায়ণা আছিল। ৰজাৰ সৈন্যই গদাপাণিক বিচাৰি নেপাই পত্নী জয়মতীক ৰজাৰ ওচৰলৈ লৈ আনে। ল'ৰাৰজাই অনেক প্ৰচেষ্টা কৰিও জয়মতীৰ মুখৰ পৰা গদাপাণিৰ সম্ভেদ পাব নোৱাৰিলে। শেষত স্বামীৰ জীৱন ৰক্ষাৰ্থে অশেষ কষ্ট কৰি নিজৰ প্ৰাণ বিসৰ্জন দিছিল। মূলাগাভৰুও এনে এগৰাকী বীৰাংগণা নাৰী আছিল যিয়ে নিজৰ স্বামীৰ হত্যাৰ প্ৰতিশোধ লৈছিল নিজে হত্যাকাৰীৰ কবলৰ পৰা ৰাজ্য উদ্ধাৰ কৰিছিল; কিন্তু নিজৰ প্ৰাণ আহুতি দি। বৰ্তমান সমাজতো নাৰীক অসন্মান কৰা হয়, তাৰ জ্বলন্ত উদাহৰণ বৰপেটাৰ কীৰ্ত্তন ঘৰ। কীৰ্ত্তন ঘৰলৈ বিভিন্ন ঠাইৰ অসংখ্য মানুহৰ সমাগম হয়। কীৰ্ত্তন ঘৰলৈ সকলো মানুহকে সোমাবলৈ দিয়া হয়; কিন্তু নাৰী সকলক ভিতৰলৈ সোমাবলৈ নিদিয়ে যিয়ে বৰ্তমানো নাৰীৰ বিৰুদ্ধে কৰা অসন্মানৰ প্ৰতিচ্ছবি দাঙি ধৰে। নাৰীসকলে জানো এইকণ সন্মানৰো পাত্ৰ নহয়। কিয় ?

বৰ্তমান সমাজত নাৰীৰ ধৰ্ষণ, যৌতুকৰ বাবে নাৰীৰ হত্যা, কিছুমান অধিকাৰৰ পৰা নাৰীক বঞ্চিতা কৰা হয়। এতিয়া গোটেই ভাৰততে যৌতুক নাৰীসকলৰ বাবে জ্বলন্ত সমস্যা ৰূপে দেখা দিছে। ১৯৪২ চনত মৃত্যুবৰণ কৰা কনকলতাৰ জন্মস্থান উত্তৰ কামৰূপত ১৯৮৩ চনত সুৰক্ষাৰ দায়িত্বত থকা সামৰিক লোকে নাৰীসকলৰ ওপৰত ঘৃণনীয় অত্যাচাৰ চলায়। গাত অকণো দোষ নথকা নাৰীসকলকহে সমাজে ঘৃণাৰ দৃষ্টিৰে চায়। বৰ্তমানো বহুতো দুৰ্ভগীয়া নাৰীয়ে সুৰক্ষা বাহিনীৰ হাতত সৰ্বোচ্চ হেৰুৱাই এমুঠি ভাতৰ বাবে হাহাকাৰ কৰিবলগা হৈছে। আজিও অসমৰ সমাজ ব্যৱস্থাত পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক সমান চকুৰে নাচায়। কিছুমান এনে লোক আছে যিয়ে বুঢ়া বয়সত ল'ৰাসকলেহে সহায়ৰ লাখুটি হৈ ভৰণ-পোষণ দিব বুলি ভাবে। বহুতো মাক-দেউতাকে নিজৰ ল'ৰাৰ দোষ পৰৰ ছোৱালী বুলি ভাবি বোৱাৰীয়েকৰ গাত জাপি দি শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলায়। আনকি কিছুমান পুৰুষে আজিও পত্নীক সন্তান জন্ম দিব পৰা যন্ত্ৰ বুলিহে গণ্য কৰে।

উক্ত কথাবোৰৰ পৰা আমি গম পাওঁ নাৰীৰ স্থান সমাজ ব্যৱস্থাত কেনেকুৱা। বৰ্তমান সমাজতো নাৰী লাঞ্ছিতা, শোষিতা। এতিয়া এইসকল পুৰুষ তথা প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে মাত মতা সময় আহি পৰিছে। **

## মহৎ লোকৰ বাণী

সংগ্ৰাহক- **হীৰকজ্যোতি শৰ্মা**, পঞ্চম ষান্মাসিক

* শিক্ষাই হৈছে মূল উপায়, যিয়ে মানুহৰ জীৱনলৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনিব পাৰে। — এৰিষ্টটল।

* শিক্ষাৰ ক্ষেত্ৰত পাঠ্যপুথিৰ জ্ঞানতকৈ বাস্তৱ অভিজ্ঞতাৰে অৰ্জন কৰা জ্ঞান বেছি মূল্যৱান। — জে. এইচ. ব্ৰিকলি।

* আজিৰ কাম কাইলৈ কৰিম বুলি পেলাই নথ'বা, কাইলৈ তোমাৰ অৱস্থা কি হ'ব তুমি নাজানা। — হজৰত মহম্মদ

* তুমি নিজে যেনেকৈ আনৰ পৰা ভাল ব্যৱহাৰ আশা কৰা, আনকো তেনে ব্যৱহাৰ কৰিবা। — কনফুচিয়াচ

* জীৱনৰ পবিত্ৰতাই হৈছে সকলোতকৈ সঁচা আৰু সকলোতকৈ উচ্চ কলা। — মহাত্মা গান্ধী

* ভালক ভাল বুলি ক'ব পৰা ক্ষমতাই হৈছে এটা ভাল-সংস্কৃতি। — ভবেন্দ্ৰ নাথ শইকীয়া



# নাৰী আৰু বিশ্বায়ন




ৰিমি পৰাশৰ
দ্বিতীয় ষান্মাসিক


বৰ্তমান নাৰীৰ সমাজখনত কেনেধৰণৰ স্থান বা আগতে কেনেকুৱা আছিল সেয়া আমি জনাতো উচিত। প্ৰাচীন কালত নাৰীসকলৰ সমাজত স্থান নিম্ন খাপৰ আছিল। অৰ্থাৎ নাৰীসকলক আগতে শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত কৰা হৈছিল। তেওঁলোকে পুৰুষৰ সমানে অগ্ৰাধিকাৰ পোৱা নাছিল। নাৰীসকলে ঘৰৰ কাম-কাজবোৰতহে অংশ লৈছিল। নাৰীসকলৰ বিৰুদ্ধে সমাজত বহুতো অন্ধবিশ্বাসৰ সৃষ্টিও হয়। নাৰীসকলৰ কিছুমানক ডাইনী সজাই তেওঁৰ ওপৰত বহুতো অত্যাচাৰ চলোৱা হয় বা কেতিয়াবা সেই নাৰীক সমাজৰ মানুহে হত্যাও কৰে। এতিয়াও কিছুমান ঠাইত কোনো এজনী তিৰোতাক ডাইনী সজাই তেওঁৰ ওপৰত বহুতো নিৰ্যাতন চলোৱা হয়। এই অন্ধবিশ্বাস, কুসংস্কাৰসমূহ সমাজৰ পৰা শিক্ষিত তথা জ্ঞানী লোকে আঁতৰালে আমাৰ সমাজখনত এটা সুস্থ পৰিবেশৰ সৃষ্টি হ'ব। সমাজখনৰ এজন মানুহে অন্ধবিশ্বাস, কুসংস্কাৰ আঁতৰোৱাৰ চেষ্টা কৰিলে তেতিয়া সমাজখনৰ প্ৰত্যেকজন ব্যক্তিয়ে সংস্কাৰী হ'ব। নাৰীক সমাজত পুৰুষৰ সমানে স্থান দিয়াৰ কাৰণে বহুতো নাৰীয়ে ইয়াৰ বিৰুদ্ধে যুঁজ দিছিল। আগতে বাল্য বিবাহ অৰ্থাৎ ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ বিবাহ সম্পন্ন হৈছিল।

কিন্তু বৰ্তমান সময়ত সমাজত নাৰীৰ স্থান পুৰুষৰ সমানে অগ্ৰাধিকাৰ পাইছে। নাৰীসকল বৰ্তমান খুবেই শিক্ষিত তথা জ্ঞানী হৈছে, যাৰ ফলত পুৰুষৰ সমানে অগ্ৰাধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমানৰ যুগটো হৈছে বিশ্বায়নৰ যুগ। বিশ্বায়ন বা গোলকীকৰণৰ ফলস্বৰূপে আমাৰ পৃথিৱীখন এখন গাঁওত পৰিণত হৈছে। আমি গোটেই বিশ্ব ম'বাইলতে অতি কম সময়ৰ ভিতৰতে দৰ্শন কৰিব পাৰোঁ। ম'বাইলৰ সহায়ত বহুতো কথা অতি কম সময়ৰ ভিতৰতে লাভ কৰিব পাৰোঁ।

বিশ্বায়নৰ প্ৰভাৱত আমাৰ সমাজত নাৰীৰ বহুতো উপকাৰ হৈছে। ইয়াৰ ফলত নাৰীসকলে বিভিন্ন দেশৰ খবৰ, পৰিবেশ, ৰীতি-নীতিসমূহ জানি নাৰীসকল শিক্ষিত হৈ সমাজখনক আগুৱাই লৈ যাবলৈ সক্ষম হৈছে। প্ৰাচীন কালৰ ৰীতি-নীতি, অন্ধবিশ্বাস, কুসংস্কাৰসমূহ সংস্কাৰ কৰি সমাজক আগুৱাই লৈ যাবলৈ সক্ষম হৈছে।

বিশ্বায়নৰ ফলস্বৰূপে নাৰীৰ ওপৰত কুপ্ৰভাৱ নপৰা নহয়। নাৰীসকলে বিভিন্ন ধৰণৰ ফটো আপলোড্ দি সময় নষ্ট কৰিছে। বিভিন্ন বেয়া ধৰণৰ ফটো আপলোড্ দিও নাৰীসকলৰ সন্মান হানি কৰিছে।

গতিকে নাৰীৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ অপৰিসীম। **

মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত প্ৰবন্ধ প্ৰতিযোগিতাৰ পৰা সংগৃহীত



# নাৰী আৰু বিশ্বায়ন




প্ৰকাশ বৰ্মণ
ষষ্ঠ ষান্মাসিক


"।। জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী।।"

বিশ্বায়নৰ সময়ছোৱাত এই বিশ্বৰ পটভূমিত অতীতৰ সময়তকৈ বৰ্তমান সময়ত নাৰীৰ ভূমিকা বিশেষভাৱে সমাদৃত হোৱা দেখা যায়।

আধুনিক প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ লগে লগে নাৰী শক্তিৰ জনপ্ৰিয়তা বহুগুণেই বৃদ্ধি পাইছে। ৰাজনীতিৰ পটভূমিতো নাৰীৰ আগস্থান দেখা যায়। বৰ্তমান সময়ছোৱাত পুৰুষতকৈ নাৰীৰ সাক্ষৰতাৰ হাৰ বহুগুণেই বেছি। বৰ্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখিলে দেখা যায় জগতত নাৰীয়েই ৰাজত্ব কৰি সমাজক বিশ্বৰ দৰবাৰলৈ নিব পাৰে। এনেকুৱা বহুতো উদাহৰণ আমাৰ দৃষ্টিগোচৰ হয়। দেখা যায় যে নাৰী সমাজ এই বিশ্বায়নৰ সময়ছোৱাত কেৱল শিক্ষাৰ ক্ষেত্ৰতেই নহয়, হস্তশিল্প, বয়নশিল্প আদিকে ধৰি আধুনিক প্ৰযুক্তি বিদ্যাৰ গতিত খোজ মিলাই নিজক সমাজত গঢ়ি তুলিছে।

ইতিহাসলৈ ভুমুকি মাৰিলে দেখা যায় যে ৰাণী লক্ষ্মীবাই, মূলাগাভৰুকে ধৰি সমাজত ভালেমান মহীয়সীৰ জন্ম হৈছিল। কিন্তু বাকী তৃতীয়াংশ নাৰীয়েই বস্ত্ৰ আৰু কুসংস্কাৰৰ আভৰণত লুকাই থাকিবলগীয়া হৈছিল।

কিন্তু বৰ্তমান দেখা যায় যায় যে আৰু সেই সময় নাই। নাৰী এতিয়া সমাজৰ আয়ুসত পৰিণত হৈছে। এই বিশ্বায়নৰ সময়ত নাৰীয়ে নিজকে সমাজত প্ৰতিষ্ঠিত কৰিব পাৰিছে।

নাৰীয়েই এতিয়া সমস্ত ৰক্ষা কৰিছে। মই অন্য ৰাজ্যলৈ নাযাওঁ আমাৰ অসমতেই এই বিশ্বায়নৰ সময়ত নাৰীৰ অগ্ৰণী ভূমিকাৰ কথা কওঁ। অসমীয়া নাৰীৰ হাতৰ পৰশত নৱৰূপ পাই ৰঙচুৱা হৈ উঠা গামোচাই এতিয়া বিশ্ব দৰবাৰত স্থান লাভ কৰি প্ৰশংসা লাভ কৰিছে। অসমৰ জীয়ৰীৰ কণ্ঠই বিশ্ব দৰবাৰত সংগীতৰ স্বৰগম তুলি ধন্য হৈ প্ৰভূতভাৱে সমাদৃত হৈছে। এই দেশৰ নাৰীৰ লয়লাস ভঙ্গীমাই বিদেশী পৰ্যটককো আপ্লুত কৰিছে।

মুঠৰ ওপৰত নাৰীৰ অগ্ৰগতিত বিশ্বায়নৰ ভূমিকা অপ্ৰতিহত। নাৰী বুলিলে কেৱল চাৰিবেৰৰ ভিতৰত আবদ্ধ হৈ থকা এগৰাকী ৰান্ধনি নহয়, এই বিশ্বায়নৰ সময়ত নাৰী এক অনবদ্য শক্তিত ৰূপান্তৰেদি ৰূপ পাই সুৰৰ ঝংকাৰ তুলিলে।

বৰ্তমান দেখা যায় নাৰীয়ে নানা ধৰণে কৰ্ম কৰি নিজকে স্বাৱলম্বী কৰি তুলিলে। নাৰীক সেয়েহে সকলোৱে সন্মান কৰা উচিত। নাৰী শক্তিক উপলব্ধি কৰা উচিত। যাৰ হাতৰ শুভ্ৰ পৰশত ৰঞ্জিত হৈ গঢ়ি উঠিছে এই বিশাল জনসমূদ্ৰ।

শেষত—

"ওম্ সৰ্বমঙ্গলমঙ্গল্যে শিৱে সৰ্বাৰ্থ সাধিকে
চৰমৈয়ী, এস্বকে গৌৰি নাৰায়ণী নমস্ত্ততে।।" **



মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত প্ৰবন্ধ প্ৰতিযোগিতাৰ পৰা সংগৃহীত

# পৃথিৱীৰ প্ৰতি এক ভাবুকি ঃ গোলকীয় উত্তাপন (Global Warming)



বৰষা শৰ্মা
পঞ্চম ষান্মাসিক

সৌৰমণ্ডলৰ তৃতীয়টি গ্ৰহ পৃথিৱী যাক নীলা গ্ৰহ বুলি কোৱা হয়, ই জীৱৰ জীৱন-ধাৰণ তথা বসতিৰ বাবে উপযুক্ত একমাত্ৰ ঠিকনা। উৎপত্তিৰ বহু হাজাৰ বছৰৰ পিছৰ পৰা বিভিন্ন অৱস্থা অতিক্ৰমৰ মাজেদি পৃথিৱীয়ে আজিৰ ৰূপ পাইছে যি জীৱনৰ উৎপত্তি তথা বিকাশৰ বাবে অনুকূল। মানুহৰ পূৰ্বে তথা সমান্তৰালভাৱে পৃথিৱীত আন বহু প্ৰাণী তথা উদ্ভিদৰ উৎপত্তি দেখা গ'ল। পৃথিৱীৰ বয়স আগবঢ়াৰ লগে লগে হ'ম'চেপিয়েনছ নামৰ প্ৰজাতিটোৰ বুদ্ধি-বৃত্তিৰ ক্ৰমাৎ উন্নীতকৰণে পৃথিৱীক এক অনন্য মাত্ৰাত গতি প্ৰদান কৰিলে যি আজিৰ পৃথিৱীত এক বিশেষণেৰে নিজক অভিহিত কৰিলে "জীৱশ্ৰেষ্ঠ"! মানুহে নিজৰ বুদ্ধিৰ প্ৰয়োগৰ দ্বাৰা নিজস্ব জীৱন-ধাৰণৰ প্ৰণালী সহজ তথা আৰামদায়ক কৰাৰ বিপৰীতে জ্ঞাতে-অজ্ঞাতে পৃথিৱীৰ অন্যান্য প্ৰাণী তথা উদ্ভিদলৈ জীৱনৰ ভাবুকি নামি আহিল। বহু জীৱৰ বিলুপ্তিৰ সমান্তৰালকৈ চিন্তাশক্তিপ্ৰাপ্ত একমাত্ৰ প্ৰাণীবিধৰ চকুত ধৰা পৰিল এক গুৰুতৰ ভয়াবহ সমস্যা- গোলকীয় উত্তাপন যাৰ বাবে দায়ী একমাত্ৰ 'মানুহ'। গোলকীয় উষ্ণতাই গ্ৰহটোৰ স্থিৰ উষ্ণতাৰ হ্ৰাস-বৃদ্ধিক বুজায়। প্ৰযুক্তি বিদ্যাৰ বিকাশ তথা প্ৰয়োগৰ অতিমাত্ৰাৰ ফলত পৃথিৱীৰ উপৰিভাগৰ উত্তাপো ক্ৰমাৎ বৃদ্ধি পাই গৈ আছে। গোলকীয় উত্তাপনৰ মূল কাৰক বুলিলে মূলতঃ কাৰ্বন-ডাই-অক্সাইড ($CO_2$), মিথেন ($CH_4$), নাইট্ৰাছ অক্সাইড ($N_2O$) আদি সেউজগৃহ গেছক বুজা যায়। জীৱাশ্ম ইন্ধনৰ দহনৰ ফলত সৃষ্ট হাইড্ৰ'কাৰ্বনবোৰে সেউজগৃহ গেছ মুকলি কৰি, তাৰ জৰিয়তে উপৰিভাগক গৰম কৰে। এই গ্ৰীণ হাউচ গেছবোৰে গোলকীয় উত্তাপ বৃদ্ধিৰ লগে লগে বায়ুমণ্ডলত থকা অ'জন ($O_3$) স্তৰৰো বৃহৎ ক্ষতিসাধন কৰি আহিছে যিয়ে অনাগত দিনবোৰলৈ এক অন্য ভাবুকি কঢ়িয়াই আনিব।



ৰাষ্ট্ৰীয় মহাসাগৰীয় আৰু বায়ুমণ্ডলীয় প্ৰশাসনৰ তথ্য অনুসৰি ১৯৮০ আৰু ১৯৮০ চনৰ ভিতৰত, বিশ্বব্যাপী বাৰ্ষিক তাপমাত্ৰাৰ প্ৰতি দশকত গড় হিচাপত ০.১৩ ডিগ্ৰী ফাৰেণহাইট হাৰত বৃদ্ধি হৈছিল। ১৯৮১ চনৰ পৰা, বৃদ্ধিৰ হাৰ প্ৰতি দশকত ০.৩২ ডিগ্ৰী ফাৰেণহাইট পৰ্যন্ত বৃদ্ধি পাইছে। ইয়াৰ ফলত প্ৰাক্-ঔদ্যোগিক যুগৰ তুলনাত আজি বিশ্বব্যাপী গড় উষ্ণতা সামগ্ৰিকভাৱে ৩.৬ ডিগ্ৰী ফাৰেণহাইটলৈ বৰ্ধমান হৈছে। ২০১৯ চনত, ভূমি আৰু মহাসাগৰৰ ওপৰত গড় গোলকীয় তাপমাত্ৰা বিংশ শতিকাৰ গড়তকৈ ১.৭৫ ডিগ্ৰী ফাৰেণহাইট অধিক আছিল। ই ২০১৬ চনৰ পিছতে দ্বিতীয় গৰম বছৰ আছিল।

COVID- 19 ৰ সময়ছোৱাত, য'ত জন-জীৱনৰ গতি একপ্ৰকাৰ স্তব্ধ হৈ পৰিছিল, সেই বছৰ দুটাতো ২০২০ চনৰ ছেপ্টেম্বৰ মাহটোক আটাইতকৈ গৰম ছেপ্টেম্বৰ মাহ আৰু ২০২১ চন অৰ্থাৎ চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহটো পঞ্চমতম উত্তপ্ত ছেপ্টেম্বৰ মাহ হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে ১৯১২ চনৰ ছেপ্টেম্বৰ মাহটো আটাইতকৈ শীতল ছেপ্টেম্বৰ মাহ হিচাপে বিবেচনা কৰা হৈছে। জন-জীৱনৰ অসজাগতা তথা অদূৰদৰ্শিতাৰ লগতে যন্ত্ৰৰূপ জীৱনৰ দৌৰাত্মই গোটেই পৃথিৱীক ক্ৰমান্বয়ে যে এক অন্ধকাৰ তথা ভয়ংকৰ ভৱিষ্যতৰ দিশে ঠেলি লৈ গৈ আছে সেইটো ধ্ৰুৰূপ। সচেতন মহলৰ এইক্ষেত্ৰত পৰ্যাপ্ত কৰণীয়ৰ লগতে উঠি অহা প্ৰজন্মকো এনে এটা গুৰুতৰ বিষয়ৰ সৈতে পৰিচয় আৰু শিক্ষা দিয়াৰ অতি প্ৰয়োজন যাতে সময় অসময় হোৱাৰ পূৰ্বেই উপযুক্ত ব্যৱস্থা লৈ এনে এটা ভয়ানক বিপদৰ পৰা জীৱকুলক বচাব পাৰি। **

(ছাঁ লৈ)

## কুইজ

সংগ্ৰাহক- **হিয়াস্মিতা দাস,** পঞ্চম ষান্মাসিক

১। বিশ্বৰ আটাইতকৈ বেছি লুণীয়া পানীৰ সাগৰ কোনখন?

— মৃত সাগৰ।

২। বগা মানুহৰ কবৰ বুলি কাক কোৱা হয়?

— গিনি কোৰ্ট।

৩। ইংলেণ্ডৰ 'মেগ্নাকাৰ্ট'ত কোন ৰজাই চহী কৰিছিল?

— ৰজা জনে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰথম ৰাষ্ট্ৰপতি কোন আছিল?

— জৰ্জ ৱাশ্বিংটন।

৫। কোন দেশত লিখিত সংবিধান নাই?

— ইংলেণ্ডত।

৬। ইণ্টাৰনেশ্বনেল ৰেড ক্ৰছ সংস্থাৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?

—জেনেভাত।

৭। বগা হাতীৰ দেশ বুলি কোনখন দেশক বুজোৱা হয়?

— থাইলেণ্ডক।

৮। ফৰাচী বিপ্লৱৰ জন্মদাতা কোন?

— ৰুচো।

# জৱাহৰলাল নেহৰু




বৰষা খাটনিয়াৰ
তৃতীয় যান্মাসিক


নেহৰু পৰিয়ালৰ পূৰ্বপুৰুষসকল কাশ্মীৰৰ লোক আছিল। তেওঁলোক জাতত ব্ৰাহ্মণ আছিল। কাশ্মীৰৰ পৰা নেহৰু পৰিয়ালটো প্ৰথমে দিল্লীলৈ আহিছিল। দিল্লীত কিছুকাল থকাৰ পিছত আগ্ৰালৈ গুচি আহিল। পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৮৮৯ চনৰ ১৪ নৱেম্বৰত উত্তৰ প্ৰদেশৰ এলাহাবাদত জন্ম গ্ৰহণ কৰিছিল।

দেউতাকে জৱাহৰলাল নেহৰুক হিন্দী আৰু সংস্কৃত ভাষা শিকাবৰ কাৰণে কেইবাজনো পণ্ডিত নিয়োগ কৰিছিল। ইংৰাজ চাহাবৰ ল'ৰাৰ দৰে ডাঙৰ হ'বলৈ ধৰা জৱাহৰলালক শিক্ষা দিয়াত গুণী-জ্ঞানী পণ্ডিতসকল সমৰ্থ হৈছিল। উপযুক্ত বয়সত দেউতাকে নেহৰুক চেইণ্ট মেৰীজ কনভেণ্ট স্কুলত নামভৰ্তি কৰি পঢ়িবলৈ দিছিল। ছমাহ পঢ়াৰ পিছত শিক্ষা ব্যৱস্থা ভাল নোপোৱাত সেই স্কুলৰ পৰা নেহৰুক উলিয়াই লৈ আহিল।

এইবাৰ ঘৰতে ইংৰাজী শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে। এজন ইংৰাজ লোকক শিক্ষক হিচাপে নিযুক্তি দিলে। শিক্ষকজনৰ নাম আছিল ফাৰ্ডিনাদ ব্ৰুকচ। এইজন শিক্ষকৰ অধীনত ইংৰাজী শিক্ষা লাভ কৰি জৱাহৰলালে উপন্যাস, ধৰ্ম, বিজ্ঞান, কল্পকাহিনী আদিৰ কিতাপ পঢ়িব পৰা হৈছিল। নেহৰুৱে লণ্ডনত বিখ্যাত 'হ্যেৰ' নামে ঠাই এখনৰ স্কুলত নামভৰ্তি কৰিছিল। সেই স্কুলত ১৫ বছৰৰ কম বয়সৰ ল'ৰা-ছোৱালীকহে নাম লগাবলৈ দিছিল। ভাগ্যক্ৰমেহে তাত জৱাহৰলালৰ নাম লগাব পাৰিছিল।

লণ্ডন এৰি অহাৰ সময়ত জৱাহৰলালে দেউতাকক বাৰে বাৰে চিঠি লিখিবলৈ অনুৰোধ কৰিছিল। মতিলাল নেহৰুৱে পুত্ৰ জৱাহৰলাললৈ দিয়া চিঠিবোৰত 'অতি প্ৰিয় সম্পদ' বুলি আৰম্ভণি কৰিছিল।

১৯০৬ চনত নেহৰুৱে স্কুলৰ বাৰ্ষিক খেল-ধেমালি প্ৰতিযোগিতাত আধা মাইল দৌৰত তৃতীয় স্থান লাভ কৰিছিল আৰু শ্ৰেণীত প্ৰথম হৈ প্ৰমোচন পোৱাৰ বাবে পুৰস্কৃত





হৈছিল। তাৰ কিছুদিন পিছত ১৯০৭ চনৰ অক্টোবৰত জৱাহৰলালে কেমব্ৰীজ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বিখ্যাত ট্ৰিনিটি কলেজৰ পৰা প্ৰাকৃতিক বিজ্ঞান বিষয়ত সন্মানসহ দ্বিতীয় শ্ৰেণীৰ স্নাতক ডিগ্ৰী লাভ কৰিছিল। দিল্লীৰ সম্ভ্ৰান্ত ঘৰৰ যুৱতী কমলা কৌলক জৱাহৰলালৰ বাবে বিয়াৰ প্ৰস্তাৱ দিছিল। সেইমতে বিবাহৰ প্ৰস্তাৱ গ্ৰহণ কৰি ১৯১৬ চনৰ বাসন্তী পঞ্চমীৰ দিনা নেহৰুৰ লগত কমলা কৌলৰ বিবাহ কাৰ্য সম্পন্ন হৈছিল।

ভাৰতীয় জনসাধাৰণৰ অসীম ত্যাগ আৰু আন্দোলনৰ ফলত ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা পৰাধীনতাৰ শৃংখল চিঙি স্বাধীন ভাৰতৰ মুক্ত আকাশত সূৰ্য উদয় হৈছিল।

জৱাহৰলাল নেহৰুৱে ১৯৪৭ চনৰ পৰা ১৯৬৪ চনলৈকে ১৭ বছৰ কাল ভাৰতৰ প্ৰধান মন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। ইমান দীঘলীয়া সময় এখন বিশাল দেশত প্ৰধান মন্ত্ৰীৰ দৰে গধুৰ দায়িত্ব পালন কৰি যোৱাটো উল্লেখনীয়।

১৯৬৪ চনৰ ২৭ মে'ৰ দিনা পুৱা শুই উঠি নিজকে অতি দুৰ্বল অনুভৱ কৰিলে। তথাপি পঢ়াৰ চেষ্টা কৰিলে কিন্তু পঢ়িব নোৱাৰিলে। চকু মুদ খাই যোৱাত বিছনাত বাগৰ দিলে। তাৰ পিছত আৰু উঠিব নোৱাৰিলে। জৱাহৰলাল অসুস্থ হৈ পৰা বুলি জানিব পাৰি ডাক্তৰ আহি যৎপৰোনাস্তি চেষ্টা কৰিলে। অৱশেষত সকলোৰে চেষ্টা বিফল কৰি দিনৰ ২ বজাত নেহৰুৱে ইহলীলা সম্বৰণ কৰিলে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। **

## কুইজ


সংগ্ৰাহক- **চয়নিকা খাটনিয়াৰ**, পঞ্চম যান্মাসিক


১। বিশ্বৰ বৃহত্তম সাগৰখনৰ নাম কি?

— দক্ষিণ চীন সাগৰ

২। সাহিত্যত ন'বেল বঁটা পোৱা প্ৰথম 'এছিয়ান' গৰাকী কোন আছিল?

— ৰবীন্দ্ৰ নাথ ঠাকুৰ

৩। ভাৰতৰ সবাতোকৈ সৰু ৰাজ্যখনৰ নাম কি?

— লাক্ষাদ্বীপ

৪। ভাৰতৰ প্ৰথম মহিলা আই.পি.এছ. গৰাকী কোন?

— কিৰণ বেদী

৫। অসমীয়া গদ্য সাহিত্যৰ জনক কোন?

— ভট্টদেৱ

৬। পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে এপাক প্ৰদক্ষিণ কৰিবলৈ কিমান দিন লাগে।

— ৩৬৫ দিন

৭। পৃথিৱীৰ আনুমানিক কিমান বছৰ?

— প্ৰায় ৪৫০ কোটি বছৰ

৮। আমাৰ পৃথিৱীত বছৰৰ আটাইতকৈ দীঘল দিন আৰু চুটি দিন দুটা কি কি?

— দীঘল দিনটো ২১ জুন আৰু চুটি দিনটো ২২ ডিচেম্বৰ

# ড° এ.পি.জে. আব্দুল কালাম





অংকিতা দাস
তৃতীয় ষাণ্মাসিক

'মিছাইল মানৱ' হিচাপে খ্যাত ড° এ.পি.জে. আব্দুল কালামৰ জন্ম হৈছিল ১৯৩১ চনৰ ১৫ অক্টোবৰত দক্ষিণ ভাৰতৰ তামিলনাডু ৰাজ্যৰ অন্তৰ্গত ৰামেশ্বৰমত। তেওঁৰ সম্পূৰ্ণ নাম আছিল আবুল পকিৰ জয়নুলাব্দিন আব্দুল কালাম। তেওঁৰ পিতৃৰ নাম আছিল জয়নুল আবেদিন। তেওঁৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল। তেওঁৰ মাতৃৰ নাম আছিল আছিয়াম্মা। তেওঁৰ মাতৃ এগৰাকী আদৰ্শ গৃহিণী আছিল। ড° আব্দুল কালামে ৰামেশ্বৰমতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। স্কুলীয়া শিক্ষা গ্ৰহণ কৰাৰ পিছত তেওঁ বাতৰি কাকতৰ হকাৰ হিচাপে ধন উপাৰ্জন কৰি পৰিয়ালটোক সহায় কৰিছিল। তেওঁলোক মধ্য শ্ৰেণীৰ মানুহ আছিল। তাৰ পাছত তেওঁ ৰামনাৰ্থ পুৰম স্কোৱাজেদ মেট্ৰিকুলেচন স্কুলত অধ্যয়ন কৰাৰ পিছত তিৰুছিৰাপল্লীৰ ছেইণ্ট যোছেফ কলেজত পঢ়িছিল। ১৯৫৪ চনত তেওঁ পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী গ্ৰহণ কৰিছিল। ১৯৫৫ চনত তেওঁ এৰ'স্পেছ ইঞ্জিনীয়াৰিং পঢ়িবলৈ মাদ্ৰাছলৈ গৈছিল। ১৯৬০ চনত মাদ্ৰাছ ইনষ্টিটিউত অব্ টেকনোল'জীৰ পৰা ডিগ্ৰী গ্ৰহণ কৰিছিল। ১৯৬০ চনত তেওঁ প্ৰতিৰক্ষা আৰু গৱেষণা সংস্থা (ডি.আৰ.ডি.অ)ত বিজ্ঞানী হিচাপে চাকৰিত যোগদান কৰে। ১৯৮০ চনত ভাৰতে নিজা প্ৰযুক্তিৰে নিৰ্মাণ কৰা এছ.এল.ভি. আৰু ৰোহিণী উপগ্ৰহ প্ৰকল্পৰ সঞ্চালক আছিল ড° আব্দুল কালাম। ১৯৮১ চনত তেওঁক ভাৰত চৰকাৰে পদ্মভূষণ, ১৯৯০ চনত পদ্মবিভূষণ আৰু ১৯৯৭ চনত 'ভাৰত ৰত্ন' আদি বহুতো উপাধিৰে সন্মানিত কৰিছিল। Wings of Fire, India Vision, *Ignited Minds, India 2020, Turning Points* আদি তেখেতৰ উল্লেখনীয় গ্ৰন্থ। ড° আব্দুল কালামে ২০০২ চনৰ ২৫ জুলাইত ভাৰতৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল আৰু ২০০৯ চনৰ ২৫ জুলাইলৈ ভাৰতৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈ আছিল। এইজনা মহান ব্যক্তিয়ে ২০১৫ চনৰ ২৭ জুলাইৰ সন্ধিয়া ৬-৩০ বজাত শ্বিলঙৰ 'ইণ্ডিয়ান ইনষ্টিটিউত অব্ মেনেজমেণ্ট'ৰ অতিথি অধ্যাপক হিচাপে ভাষণ দি থকা সময়ত হৃদৰোগত আক্ৰান্ত হৈ মঞ্চত ঢলি পৰে। লগে লগে তেওঁক শ্বিলঙৰ বেথানী হাস্পাতাললৈ প্ৰেৰণ কৰা হয় যদিও তাতে তেওঁৰ মৃত্যু ঘটে। **



# ছাৰ আইজাক নিউটন



কাশ্মিৰী ৰয়
পঞ্চম ষাণ্মাসিক

১৬৪২ চনত ইংলেণ্ডৰ উইলসথ্ৰপত ছাৰ আইজাক নিউটন নামৰ এজন বিশ্ববিখ্যাত বিজ্ঞানীৰ জন্ম হয়। তেওঁক বাৰ বছৰ বয়সতহে স্কুলত নাম লগাই দিয়া হৈছিল। মহান বিজ্ঞানী ছাৰ আইজাক নিউটনে পঢ়াত অলপো মন দিয়া নাছিল। ১৬৬০ চনত তেওঁ পুনৰ স্কুলত নামভৰ্তি হ'ল। দেশ ভ্ৰমণ কৰিবলৈ পাই অতি আনন্দিত কিশোৰ নিউটনে পঢ়া-শুনাতো মন দিবলৈ আৰম্ভ কৰিলে। ১৬৬১ চনত তেওঁ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'ল।



নিউটনে গণিত শাস্ত্ৰৰ কেইটামান কঠিন তত্ত্ব আৱিষ্কাৰ কৰিলে। যেনে- বাইন'মিনেল থিয়ৰেম, ইণ্টিগ্ৰেল কেলকুলাচ আৰু কঠিন পদাৰ্থৰ ঘনত্ব আদি। আইজাক নিউটনে ২৪ বছৰ বয়সত মধ্যাকৰ্ষণৰ কথা চিন্তা কৰিছিল। ১৬৬৭ চনত নিউটনে প্ৰথম দূৰবীক্ষণ যন্ত্ৰ (D.Se-Doctor of Reflecting Telescope) তৈয়াৰ কৰিছিল। মাত্ৰ ৬ ইঞ্চি দীঘল আছিল আৰু ফুটাটোৰ ব্যাস আধা ইঞ্চি আছিল। ২৭ বছৰ বয়সত সামৰিক জীৱনৰ পৰা অব্যাহতি ল'লে যদিও সেই সময়খিনিতে যথেষ্ট খ্যাতি আৰু প্ৰতিষ্ঠা লাভ কৰিছিল। তেতিয়ায়েই নিঃসংগতা সহিব নোৱাৰি চোনিয়া নামৰ যুৱতীৰ লগত বিবাহ-পাশত আবদ্ধ হয়। নিউটনে সাহিত্যৰ ক্ষেত্ৰত চোনিয়াৰ সহযোগিতা পাইছিল। ১৭২৭ চনত এইজন মহান বিশ্ববিখ্যাত বৈজ্ঞানিকৰ দেহাৱসান ঘটে। **

**মহান উক্তি —**



"সফলতাৰ কাহিনী নপঢ়িব,
আপুনি কেৱল এটা বাৰ্তা
(MESSAGE) পাব।
বিফলতাৰ কাহিনী পঢ়ক,
সফলতা পাবলৈ আপুনি
কিছুমান ধাৰণা (IDEA)
পাব।"
~ এ পি জে আব্দুল কালাম

# ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ




**বিদিশা ৰয়**

পঞ্চম ষাণ্মাসিক




ৰাধাকৃষ্ণণৰ জন্ম হৈছিল ১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰত। বিশেষকৈ ৫ ছেপ্টেম্বৰত ৰাধাকৃষ্ণণৰ জন্ম হোৱা বুলি আমি সকলোৱে জানো এই বাবেই যে এই দিনটোত আমাৰ দেশত জাতীয় শিক্ষক দিৱস হিচাপে উদ্‌যাপন কৰা হয়। বৰ্তমান সময়ৰ ধামখুমীয়াত যদিও শিক্ষক শব্দটোৰ গৰিমা বহুলাংশে ম্লান হৈছে (বিশেষকৈ যোৱা তিনি চাৰিটা দশকৰ ভিতৰত) তথাপিও ই অৱশ্যে স্বীকাৰ্য যে শিক্ষকসকল জাতিৰ ভৱিষ্যত গঢ়োঁতা। আমাৰ ভৱিষ্যত উজ্জ্বল নে অন্ধকাৰচ্ছন্ন সেয়া বহুলাংশে শিক্ষকসকলৰ ওপৰত নিৰ্ভৰ কৰে। ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰ পৰাই শিক্ষা এটি মহান আত্মিক উদ্বোধন হিচাপে বিবেচিত হৈ আহিছে। আমি যদি ঋকবেদৰ যুগলৈ উভতি যাওঁ তেতিয়াহ'লে দেখিবলৈ পাম, ঋষি-মুনিসকলে অনেক কৃচ্ছ্রসাধনা কৰি শিষ্যসকলক নৈতিক আৰু পাৰমাৰ্থিক জীৱন সম্পৰ্কে শিক্ষাদান কৰিছিল। সকলোৱে জানে সেই যুগত গুৰু-শিষ্যৰ সম্পৰ্ক আছিল অত্যন্ত মধুৰ।

প্ৰাচীনকালৰ গুৰু-শিষ্যৰ এই মধুৰ সম্পৰ্কই, গুৰুৰ বাবে নিজৰ সোঁহাতৰ বুঢ়া আঙুলি কাটি দিব পৰা একলব্যৰ মহান আদৰ্শই ৰাধাকৃষ্ণণৰ শিশু মনক গভীৰভাৱে প্ৰভাৱান্বিত আৰু আলোড়িত কৰিছিল। এই আদৰ্শক সন্মুখত ৰাখিয়েই তেওঁ ভৱিষ্যতে এজন সফল, আদৰ্শৱান আৰু কৃতী শিক্ষক হোৱাৰ সপোন দেখিছিল আৰু বাস্তৱত সেয়া হৈছিলো। জীৱনৰ অপৰাহ্ন পৰত তেওঁ অকপট চিত্তে মন্তব্য কৰিছিল, "শিক্ষকতা কৰাই মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ সপোন"। ইয়াৰ লগে লগে তেওঁৰ সপোন আছিল এনে এটা অনুগামী ছাত্ৰ দল গঠন কৰা যিয়ে মহান ভাৰতীয় দৰ্শনৰ কথা দেশ-বিদেশত প্ৰচাৰ কৰিব। তেওঁ বিচাৰিছিল তেওঁৰ ছাত্ৰৰ জৰিয়তে পৃথিৱীৰ ইমূৰে-সিমূৰে ভাৰতীয় দৰ্শনৰ মূল আত্মাই প্ৰসাৰ লাভ কৰক। আজি ৰাধাকৃষ্ণণৰ অসংখ্য অনুগামী ছাত্ৰ বিশ্বৰ বিভিন্ন প্ৰান্তত সিচঁৰতি হৈ আছে। **



# চৰিত্ৰ




**হিয়াস্মিতা দাস**

পঞ্চম ষাণ্মাসিক


চৰিত্ৰ মানে হ'ল আচৰণ, স্বভাৱ বা কোনো মানুহৰ কাৰ্যৰ বিৱৰণ। চৰিত্ৰ হ'ল কিছুমান গুণৰ সমষ্টি।

সৃষ্টিৰ সকলো বস্তু নীতি-নিয়মৰ সূতাৰে বন্ধা। গ্ৰহ-উপগ্ৰহ আদি সূৰ্যৰ চাৰিওফালে নিজ নিজ পথেৰে একেটা গতিৰে ঘূৰি আছে। ৰাতিৰ আন্ধাৰ আৰু জোনাক অৰ্থাৎ কৃষ্ণপক্ষ আৰু শুক্লপক্ষ সময়মতে হৈ আছে। সেইদৰে সময়, দিন, বাৰ, মাহ, বছৰ, ঋতু আদিও সময়মতে অহা-যোৱা কৰি আছে। ইয়াৰ দ্বাৰা বুজা যায় সৃষ্টিৰ নীতি-নিয়মৰ ভেটি সুদৃঢ়। ইয়াৰ অলপ হেৰফেৰ হ'লেই নানা বিপদ হ'ব পাৰে। সেইবাবে আমি নীতি-নিয়মৰ মাজত চলা উচিত। আমাৰ জন্মদাতা পিতৃ-মাতৃ। তেওঁলোক আমাৰ গুৰু। পিতৃ-মাতৃৰ জহতেই আমি সংসাসৰ মুখ দেখিবলৈ পাইছো। তেওঁলোকে আমাক মৰম-চেনেহেৰে তুলি-তালি ডাঙৰ-দীঘল কৰিছে। সেইবাবে আমি সদায় পিতৃ-মাতৃক ভক্তি কৰিব লাগে।




পৃথিৱী মানুহৰ কৰ্মভূমি। ইয়াত দিনক-দিনে জনসংখ্যা বাঢ়ি আছে আৰু সময়ে সময়ে কমিও আছে। মানুহ হ'বলৈ হ'লে বহুতো গুণৰ প্ৰয়োজন। এই গুণৰ জৰিয়তে নানা বিপদ-আপদ আদিৰ পৰা মুক্ত হ'ব পাৰি। মানুহৰ গাত থকা এই গুণবোৰকেই মানৱীয় গুণ বোলা হয়। পৰম পিতা পৰমেশ্বৰ হ'ল আমাৰ গুৰুৰো গুৰু। এই বিশ্ব-ব্ৰহ্মাণ্ডৰ গৰাকী হৈছে ঈশ্বৰ। তেঁৱেই পৃথিৱীৰ সৃষ্টিকৰ্তা। ব্ৰহ্মাণ্ডৰ কোনো শক্তিয়ে তেওঁৰ ওপৰত হ'ব নোৱাৰে। সেই কাৰণে পৰমপিতা পৰমেশ্বৰক ভক্তি কৰি চলা উচিত। সজ আচৰণ আৰু ব্যৱহাৰ এটি উৎকৃষ্ট মানৱীয় গুণ। এই গুণ সকলো ছাত্ৰ-ছাত্ৰীয়ে গ্ৰহণ কৰা উচিত। মাত-কথা শিষ্টাচাৰৰ এটা প্ৰধান অংগ। মিঠা কথাই সকলোৰে মন আকৰ্ষণ কৰে। সেই কাৰণে ডাঙৰ-সৰু আৰু সমনীয়া লোকৰ লগত কথা কওঁতে মিঠা মাতেৰে কথা ক'ব লাগে। সময়ৰ সৎ ব্যৱহাৰ উন্নতিৰ মূলমন্ত্ৰ। সেইবাবে আমি সময়ৰ মূল্য বুজা দৰকাৰ।

এই গুণ সমূহেই হ'ল স্বৰ্গীয় গুণ যিবিলাক আমাৰ প্ৰতিজন ব্যক্তিৰেই থকা উচিত। **

# অনুভৱ




**ফুলমণি কলিতা**
পঞ্চম যান্মাসিক


আমাৰ জীৱনত বহুতো মিঠা মিঠা অনুভৱৰ লগত চিনাকি হৈ যোৱা যায়। তাৰ ভিতৰত কিছুমান অনুভৱ এনেকুৱা হয়, যিবোৰে আমাৰ অন্তৰত দকৈ সাঁচ বহুৱায়। এনেকুৱা এক অনুভৱৰ কথা মই ব্যক্ত কৰিব ওলাইছোঁ।

মোৰ জীৱনৰ এক মিঠা অনুভৱ হিচাপে মই মোৰ কলেজীয়া জীৱনৰ কথা ক'বলৈ ওলাইছোঁ। মোৰ প্ৰথম দিনা কলেজলৈ গৈ বৰ ভয় লাগিছিল। কিয়নো মোৰ আগৰ স্কুলৰ বন্ধু-বান্ধৱীবোৰ তাত নাছিল। তাত মই কাকোৱেই চিনি পোৱা নাছিলো আৰু সেই ঠাইডোখৰ মোৰ কাৰণে অচিনাকী আছিল। কিন্তু তাৰ পিছত মই ভবাতকৈ বহু সোনকালে সকলোৱে লগত মিলিবলৈ সক্ষম হৈছিলো। বহুতো নতুন নতুন বান্ধৱী আৰু শিক্ষক-শিক্ষয়িত্ৰী লগ পাইছিলো।

এইবাৰ মই আমাৰ কলেজৰ ছাৰ-বাইদেউ সকলৰ কথা ক'বলৈ গৈছো। আমাৰ এই কলেজৰ ছাৰ-বাইদেউ সকল বহুত অভিজ্ঞতাসম্পন্ন আৰু মৰমিয়াল। তেওঁলোকে কোনো ছাত্ৰ-ছাত্ৰীকে কম-বেছি পৰিমাণে গুৰুত্ব নিদিয়ে, তেওঁলোকৰ মনত সকলো সমান। কিবা বুজি নাপালে সৰলতাৰে বুজাই দিয়াৰ বাবে বহু কষ্ট কৰে। গতিকে আমি তেওঁলোকৰ এই চেষ্টা, বিষ বৃক্ষত অমৃত ফল হৈ সফলতা অৰ্জন কৰি দিয়াৰ বাবে সততে চেষ্টা কৰা উচিত। কাৰণ এগৰাকী শিক্ষকৰ সফলতা মানে ছাত্ৰ-ছাত্ৰীৰ উন্নতি। কাৰণ আমাৰ মাজৰে কোনোবাই ডাঙৰ মানুহ হয় বা কোনোবাই ডাক্তৰ নাইবা কোনোবাই অধ্যাপিকা হয় তেতিয়া সেই শিক্ষক গৰাকীয়ে গৰ্বেৰে ক'ব পাৰিব যে মই সেই ডাক্তৰ বা অধ্যাপিকাজনীক শিকাইছিলো। তেওঁলোকে সদায় আমাৰ সফলতা, উন্নতি আশা কৰে আৰু আমিও তেওঁলোকৰ আশা ফলপ্ৰসূ কৰিব লাগে।

মই মোৰ এই কলেজীয়া জীৱনৰ অভিজ্ঞতাৰ কথা ক'বলৈ যাওঁতে শিক্ষকক বেছিকৈ প্ৰাধান্য দিছো। কিয়নো এখন শিক্ষানুষ্ঠানৰ তেওঁলোক অবিচ্ছেদ্য অংগ। কিয়নো বন্ধু-বান্ধৱীবোৰ দুদিনীয়া। অন্তৰংগ বন্ধু-বান্ধৱীৰ ক্ষেত্ৰত আকৌ বেলেগ। যি কি নহওঁক কিন্তু শিক্ষা আজীৱন আমাৰ লগত থাকি যায়।

মই এই নিৰ্মল হালৈ মহাবিদ্যালয়খনত পঢ়ি বহুতো নজনা কথা জানিবলৈ সক্ষম হৈছোঁ। লগত নতুন নতুন অভিজ্ঞতা ল'বলৈও সুবিধা পাইছো। ইয়াত শিক্ষাৰ বাবে বহুতো সুবিধা আছে। কথাতে কয় শিক্ষাৰ্থীৰ একাগ্ৰতাই উন্নতিৰ ঘাই মন্ত্ৰ। গতিকে একাগ্ৰতাই আমাৰ উন্নতিৰ পথলৈ ঠেলি দি সফলতা অৰ্জন কৰাত সহায় কৰে। গতিকে এনেদৰে কিছুমান মিঠা অনুভৱে মোৰ কলেজীয়া জীৱনটো আনন্দময় কৰি তোলে। **

> "কিবা কাম আৰম্ভ কৰাৰ আগতে সদায় নিজকে তিনিটা প্ৰশ্ন সুধিব- মই কিয় এইটো কৰি আছোঁ, ফলাফল কি হ'ব পাৰে আৰু মই সফল হ'মনে। কেৱল যেতিয়া আপুনি গভীৰভাৱে চিন্তা কৰে আৰু এই প্ৰশ্নবোৰৰ সন্তোষজনক উত্তৰ পায় তেতিয়াহে আগবাঢ়ি যাওঁক।"
>
> — চাণক্য



# সপোনবোৰৰ বাবেই আমি জীয়াই থাকো




**হিমশিখা কলিতা**
তৃতীয় যান্মাসিক


সপোনবোৰৰ বাবেই আমি জীয়াই থাকো, আৰু যেতিয়া সপোনবোৰ ভাগি যায় থুনুকা কাঁচৰ দৰে, আমাৰ বাবে অপ্ৰিয় হৈ পৰে সপোনটো বাস্তৱৰ প্ৰৰোচনাত। কাঁচ এটুকুৰা ভাগিলে শব্দ হয়, কষ্ট কম হয়। কিন্তু সপোন ভাগি যায় শব্দ নহয়, কিন্তু অবৰ্ণনীয় কষ্ট হয়। সেইবাবেই হয়তো সপোনবোৰক মাজে মাজে অৱহেলা কৰোঁ। স্বাৰ্থপৰ আমিবোৰ, পূৰ নোহোৱা সপোনবোৰ মনৰ মাজত আলফুলে ৰাখিবলৈও আমাৰ আহৰি নাই। সপোন দেখো বাবেই জীৱনটো ইমান ধুনীয়া আমাৰ। সপোনে আমাক প্ৰেৰণা দিয়ে। মৰুৰ মাজত এটোপাল পানীৰ দৰে সপোনবোৰ। জীৱনৰ হতাশাৰ সময়বোৰত সঞ্জীৱনী সপোন। সপোন আছে বাবেই আমি হাঁহিবলৈ পাহৰা নাই। সপোন পূৰ্ণ নোহোৱাৰ আক্ষেপত সময়ৰ সমাধি ক্ষেত্ৰত সমাধিস্থ কৰিলে কষ্ট পায় হেৰাই যোৱা সপোনবোৰে। পূৰ্ণ নহ'লেও সপোনবোৰক আমি সপোন কৰিয়েই মনৰ কোনোবা ৰিক্ত কোণত সপোনবোৰ সযতনে ৰাখিলে সপোনবোৰে উচুপিব লগা নহয়। সপোন সপোনেই, অপূৰণীয় সপোনটোক সমল কৰিলে ই সঁহাৰি দিব নতুন সপোন পূৰাবলৈ। অপূৰ্ণ সপোনবোৰ অৱহেলাৰ ডাষ্টবিনত দলিয়াই দিলে, জীৱনৰ বিয়লি বেলাত যেতিয়া সেইবোৰৰ বিননি শুনিম, তেতিয়া হয়তো অনুভৱ কৰিম— "সপোনক অৱহেলা কৰি একোৱেই নাপালো জীৱনত।" **

## মহৎ লোকৰ বাণী

সংগ্ৰাহক- **ভাগ্যশ্ৰী কলিতা**, পঞ্চম যান্মাসিক

১। 'ভাইৰাচ'ৰ আৱিষ্কাৰক কোন?
— ইভানেভিক

২। ৰেফ্ৰিজাৰেটৰৰ উদ্ভাৱক কোন?
— ফাৰ্দিনান্দ কাৰ

৩। 'প্ৰেচাৰ কুকাৰ' কোনে আৱিষ্কাৰ কৰিছিল?
— জেনিচ পেপিন

৪। 'গ্ৰীণলেণ্ড' কোনে আৱিষ্কাৰ কৰিছিল?
— নৰ্ছমেন

৫। জ্যামিতিৰ উদ্ভাৱক কোন?
— গ্ৰীচ দেশৰ ইউক্লীড

৬। 'নোবেল বঁটা'ৰ প্ৰতিষ্ঠাতা কোন?
— আলফ্ৰেড নোবেল

৭। মাজনিশা সূৰ্যোদয়ৰ দেশ কাক বোলে?
— নৰ'ৱেক

৮। মংগল গ্ৰহত প্ৰথম অৱতৰণ কৰা মহাকাশ যানখন কি আছিল?
— ভাই কিং

# মাক আৰু মৰম




হিমাঞ্জলী কলিতা

তৃতীয় যান্মাসিক




মা! 'মা' শব্দটো অকলেই এখন আকাশ, এক শান্তি। পৃথিৱীৰ আটাইতকৈ মৰমসনা শব্দটো 'মা'। সমস্ত আবেগ সৰলতা সুহৃদয়তাৰ থূপ মা। হৃদয়ৰ গভীৰলৈকে ঝংকাৰ তুলিব পৰা সেই নাৰীগৰাকী মা।

"আইৰ সমান হ'ব কোন, নৈৰ সমান বব কোন...।"

কিহেৰে তুলনা হ'ব 'মা'ৰ যি দহমাহ গৰ্ভত ৰাখি প্ৰসৱ যন্ত্ৰণাকো জীৱনৰ প্ৰাপ্তি, সৰ্বোচ্চ সুখ বুলি লৈ সুখানুভূতিৰ লোটকেৰে কোলালৈ সন্তানক স্বাগতম জনোৱাৰ পৰা আলফুলে তুলি-তালি ডাঙৰ-দীঘল কৰে সন্তানক। সন্তানৰ বাবে সৰ্বস্ব ত্যাগ কৰিবলৈ সাজু থকা সেইজনীয়েই মা; যাৰ পৰিধি আকাশতকৈও বেছি। সেই গৰাকীয়েই মা, যি স্থিতপ্ৰজ্ঞ হৈ জীৱনৰ অলেখ ধুমুহাৰ মাজতো সন্তানৰ সুৰক্ষাৰ চিন্তাত মগন। মা যি সন্তানৰ ভালৰ বাবে বিসৰ্জন দিবলৈ সাজু থাকে নিজস্ব বহু কিবাকিবি।

প্ৰতিগৰাকী নাৰীৰে সেই চৰম বাসনাটো- মাতৃত্বৰ গৌৰৱত উথলা; যাৰ বাবেই মানুহজাকৰ মাজত ইমান মৰম-ভালপোৱা। গৰ্ভত ধাৰণ কৰাৰ দিন ধৰি প্ৰসৱৰ বেদনালৈকে। আসঃ কিমান যে যন্ত্ৰণা। তথাপিতো, যন্ত্ৰণাবোৰ মাতৃ-সন্তান নামৰ সম্পৰ্কটোৱে ম্লান কৰি দিয়ে। সমস্ত ব্যস্ততাৰ কাৰণ হ'ব খোজে সন্তান, সমস্ত আবেগ-মৰমৰ জিৰণিৰ ঘাট হ'ব খোজে মাতৃ-সন্তানৰ সম্পৰ্কটো। কি সম্পৰ্কত থাকিব পাৰে ইমান বেছি মৰম, ইমান বেছি ভালপোৱা, সুহৃদয়তা। কি সম্পৰ্কত থাকে ইমান বেছি সাহস, শক্তি? জীৱনত প্ৰথমটো শব্দই 'মা' বুলি উচ্চাৰণ কৰাৰে পৰা 'মা'ৰ উচ্চাৰণেই এক প্ৰেৰণা হৈ উদ্বুদ্ধ কৰিবলৈ যথেষ্ট। 'মা'ৰ মৰমেই আমাক কৰিছে ইমান বেছি মৰম আকলুৱা। 'মা'ৰ সান্নিধ্য অন্য প্ৰাপ্তিৰ অন্য নাম। কল্পনা বাস্তৱ যিয়েই নহওঁক লাগিলে, 'মা'ৰ মৰমখিনি অভিন্ন। সেয়ে ইমানবোৰ সম্পৰ্কৰ মাজতো মাতৃ-সন্তানৰ সম্পৰ্কটোৱেই আটাইতকৈ পবিত্ৰতম সম্পৰ্ক।

দিনটোৰ সমাগমবোৰৰ মাজৰ পৰা ওলাই প্ৰত্যেকেই কিঞ্চিৎ সময়ৰ বাবে হ'লেও অকলশৰীয়া সময়ৰ আলহী হৈ পৰে। তেনেতে মনত পৰে মাথো 'মা' লৈ। জীৱনৰ যিকোনো পৰিস্থিতিতে মনলৈ আহে 'মা'ৰ কথা। 'মা' মৰমৰ সুহৃদয়ৰ মাৰ সৌন্দৰ্যই বাৰে বাৰে আত্মাক সৌন্দৰ্যৰে উদ্বাউল কৰে। মাৰ সামগ্ৰিক সত্তাই আমাক মৰম আকলুৱা কৰিছে। শুভ ইচ্ছা আশীৰ্বাদৰ অভাৱ অনুভৱ কৰিব নিদিয়াকৈ সমস্ত প্ৰেৰণা হোৱাৰ আগ্ৰহ দেখুৱাইছে। জীৱনটোক অবাটে নিনিবলৈ ছাঁ হৈ লাগি ৰৈছে; আত্মিক সৌন্দৰ্যৰে পবিত্ৰতম সম্পৰ্ক এটা বন্দী কৰিছে। সেয়ে সমস্ত আবেগ আৰু সমস্ত যুক্তিৰে কওঁ 'মা' আমাৰ প্ৰথম প্ৰেয়সী। প্ৰতিগৰাকী সন্তানৰ জীৱন 'মা'ৰ সত্তাৰ প্ৰেমত পৰিবলৈ বাধ্য। অঘোষিতভাৱে জীৱনৰ প্ৰথম প্ৰেয়সী 'মা'। **



# প্ৰকৃতি আৰু মানুহ




কৰিস্মা ৰয়

তৃতীয় যান্মাসিক




প্ৰকৃতি বুলিলে আমাৰ মনলৈ আহে সেউজীয়া এটি সুন্দৰ পৰিবেশ। গছ-গছনি, পাহাৰ পৰ্বত, নদ-নদীৰ সৈতে আমাৰ এই প্ৰকৃতি সঁচাকৈয়ে বহুত ধুনীয়া। কিন্তু বৰ্তমান সময়ত সঁচাকৈয়ে জানো প্ৰকৃতি সুন্দৰ হৈ আছে? নাই প্ৰকৃতি এতিয়া ধ্বংসৰ পথত আৰু এই সুন্দৰ প্ৰকৃতিক ধ্বংস কৰিছোঁ আমি এচাম মুখা পিন্ধা স্বাৰ্থলোভী মানুহে। বিশ্বৰ চৌদিশে আজি গোলকীয় উষ্ণতা বৃদ্ধিৰ হুলস্থূল। কল-কাৰখানাৰ পৰা নিৰ্গত বিষাক্ত ধোঁৱা, গাড়ী-মটৰৰ পৰা নিৰ্গত বিষাক্ত গেছে পৃথিৱী নামৰ গ্ৰহটোৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাৰ লেখিয়াকৈ আমি মানৱ জাতিয়ে প্ৰকৃতিৰ সেউজীয়া গছ-গছনিবোৰ যধে-মধে ধ্বংস কৰাত লাগিছো। ইয়াৰ কুফল অদূৰ ভৱিষ্যতে আমি ভোগ কৰিব লাগিব। কিয়নো প্ৰকৃতিয়েই হৈছে জীৱ-জগতৰ প্ৰাণ। জীৱশ্ৰেষ্ঠৰ মুখা পিন্ধা মানুহৰ নিৰ্মম অত্যাচাৰ সহ্য কৰিও চকুলো টুকি টুকি যেন নিঃস্বাৰ্থভাৱে জীৱ-জগতৰ বাবে দায়িত্ব পালন কৰি গৈছে প্ৰকৃতিয়ে।

বনাঞ্চল ধ্বংসই আমাৰ জৈৱ-পাৰিপাৰ্শ্বিকতাৰ ওপৰতো প্ৰভাৱ পেলাইছে। এনে কুপ্ৰভাৱৰ এটা উদাহৰণ হৈছে শগুণৰ বিলুপ্তপ্ৰায় অৱস্থা। আমি সকলোৱে শগুণৰ উপকাৰিতাৰ কথা জানো; পিছে মানুহৰ কেতবোৰ বিবেচনাহীন কামৰ বাবে শগুণ বিলুপ্ত হ'বৰ উপক্ৰম ঘটিছে। জৈৱ-পাৰিপাৰ্শ্বিকতা ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা অন্য এক উদাহৰণ হ'ল- ভেকুলী যাৰ টোৰ্টোৰণিৰ শব্দ বাৰিষা কালত আমাৰ গ্ৰামাঞ্চলৰ মানুহৰ বাবে পৰিচিত আছিল। সেই ভেকুলীবোৰেও আজি প্ৰকৃতি ধ্বংসৰ কুফলত অস্তিত্বৰ সংকটত ভুগিছে। এন্ধাৰ ৰাতি জাক জাক জোনাকী পৰুৱাৰ নয়নাভিৰাম দৃশ্য আমাৰ গ্ৰাম্য সমাজত এসময়ত চিনাকী দৃশ্য আছিল কিন্তু জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱৰ বাবে আজি জাক জাক জোনাকীৰ দৃশ্যও যেন হেৰাই যোৱাৰ উপক্ৰম হৈছে। এনে বহুতো উদাহৰণ আছে যিয়ে কঢ়িয়াই আনে প্ৰকৃতিৰ ওপৰত মানুহৰ নিৰ্মম অত্যাচাৰৰ ছবিখন।

এনেদৰেই আমি আমাৰ নিজৰ বিপদ নিজেই কঢ়িয়াই আনিছো। যদিহে সময় থাকোতেই আমি সচেতন নহওঁ আৰু প্ৰকৃতিৰ অৱশিষ্টখিনিও যদি সংৰক্ষণ কৰিবলৈ অপাৰগ হওঁ; তেনেহ'লে আমাৰ পৃথিৱীৰ সেউজী শোভা লোপ পাবলৈ বেছি পৰ নালাগিব আৰু পৃথিৱী নামৰ গ্ৰহটো মৰুভূমিত পৰিণত হ'বলৈ বেছি পৰ নালাগিব। এইক্ষেত্ৰত সচেতন হোৱাটো প্ৰতিজন বিশ্ববাসীৰে কৰ্তব্য। **

# বৃক্ষৰোপণ






দিপাশ্ৰী দাস
পঞ্চম ষাণ্মাসিক

আধুনিক মানৱ সমাজৰ জীৱনশৈলী আৰু প্ৰযুক্তিৰ দ্ৰুত বিকাশে প্ৰকৃতিৰ প্ৰতিটো স্তৰেই প্ৰদূষিত কৰি তুলিছে। পৰিৱেশ প্ৰদূষণ ৰোধ তথা প্ৰাকৃতিক ভাৰসাম্য অটুট ৰখাত বৃক্ষৰোপণে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানৱ জীৱনত সমৃদ্ধি আৰু পৰিবেশৰ সৈতে সম্পৰ্ক বজাই ৰখাৰ বাবে বৃক্ষৰোপণক মহত্ব দিয়া হৈছে। গছে আমাক প্ৰাণবায়ু প্ৰদান কৰি পৰিৱেশকো সুস্থ কৰি ৰাখে। গছে আমাক ফলমূল, ফুল পাত আৰু বহুতো উপকাৰী দ্ৰব্য প্ৰদান কৰে। ভূমি সংৰক্ষণৰ বাবে গছ ৰোপণ কৰিব লাগে। সুস্থ পৰিবেশ আমাৰ জীৱনৰ আধাৰ। সেইবাবে আমি আমাৰ পৰিবেশ সুৰক্ষিত কৰাটো আমাৰ কৰ্তব্য।

যিজনে জানে গছকো শ্ৰেষ্ঠ মানে,
গছ বিনে প্ৰাণবায়ু সৃষ্টি নহয় ভুলতে।
গছ-প্ৰাণীৰ সম্পৰ্ক গভীৰ,
কাক থৈ কোনে বাচে।
গছৰ সৃষ্টি এক নিঃস্বাৰ্থ মাতৃৰ দৰে,
গছৰ সৃষ্টিয়ে প্ৰকৃতিৰ শোভা বঢ়ায়।
ৰং-বিৰঙৰ চৰাইৰ বাঁহে,
তাক গছৰ প্ৰয়োজনীয়তা কিমান জনাই দিয়ে।
হে মহামানৱ জনাওঁ অনুৰোধ
তোমাৰ শ্ৰেষ্ঠতাৰ নহ'ব বিৰোধ
যাৰ অবিহনে পৰি ৰ'ব নিঠৰ দেহ,
তাক তুমি নাভাবিবা অৱহেলিত। **

**মহান উক্তি**



জীৱনত সকলো হেৰুৱাৰ পাছতো যদি
আপোনাৰ মনত পুনৰ কিবা এটা কৰিবলৈ
উদ্যমতা আছে তেন্তে বুজিব যে
আপুনি এতিয়াও একো হেৰুৱা নাই।



# হাঁহি



অনুশ্ৰী মেধি
পঞ্চম ষাণ্মাসিক



হাঁহি মানুহৰ এক বিশেষ গুণ। কোনোবাই হাঁহিমুখে কথা পাতিলে বা স্বাগতম জনালে মনত বৰ আনন্দ লাগে। এজন খঙাল নাইবা গোমোঠা মুখৰ মানুহে কথা পাতিলে বা কাষত থাকিলে মন বেয়া লগাই নহয় আনকি গোটেই পৰিবেশটোৱেই সেমেকা হৈ পৰে। হাঁহিমুখৰ মানুহে কথা নাপাতিলেই নাই, কিন্তু তেওঁৰ ওচৰত থকা মানুহজনেও উৎসাহ আৰু আনন্দ পায়।

মানুহে চিন্তাত পৰিলে বা হতাশ হ'লে হাঁহিমুখীয়া মানুহে উৎসাহ দিব পাৰে। দুখ-চিন্তা থকা মানুহে সদায় ভাল খাদ্য খালেও স্বাস্থ্যৰ উন্নতি নহয়। কিন্তু মনৰ আনন্দত নিমখ ভাত খালেও শৰীৰ ভালে থাকে। হাঁহিয়ে স্বাস্থ্যৰ টনিকৰ কাম কৰে যি খাদ্য খায় সি সহজে হজম হয়। ফলত দেহ-মন উভয়েই ভালে থাকে। মানুহে কিছুমান বিশেষ গুণৰ অধিকাৰী হ'বলৈ হ'লে কিছুমান কথা জানিব বা শিকিব লাগে। কিন্তু হাঁহিবলৈ কোনো কষ্ট বা চেষ্টা কৰিব নালাগে। মানুহে হাঁহি কিনিব বা বেচিব নোৱাৰে। হাঁহিলে সময় নষ্টও নহয় খৰচো নহয়। হাঁহি বৰ মূল্যবান। এক মুহূৰ্তৰ বাবে মৰা হাঁহি আন এজনৰ মনত গোটেই জীৱন সেউজীয়া স্মৃতি হৈ থাকিব পাৰে। সেয়ে কেতিয়াও হতাশ নহৈ হাঁহি থাকিব লাগে। **

## জিজ্ঞাস্য

*সংগ্ৰহ- সম্পাদনা সমিতি*

১। এহাল মাখিয়ে ছমাহত ১৯১,০১০,০০০,০০০,০০০,০০০ টা পোৱালী জন্ম দিব পাৰে।
২। পৃথিৱীৰ আটাইতকৈ ওখ তৃণজাতীয় উদ্ভিদ হ'ল বাঁহ। ই ৩০ মিটাৰতকৈও ওখ হ'ব পাৰে।
৩। উটে এক উশাহতে ৬০ লিটাৰ পানী খাব পাৰে।
৪। পৃথিৱীৰ ভিতৰত আটাইতকৈ খৰকৈ বৃদ্ধি পোৱা গছৰ নাম ইউকেলিপ্তাছ। ই প্ৰতিবছৰে ১০ মিটাৰকৈ বৃদ্ধি পায়।
৫। মানুহৰ বাহিৰে আন কোনো প্ৰাণীয়ে চিৎ হৈ শুব নোৱাৰে।

# 'কুইজ' শব্দৰ উৎপত্তি




বিবেক কলিতা
পঞ্চম যান্মাসিক


ইংৰাজী 'কুইজ' শব্দটো ক'ৰপৰা কেনেকৈ আহিল সেই বিষয়ে সঠিককৈ জনা নাযায়। এই শব্দটোৰ ব্যৱহাৰ ১৭ শতিকাৰ পৰাই হোৱা বুলি বহুতে ক'ব খোজে। 'কুইজ' শব্দটোৰ অৰ্থ হ'ল— এক নুবুজা সাঁথৰ। অৱশ্যে 'কুইজ' শব্দৰ উৎপত্তি সম্পৰ্কে এটা সাধু আছে। ইংলেণ্ডৰ ডাব্লিন নামৰ এখন চহৰত এটা থিয়েটাৰ হলৰ মেনেজাৰ ডেনছ ডালিয়ে বাজি মাৰিছিল যে, তেওঁ কোনো অৰ্থ নোহোৱা শব্দ আৱিষ্কাৰ কৰিব, যিটো ২৪ ঘণ্টাৰ ভিতৰত ডাব্লিন চহৰত বিয়পাই দিব। কথা মতে কাম। তেওঁ এদিন ৰাতিপুৱা 'কুইজ' শব্দটো সৃষ্টি কৰি ডাব্লিন চহৰৰ বাটে-পথে, ঘৰে-দুৱাৰে য'তেই খালী ঠাই পালে তাত এদল ল'ৰা-ছোৱালীৰ দ্বাৰা লিখাই পেলালে। পিছদিনাখন ৰাতিপুৱা প্ৰত্যেকজন ব্যক্তিয়ে ইজনে-সিজনক শব্দটোৰ অৰ্থ সুধিব ধৰিলে। কিন্তু অৰ্থটো কোনেও ক'ব পৰা নাছিল। এনেদৰে একো অৰ্থ বুজিব নোৱাৰা শব্দটোক সাঁথৰ বুলি ধৰি লৈ 'কুইজ' শব্দৰ প্ৰচলন হ'ল। ১৬ শতিকাৰ মাজভাগৰ পৰা বৰ্তমানেও 'কুইজ' শব্দটো ব্যৱহাৰ হৈছে। **

## সাঁথৰ


সংগ্ৰাহক ঃ **বৰ্ণালী ডেকা**, পঞ্চম যান্মাসিক


১। বস্তুটো দেখি চক খালো, সি চালে মোক মই চালো তাক।
— আয়না।

২। আগৰাতি ঢাকোনত যায়, পিছদিনা পুৱাতে উদঙাই খায়।
— পইতা ভাত।

৩। এটা মাছৰ দুখন ফিচা, বুৰ মাৰিলে সকলো মিছা।
— নাও।

৪। নৈ আছে পানী নাই, দেশ আছে মানুহ নাই।
— মেপ।

৫। টুপ্ টুপ্ টুপালি পানী পালে মুকলি।
— জাল।

৬। ৰজাৰ কাপোৰ তিয়াব পাৰি, শুকুৱাব নোৱাৰি।
— জিভা।

৭। মাত আছে মানুহ নাই, ঘৰ আছে দুৱাৰ নাই।
— ৰেডিঅ'।

৮। কি গছৰ পাত গোটা যি ক'ব পাৰে সি পণ্ডিতৰ বেটা।
— পিয়াজ।

৯। কি চাইছ মোক, গিলি থ'ম তোক। চাবহি মোক, লিবহি তোক।
— চেপা।



# আশা




জীমনি কলিতা
তৃতীয় যান্মাসিক


প্ৰতিগৰাকী সুস্থ সবল ব্যক্তিয়ে জীৱনক এক নিৰ্দিষ্ট পৰ্যায়লৈ লৈ যাবলৈ মনৰ আশাক জীপাল কৰে। আশাৰ লগত অতি নিকট সম্পৰ্কিত বিষয় হ'ল কল্পনা। সপোন অথবা কল্পনাই মানুহৰ জীৱনটোক শক্তিশালীভাৱে গঢ়ি তোলাত নিৰ্ণয়াত্মক ভূমিকা পালন কৰে। আশাই মানুহক জীয়াই থাকিবলৈ প্ৰেৰণা যোগায়। মন, শৰীৰ আৰু আত্মাৰ মাজত সংযোগ সাধনৰ ক্ষেত্ৰত ইয়ে ইতিবাচক প্ৰভাৱ পেলায়। কিন্তু আশাক বাস্তৱায়িত কৰাটো সহজ বিষয় নহয়। প্ৰতিগৰাকী পিতৃ-মাতৃয়ে সন্তানক লৈ আশা দেখে। সেই আশাক বাস্তৱায়িত কৰিবলৈ অভিভাৱকে অহোপুৰুষাৰ্থ কৰে। অভিভাৱকৰ আশাক পূৰ্ণতা প্ৰাপ্তিৰ নিৰ্দেশে আগুৱাই নিবলৈ হ'লে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এটা অনুভৱী মনৰ গৰাকী হ'ব লাগিব।

নিজৰ ওপৰত অগাধ বিশ্বাস, শৃংখলাবদ্ধ জীৱন যাপন কঠোৰ পৰিশ্ৰমৰ জৰিয়তে আশাক বাস্তৱমুখী কৰাটো সম্ভৱ। আমি অন্যৰ ওপৰত নিৰ্ভৰশীল হৈ আশাক জীপাল কৰিব বিচাৰিলে, তেনে আশাই জীৱনৰ সফলতা কঢ়িয়াই আনিব নোৱাৰে। আমি আশা কৰা মতে আনৰ পৰা সঠিক সময়ত সহযোগিতা অথবা ফলাফল লাভ কৰিব নোৱাৰিলে জীৱনটো হতাশাৰে ভৰি পৰে। ইয়াৰ লগে লগে নিৰাশা, উত্তেজনা, খং ইত্যাদি মানৱ জীৱনৰ নেতিবাচক দিশবোৰ অংকুৰিত হয়। আশা তেনে এক বিষয় যিয়ে মনক শক্তিশালী কৰি কৰ্মমুখী চেতনা জাগ্ৰত কৰে। কিন্তু পৰনিৰ্ভৰশীল আশাই প্ৰতিমুহূৰ্ততে অনিশ্চয়তাৰ আৱৰণ এখনৰ সৃষ্টি কৰে; যিয়ে আবেগ আৰু বিবেকক সমান্তৰালভাৱে আগুৱাই যোৱাত বাধাৰ সূচনা কৰে। নিজৰ কৰ্মৰ মাজেৰে আশাক সঠিক ৰূপদান কৰিব পৰা জনেই জীৱনত সফলতা আহৰণ কৰিব পাৰে। আমি নিজেই নিজৰ ওপৰত আশাক জীপাল কৰিব পাৰিলেই আনকো আকৰ্ষিত কৰিবলৈ সক্ষম হ'ম।

এলবাৰ্ট আইনষ্টাইনে কৈছিল, "কালিৰ পৰা শিকা, আজিৰ বাবে জীয়াই থাকা, কাইলৈৰ বাবে আশা কৰা। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হৈছে নিজকে প্ৰশ্ন কৰাটো বন্ধ নকৰিবা।" মানুহৰ জীৱনত জয় পৰাজয় থাকিবই। কিন্তু পৰাজয়ত আশাৰ ৰেঙণি পৰিস্ফুট কৰিব পাৰিলে, আত্মবিশ্বাস বৃদ্ধি পায়। চৌপাশে থকা সমাজখনে বিশেষ উদ্ভাসিত হৈ উঠিলে ক'ব নোৱাৰাকৈ আমাৰ ওপৰত অধিক সফলতা আশা কৰে। সমাজখনক আশাৰ বাণী শুনাব পৰাজনহে প্ৰকৃত ব্যক্তি। সমাজখনে নতুন প্ৰজন্মৰ পৰাই আশা কৰে। সেই আশাক বাস্তৱায়িত কৰাটো আমাৰ জীৱনৰ অন্যতম উদ্দেশ্য হ'ব লাগিব। আশাক জীৱন্ত কৰি সফলতা আহৰণ কৰিব পৰাটোহে জীৱনৰ অন্যতম মহত্ব। আশাই হ'ল বিশ্বাসৰ আধাৰ, যিয়ে সফলতাৰ বাটত আগুৱাই নিয়াৰ বাবে শক্তি প্ৰদান কৰে। আশা আৰু বিশ্বাস অবিহনে জীৱনটোক অগ্ৰগামী যাত্ৰাৰে আগুৱাই নিয়াটো সম্ভৱ নহয়। আশা হ'ল অন্তৰাত্মাৰ অনুভূতি, প্ৰেৰণাৰ সমল আৰু সেইবাবে ইয়াক ইতিবাচক দিশেৰে আগুৱাই নিয়াৰ বাবে আমি সৰ্বাত্মক প্ৰয়াস চলাব লাগিব। আশাৰ জৰিয়তে বিশ্বৰ এগৰাকী প্ৰকৃত সন্তান হিচাপে পৰিগণিত হ'ব পাৰিলে, প্ৰজন্মৰ পিছত প্ৰজন্ম আমাৰ বাবে কেন্দ্ৰবিন্দু হৈ পৰিব। **

# শনি গ্ৰহ


লীনা দাস
পঞ্চম যান্মাসিক


আমাৰ সৌৰজগতখন সূৰ্যৰ লগতে আঠোটা গ্ৰহ আৰু সিহঁতৰ উপগ্ৰহসমূহ, গ্ৰহাণুপুঞ্জ, উল্কা, ধুমকেতুৰ দৰে অসংখ্য মহাজাগতিক বস্তুক লৈ গঠিত। সৌৰজগতৰ গ্ৰহসমূহ হ'ল- বুধ, শুক্ৰ, পৃথিৱী, মংগল, বৃহস্পতি, শনি, ইউৰেনাচ, নেপচুন আৰু প্লুটো। প্লুটোক এতিয়া গ্ৰহ হিচাপে স্বীকৃতি দিয়া নহয়। প্লুটোক বাওনা গ্ৰহ হিচাপেহে স্বীকৃতি দিয়া হৈছে। উল্লেখযোগ্য যে প্ৰায় ৪৫৫০ মিলিয়ন বছৰ পূৰ্বে সৌৰজগতৰ সৃষ্টি হৈছিল।

সৌৰমণ্ডলৰ ষষ্ঠ গ্ৰহ হৈছে শনি। আকাৰৰ ফালৰ পৰা ইয়াৰ স্থান বৃহস্পতিৰ পিছতে। ইয়াৰ বিষুৱীয় ব্যাস প্ৰায় ১,১৯,৮৪০ কিল'মিটাৰ। শনিয়ে নিজ কক্ষত এবাৰ ঘূৰিবলৈ ১০ ঘণ্টা ৩৯ মিনিট ৩০ ছেকেণ্ড সময় লয়। সেইদৰে সূৰ্যক এবাৰ প্ৰদক্ষিণৰ বাবে ইয়াক সময় লাগে ২৯.৪৬ বছৰ। শনি গ্ৰহটোৰ বিশেষত্ব হ'ল ইয়াক আগুৰি থকা আঙুঠিবোৰ। এইবোৰ আদ্যন্ত সৌৰমণ্ডলৰ এক বিস্ময়। এই আঙুঠিবোৰ বৰফ আৰু শিলেৰে গঠিত।

শনি গ্ৰহটো গোটমৰা জুলীয়া হাইড্ৰ'জেনেৰে গঠিত। গ্ৰহটোৰ অন্তৰ্ভাগত কি আছে এই কথা এতিয়াও জানিব পৰা হোৱা নাই। কিন্তু ই সৌৰমণ্ডলৰ আটাইতকৈ কম ঘনত্বৰ গ্ৰহ। গ্ৰহটো ইমানেই পাতল যে আনকি পানীতো ওপঙি থাকিব বুলি বিশ্বাস কৰা হৈছে।

শনি গ্ৰহৰ উপগ্ৰহৰ সংখ্যা ৬২ টা। তাৰেই কেইটামান হ'ল- টাইটান, মিমাছ, ডায়ন, এনচেলা, ডুছ, টেথিছ, হাইপেৰিয়ন, ফ'বে, কেলিপছো, আইপিটাছ, ফ'ব, য়্যমিৰ, পালিয়াক, ছিয়াৰনাক, টাৰভ'জ, কিভিউক, ইজ্জিৰাক, থিম, স্কাডি, মুন্দিলফাৰি, ইৰিয়াপো, এলবিঅ'ৰিক্স, ছুটটাং S2003S1, S2004S আদি।

১৯৯৭ চনৰ অক্টোবৰ মাহত 'কেছিনি' নামৰ এখন মহাকাশযান শনি অভিমুখে উৎক্ষেপণ কৰা হৈছে। ২০০৪ চনৰ জুন মাহত ই শনিৰ একেবাৰে ওচৰ চাপে। কেছিনিয়ে শনিৰ বলয়, ইয়াৰ বায়ুমণ্ডল আৰু উপগ্ৰহসমূহৰ বিষয়ে পুংখানুপুংখ অনুসন্ধান চলায়। **






# গল্প শিতান



# মৃত্যুশয্যা



**স্মৃতি মালাকৰ**
তৃতীয় ষান্মাসিক

"হেল্ল"

"ছাৰ আপোনাক চিকিৎসালয়ত বিছৰা হৈছে।"

"কিয়?"

"এজনী ছোৱালীৰ জৰুৰী অস্ত্ৰোপচাৰ কৰিবলগীয়া হৈছে।"

ক্ষন্তেক পিছত চিকিৎসকজনে খৰখেদাকৈ হাস্পতালত প্ৰৱেশ কৰিলে। দুৰ্ঘটনাগ্ৰস্থ হৈ অস্ত্ৰোপচাৰ কক্ষত থকা ছোৱালীজনীৰ প্ৰেমিকে চিকিৎসকজনক কিয় দেৰি হ'ল বুলি প্ৰশ্ন কৰাত চিকিৎসকজনে ক'লে- "ধৈৰ্য ধৰক, সকলো ঠিক হৈ যাব। মই চিকিৎসালয়ত নাছিলো। সেইকাৰণে অলপ দেৰি হ'ল।" এইবাৰ সেই যুৱকজনে বেছি উত্তেজিত হৈ ক'বলৈ ধৰিলে- "কি? ধৈৰ্য ধৰিব লাগে। এই মুহূৰ্তত মোৰ দৰে আপোনাৰ কোনোবা যদি তাত থাকিলহেঁতেন আপুনি ধৈৰ্য ধৰিব পাৰিলেহেঁতেন? আপোনাৰ নিজৰ পত্নী মৃত্যুশয্যাত থাকিলে কেনে লাগিব এবাৰ কল্পনা কৰক।" চিকিৎসকজনৰ চকু দুটা সেমেকি উঠিল। আৰু যুৱকজনক ঈশ্বৰৰ ওপৰত ভৰষা কৰি ৰাখিবলৈ কৈ অস্ত্ৰোপচাৰ কক্ষত সোমাল। দুই-তিনিঘণ্টামান পিছত তেওঁ এক সন্তুষ্ট মনেৰে ওলাই আহি যুৱকজনক ক'লে- "ঈশ্বৰে আপোনাৰ প্ৰেমত কৃপা দৃষ্টি ৰাখিছে। আপোনাৰ কিবা প্ৰশ্ন থাকিলে নাৰ্চক সুধিব পাৰে।" কথাখিনি কৈ চিকিৎসকজন পুনৰ হাস্পতালৰ পৰা ওলাই গ'ল। যুৱকজনে নাৰ্চগৰাকীক সুধিলে- "তেওঁ ইমান অহংকাৰী কিয়? ৰোগীৰ বিষয়ে কোনো কথা ক'বলৈ তেওঁৰ সময়ৰ অভাৱ।" এইবাৰ অশ্ৰুসিক্ত নয়নেৰে নাৰ্চগৰাকীয়ে উত্তৰ দিলে- "আজিৰ পৰা এমাহ আগত ছাৰৰ বিয়া হৈছিল। আৰু কালি এটা পথ দুৰ্ঘটনাত ছাৰৰ পত্নীৰ মৃত্যু হ'ল। আপোনালোকৰ অস্ত্ৰোপচাৰৰ বাবে মাতি পঠিওৱাৰ সময়ত ছাৰ শ্মশানতে আছিল। এতিয়া অস্ত্ৰোপচাৰ সুকলমে সম্পন্ন হোৱা বাবে তেওঁ দৌৰাদৌৰিকৈ সৎকাৰ কাৰ্য সম্পন্ন কৰাৰ বাবে পুনৰ শ্মশানলৈ গ'ল।" **

## কুইজ

সংগ্ৰাহক- **গগন দাস,** পঞ্চম ষান্মাসিক

১। কুইজ শব্দটোৰ অৰ্থ কি?
— কি বা কোন

২। কোষৰ আৱিষ্কাৰক কোন?
— ৰবাৰ্ট হুক

৩। পানী নোখোৱা একমাত্ৰ প্ৰাণী বিধৰ নাম কি?
— কোৱালা

৪। অক্সিজেনৰ আৱিষ্কাৰক কোন?
— জোচেফ প্ৰিষ্টলি (ইংলেণ্ড)

৫। হেলিকপ্টাৰৰ আৱিষ্কাৰক কোন?
— এটাইন ই. মাইকেল

৬। ট্ৰেক্টৰৰ আৱিষ্কাৰক কোন?
— হল্ট

৭। বেলুনৰ আৱিষ্কাৰক কোন?
— মণ্টগ্লফাৰ (আমেৰিকা)

৮। চাহপাতৰ বৈজ্ঞানিক নাম কি?
— কেথেলিয়া চাইনেছছ

৯। মাখিৰ গড় আয়ুস কিমান?
— প্ৰায় দহদিন

# ছোৱালীৰ জীৱন কাহিনী

অঞ্জলী বৰ্মণ
তৃতীয় ষান্মাসিক

"বোৱাৰী, অ' বোৱাৰী, মাতি আছোঁ যে শুনিছনে নাই?"

"অ' মা, মোক মাতিছিল নেকি?" অ' মাতিছিলোঁ। ডাক্তৰে কি ক'লে, ল'ৰা সন্তান হ'বনে ছোৱালী সন্তান হ'ব বুলি কৈছে? কি হ'ল কিবা সুধি আছোঁ যে শুনিছনে নাই।

"মা, ছোৱালী সন্তান হ'ব বুলি কৈছে।" "কি? এইবাৰো ছোৱালী সন্তান হ'ব বুলি কৈছে। মোৰ বংশৰ চাকি কোনে জ্বলাব? এইটো সন্তান মই এই পৃথিৱীলৈ আহিব নিদিওঁ। এতিয়াই ব'ল ডাক্তৰৰ ওচৰলৈ এই সন্তানটো গৰ্ভপাত কৰোৱাম।"

"মা, আপুনি কি কৈছে পৃথিৱীলৈ নাহোতেই, এই ফুলকুমলীয়া দেৱশিশুটোক মই কেনেকৈ গৰ্ভপাত কৰাম। এইটো জানো ভগৱানে সহ্য কৰিব।"

"ভগৱানৰ ভয় দেখুৱাব নালাগে, তোক কৈছো নহয় এতিয়াই ব'ল। মোৰ বংশ ৰক্ষাৰ বাবে ল'ৰা সন্তানহে লাগিব ছোৱালী সন্তান নহয়।" "কিন্তু মা, আপুনি মই ক'লেই ল'ৰা সন্তান পাম জানো?" "তোক কৈছো নহয় ব'ল, এতিয়াই ব'ল ডাক্তৰৰ ওচৰলৈ।"

"মা আৰু আইতা তোমালোকৰ কি হৈছে, ইমান চিঞৰ বাখৰ কিয় কৰি আছা।" "তই এইবোৰ কথাত কাণ দিব পৰা হোৱা নাই, তই ভিতৰলৈ যা।" "তোমালোকে যদি মোক সঁচা কথাটো নোকোৱা তেনেহ'লে মই ক'লৈকো নাযাওঁ।" "ইমানেই যদি শুনিবলৈ মন আছে তেনেহ'লে শুন- তোৰ মা আকৌ গৰ্ভৱতী হৈছে আৰু তহঁত তিনিওজনীৰ নিচিনা এইবাৰো ছোৱালী সন্তান হ'ব বুলি ডাক্তৰে কৈছে। সেইকাৰণে মই তোৰ মাক গৰ্ভপাত কৰোৱাম।"

"কি? আইতা আপুনি জানেনে গৰ্ভস্থ সন্তানৰ লিংগ পৰীক্ষা কৰা আৰু ভ্ৰূণ হত্যা কৰাটো আইনমতে দণ্ডনীয় আৰু ইয়াৰ পৰা আপোনাৰ জেইল হ'ব পাৰে।"

"কি?" জেইল।" "হয় আইতা আপোনাৰ জেইল হ'ব পাৰে। আপুনি নিজেই এগৰাকী নাৰী হৈ নাৰীৰ দুখ নুবুজিলে আন কোনে বুজিব? বৰ্তমান ভাৰত চৰকাৰেও নাৰীক সন্মান জনাই "বেটী বচাও বেটী পঢ়াও" শ্লোগান দি সমাজত সজাগতা বৃদ্ধি কৰিছে। দেশৰ বহুকেইগৰাকী নাৰীয়ে পুৰুষৰ সমানে সমানে আগবাঢ়ি গৈ দেশৰ নাম বিশ্বৰ বুকুত উজ্বলাই তুলিছে। যেনে- কল্পনা চাওলা, মেৰীকম, হিমা দাস, ফ্ল'ৰিণা গগৈ আৰু বহু কেইগৰাকী নাৰীয়ে দেশক নেতৃত্ব দি আগবাঢ়ি গৈছে। আপুনি নিবিচাৰে নেকি আইতা, আপোনাৰ নাতিনীয়েও ভৱিষ্যতে পঢ়ি-শুনি ডাঙৰ মানুহ হৈ দেশৰ নাম লগতে আপোনাৰ বংশৰ নাম বিশ্বৰ বুকুত উজ্বলাই তোলক বুলি।"

"তই ঠিকেই কৈছ নাতিনী, বোৱাৰী পাৰিলে মোক ক্ষমা কৰি দিবি। মোৰ মনত সোমাই থকা বহু পুৰণি চিন্তা আজি নাতিনীয়ে মনৰ পৰা দূৰ কৰিলে আৰু এই ডাঙৰ ভুলবোৰৰ পৰা মোক ৰক্ষা কৰিছে। মোৰ চাৰিওজনী নাতিনীয়ে ভৱিষ্যতে পঢ়ি-শুনি ডাঙৰ হৈ দেশৰ নাম, লগতে বংশৰ নাম বিশ্বৰ বুকুত উজ্বলাই তোলক।"

ল'ৰাতকৈ ছোৱালী কোনোগুণেই কম নহয়। ল'ৰা-ছোৱালীয়ে সমান অধিকাৰ পাব লাগে। **



# বন্ধুত্ব প্ৰেমৰ উৰ্দ্ধত



নিকুমণি দাস
প্ৰথম ষান্মাসিক

ৰাহুল, সমীৰণ, শিখা আৰু কৃষ্ণা চাৰিওটিৰ মাজত ভাল বন্ধুত্ব। সিহঁত বৰ্তমান কটন কলেজৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী। সিহঁতৰ সেই বন্ধুত্ব পঞ্চম শ্ৰেণীৰ পৰা। ভাল বন্ধুত্ব মানে একেবাৰে কলেজলৈ অহা, ক্লাছ কৰা, আড্ডা মৰা, চিনেমা চোৱা, পাৰ্কলৈ যোৱা ইত্যাদি যেন সিহঁতৰ দৈনন্দিন কাৰ্য। দিনবোৰ এনেদৰে হাঁহি স্ফূৰ্তিৰে পাৰ হৈ গৈছিল। কিন্তু কেইদিনমানৰ পৰা যেন কমি গৈছে। কথাটো শিখাই অলপ লক্ষ্য কৰিছিল। কিন্তু চাৰিওৰে ভিতৰত তাই আটাইতকৈ বেছি আবেগিক আছিল। হয়তো পৰীক্ষা আহি থকাৰ বাবেও হ'ব পাৰে। ইহঁত তিনিওটা কিজানি পৰীক্ষাৰ কথাটো ছিৰিয়াছলি লৈছে। ভালেই হৈছে, হুমুনিয়াহ কাঢ়ি শিখাই ক্লাছলৈ সোমাই গ'ল। যিহেতু শিখাৰ ঘৰ ওচৰতে। সেয়েহে তাই খোজকাঢ়িয়ে অহা-যোৱা কৰে আৰু সিহঁত তিনিওটা বাছেৰে অহা-যোৱা কৰে।

'কিহে বন্ধুহঁত, তোমালোকক চোন আজিকালি দেখা নাপাওঁ, ক'ত থাকানো? শিখাই তিনি বন্ধুক উদ্দেশ্য কৰি কথাষাৰ ক'লে।

— "নাই এনেয়ে নহয় দিয়া, পৰীক্ষাৰ কাৰণে দুয়ো পঢ়িবলৈ আৰম্ভ কৰিছে চাগে।"

"উহ্, পৰীক্ষাৰ কথা নক'বা দেই, পৰীক্ষাৰ কথা শুনিলে মোৰ মূৰ বিষাই যায়।" ৰাহুলে অলপ ধেমেলীয়া সুৰত ক'লে।

— "হ'ব, হ'ব সেইবোৰ বাদ দিয়া। কেণ্টিনলৈ যাওঁ ব'লা। বৰ ভোক লাগিছে।" সমীৰণে প্ৰস্তাৱ দিলে।

এনেকৈ আকৌ সিহঁতৰ বন্ধুত্বৰ শিকলিডাল আৰু মজবুত হৈ গ'ল। কিন্তু সমীৰণে আজিকালি শিখাক বেলেগ দৃষ্টিৰে চাব ধৰিছে। শিখাক তাৰ আগতকৈ বেছি ভাল লগা হৈছে। কেনেকৈ ক'ব নোৱাৰে। তাৰ শিখাৰ প্ৰতি প্ৰেম হৈ গ'ল। কিন্তু সি কাকো এই কথা ক'ব নোৱাৰে কিজানি সিহঁতে তাক স্বাৰ্থপৰ বুলি ভাবে। আচলতে সি স্বাৰ্থপৰ নহয়। সমীৰণৰ ভয় হৈছিল যে যদি সিহঁত চাৰিটাৰ সেই বন্ধুত্বৰ মাজত তাৰ প্ৰেম হেঙাৰ ৰূপে থিয় দিয়ে। সি ভাবিলে যে মইতো জনাৰে পৰা শিখাক ভাল বান্ধৱী বুলিহে ভাবিছিলো। তেনেক্ষেত্ৰত শিখাৰ ওচৰত প্ৰেম নিবেদন কৰাটো জানো ভাল কথা হ'ব। শিখা মোৰ ভাল বান্ধৱী আৰু সদায় ভাল বান্ধৱী হৈয়ে থাকক। মই প্ৰেমৰ প্ৰস্তাৱ দি আমাৰ বন্ধুত্বৰ শিকলি ডাল চিঙি নেপেলাও। কাৰণ মই বিশ্বাস কৰো যে "প্ৰেমতকৈ বন্ধুত্বৰ শিকলি ডাল বেছি মজবুত"। এইটো মোৰ জীৱনৰ ডাঙৰ সত্য যে মই শিখাক বহুত ভাল পাওঁ।

এদিনাখন ক্লাছ কৰি থাকোতে শিখা মূৰ ঘূৰাই বাগৰি পৰিল। ততাতৈয়াকৈ তাইক হস্পিতাললৈ নিয়া হ'ল। গধূলি ৰাহুল আৰু সমীৰণে খবৰ ল'বলৈ গৈছিল। কৃষ্ণাই কিন্তু সিহঁতৰ লগত যোৱা নাছিল। কিয়নো তাই কলেজৰ পৰা শিখাৰ লগত হস্পিতাললৈ গৈছিল। সেই সময়ত শিখাই বিছনাত বহি সিহঁতৰ চাৰিওটি একলগে উঠা ফটোবোৰ চাই চাই কান্দি আছিল। সিহঁত অহাৰ খবৰ পাই তাই লৰালৰিকৈ চকুপানী মচি সিহঁতৰ লগত কথা-বতৰা পাতিব ধৰিলে। কিন্তু সমীৰণৰ মনত কিবা এটা ভাব হ'ল যেন তাই ভিতৰত বহু কষ্ট পাই আছে, কিন্তু বাহিৰত হাঁহি আছে। সমীৰণে কিন্তু বিশেষ একো নাভাবি, একো নুসুধি দুয়ো বন্ধু উভতি আহিল।

শিখাই ১৭ দিনমান কলেজলৈ অহা নাছিল। ইফালে সমীৰণে শিখাক নেদেখি চিন্তিত হৈ পৰিল। এনেতে শিখাৰ সমীৰণলৈ ফোন আহিল- "সমীৰণ, মই তোমালোকক লগ পাব বিচাৰো।" সমীৰণে সুধিলে- "তুমি ইমান দিন কলেজলৈ কিয় অহা নাই আৰু তোমাৰ ফোনটোৰ নো কি হৈছে?" তাই বিশেষ একো নকৈ ক'লে- "গধুলি বশিষ্ঠ মন্দিৰৰ সন্মুখত লগ পাম।"

নিৰ্দিষ্ট সময়ত সিহঁতে তাইক লগ পালে। তাই সিহঁতক উদ্দেশ্য কৰি ক'লে- "বন্ধুহঁত, মই যদি হঠাতে পৃথিৱীৰ পৰা গুচি যাওঁ, তোমালোকে মনত ৰাখিবানে মোক?" কৃষ্ণাই ক'লে, "তুমি পৰীক্ষাৰ বাবে পঢ়ি পঢ়ি পাগলটো হোৱা নাই।" শিখাই থোকাথুকি মাতেৰে ক'লে, "নহয় কৃষ্ণা, মই তোমালোকৰ বান্ধৱী হৈ মাত্ৰ কেইটিমান দিনৰ বাবেহে আছোঁ।" সমীৰণে শিখাক উদ্দেশ্যি ক'লে, "অনুগ্ৰহ কৰি কি ক'ব খুজিছা ভালকৈ কোৱা।" শিখাই কান্দি কান্দি ক'লে, "সিদিনা হস্পিতালত ডাক্তৰে চাই কৈছে যে মোৰ লিভাৰ বৰ দুৰ্বল। মই যিকোনো মুহূৰ্ততে.... কিন্তু তোমালোকৰ দৰে বন্ধু তিনিজনক মই যে এৰি যাব নোখোজো। এইখিনি কৈ শিখা দৌৰি গ'ল।

সমীৰণে দুখত ভাগি পৰিল। সি কাৰো লগত কথা-বতৰা নপতা হ'ল। আনকি ৰাহুল আৰু কৃষ্ণাৰ পৰাও দূৰে দূৰে থকা হ'ল। এদিন ৰাহুল আৰু কৃষ্ণাই নিজে সমীৰণক লগ ধৰিলে আৰু তাক ক'লে যে সাতদিন পিছত শিখাক দিল্লীৰ হস্পিতাললৈ নিয়া হ'ব অস্ত্ৰোপচাৰৰ কাৰণে। সমীৰণ কিন্তু নিমাত। ৰাহুলে সমীৰণক তাৰ কি হৈছে সুধিলে। সিহঁত দুয়ো বহুত জোৰ কৰাৰ ফলত সমীৰণে সকলো কথা ক'লে লগতে সেইকথা শিখাক জনাবলৈ বাধা দিলে। ৰাহুল আৰু কৃষ্ণাই সমীৰণক যিমান পাৰে কেৱল সান্ত্বনা দিলে।

যথাসময়ত শিখাক দিল্লীলৈ নিয়া হ'ল। যোৱাৰ সময়ত তিনিও বন্ধুৱে বিদায় জনালে। সম্পূৰ্ণ দুমাহ পিছত শিখা সুস্থ হৈ উভতি আহিল। বহুদিনৰ মূৰত নিজৰ ঘৰখন দেখি আনন্দিত হ'ল। পিছদিনা ৰাতিপুৱাতে বন্ধু-বান্ধৱী তিনিজনক লগ পাবৰ বাবে ওলাই গ'ল। ৰাস্তাত গৈ থাকোতে তাই ৰাহুল আৰু কৃষ্ণাক লগ পালে। সিহঁতে তাইক লগ কৰিবৰ বাবে আহি আছিল। "কিহে বন্ধু ইমান দিনৰ মূৰত লগ পালো কি খবৰ? আৰু সমীৰণ ক'ত?" শিখাই সুধিলে। "আমাৰ ভালেই তোমাৰ? কৃষ্ণাই থোকা-থুকি মাতেৰে ক'লে।" কিন্তু ৰাহুলে একো নকৈ কেৱল কান্দিবলৈ ধৰিলে। শিখাই তাইৰ অনুপস্থিতিত কি হৈছে সুধিলে? তেতিয়া ৰাহুলে ক'লে- 'সমীৰণ মানে'। "কিমান মানে মানে কৰি আছা সমীৰণ ক'ত ভালকৈ নোকোৱা কিয়?" "সমীৰণক আৰু লগ নোপোৱা শিখা। সি আমাৰ পৰা বহুত দূৰলৈ আঁতৰি গ'ল। যাৰপৰা পোৱা লিভাৰৰ বাবে তুমি আমাৰ সন্মুখত আছা সেয়া সমীৰণৰ। কিন্তু তোমাক লিভাৰ দান কৰাৰ পাছতেই সি আৰু জীয়াই নাথাকিল।"

শিখাই নিজৰ চকুত হাত দিলে আৰু উচুপি উচুপি উঠিল- "সি কিয় এনেকুৱা কৰিলে"?

শিখাই চিঞৰি উঠিল- "সমীৰণ, তুমি কিয় মোক এবাৰ নজনালা? কিয় এনেকুৱা কৰিলা? কিয় কিয়...." **

সংগ্ৰাহক ঃ হিমাশ্ৰী বৈশ্য, পঞ্চম যান্মাসিক

## সাঁথৰ

১। পিটিকিলে ভাঙে, দলিয়ালে নাভাঙে।
— ভাত

২। ওপৰৰ পৰা পৰিল চিলা, গোটে গোটে মানুহ গিলা।
— চোলা

৩। গীত গায়, কথা কয়, মানুহ-দুনুহ কোনো নাই।
— ৰেডিঅ'

৪। ডেকা কালত আকাশ চোৱা, বুঢ়া কালত তলমুৱা।
— বাঁহ

৫। বুঢ়ী ঘৰৰ ভিজা কোঠা, সেইখন নহ'লে ডাঙৰ লেঠা।
— জিভা

৬। চিৰলে চিৰাল পাত, তাত খাব নোৱাৰি ভাত,
পেটপেটীয়া গুটি, আঞ্জা খাবলৈ বৰ জুতি।
— অমিতা

৭। পানী আছে মাছ নাই, হাবি আছে বাম নাই।
— নাৰিকল

৮। উপি উপি উপি বাটত আছে চুপি?
— চিনা জোক

৯। চাৰি ভায়েকৰ দুটাৰ পেট কটা আৰু দুটাৰ কাণ কটা।
— শালৰ খুঁটা।





# নীলা খামৰ চিঠি

# নীলা খামৰ চিঠি




মনজিৎ দাস
পঞ্চম ষান্মাসিক




মৰমৰ নু,

বহুত দিনৰ মূৰত তোমালৈ লিখিছোঁ। হয়তো মনত খুন্দুৱাই থকা কথাবোৰ নিলিখাকৈ থাকিব নোৱাৰিলোঁ। নাজানো চিঠিখন ডাকোৱালে পোৱাই নে নোপোৱায়। আশা কৰো তুমি কুশলে আছা। মই জানো তুমি যে এতিয়া বহুত ব্যস্ত। সময়বোৰ সলনি হৈ গ'ল। 'আমি' বুলি কোৱা কথাবোৰ এতিয়া তুমি আৰু মই হৈ গ'ল। এটা কথা কি জানা তুমি মোৰ জীৱনত যেতিয়া বজ্রপাত পেলাই লৈ গ'লা। তেতিয়াৰ পৰাই নিশাবোৰ পাৰ কৰিবলৈ বৰ কঠিন হৈ পৰিছে। কোঠাটোৰ শূন্যতাত কেৱল তোমাৰ স্মৃতিবোৰে বৰকৈ আমনি কৰেও নু। নিজৰ মিছা হাঁহিৰে সকলোকে বুজাব বিচাৰো মই সুখত আছো। মোৰ দুখবোৰৰ কাৰণ তোমাক নিদিও। হয়তো এইয়া মোৰ কপালৰে দোষ। তোমাক কম কম বুলি বহুত কথাই থাকি গ'ল। তোমাৰ মনত আছেনে নু, আমি যে ফোনত কথা পাতিছিলো নিশাৰ আকাশৰ জোনটিলৈ চাই। তুমি যে কৈছিলা, "মই তোমাৰ জীৱনত নিশাৰ জোনটিৰ দৰে পোহৰ বিলাই থাকিম।" কিন্তু সেইবোৰ কথা এতিয়া মনত পৰিলে ভাব হয় তুমি মোৰ জীৱনলৈ পোহৰ বিলাবলৈ নহয় অন্ধকাৰ নমাবলৈহে আহিছিলা।

তোমাৰ এতিয়াও মোৰ কথা মনত পৰেনে? জানিবলৈ মন যায় নে মই কেনেকৈ জীয়াই আছো ধেই কি যে ভাবি আছো তুমি এতিয়া সাংসাৰিক। তুমি কুশলে থাকা নু। মাত্র জানিবলৈ মন যায় তুমি মোক কিয় প্ৰতাৰণা কৰিলা। উত্তৰ পাম বুলি আশা থাকিল। তোমাৰ প্ৰতি মোৰ কোনো ক্ষোভ নাই। সুখত থাকা।

ইতি-
তোমাৰ মৰমৰ
'নীলাভ'

# নীলা খামৰ চিঠি



জিন্তীমণি চৌধুৰী
প্ৰথম ষান্মাসিক

মৰমৰ জুন,

মৰম ল'বা। আজি বহুদিনৰ মূৰত মোৰ মনৰ কিছু কথা, কিছু অনুভৱ তোমালৈ প্ৰকাশ কৰিম বুলি কলমটো হাতত তুলি লৈছোঁ। আশা কৰোঁ তুমি ভালে আছা। মোৰনো আৰু কি... আছো দিয়া জীৱন বাটত সপোন হেৰুৱা এজন দিক্‌ভ্ৰান্ত পথিকৰ দৰে।

মই জানো, আজি তোমাৰ সুখৰ সময়ত মই আমনি কৰিছো। তুমি এৰি যোৱাৰ দিনাখনে তোমাৰ সকলো মৰম-ভালপোৱা মোৰ পৰা আঁতৰি গৈছিল। আজিকালি মোৰ ঠাই ক'ত জানা? নৈৰ পাৰত, আলিৰ দাঁতিত আৰু জানানে, আজিকালি মোৰ এগৰাকী নতুন জীৱনসংগী হৈছে। নামটো ক'লে খং কৰিবা নেকি? জানো তুমি নকৰা, তাইৰ নাম হ'ল 'মদিৰা'। হাঃ হাঃ হাঃ...। হাঁহিটো কিহৰ বাবে মাৰিছো জানা এই যে নিজকে মদিৰাত বিলীন কৰি এটি মিছা হাঁহি লৈ জীয়াই আছো।

জান, অ জান। তোমাৰ মনত নপৰেনে সেই আগৰ কথাবোৰ? মোক কিন্তু সেই কথাবোৰে বাৰুকৈয়ে আমনি কৰে। সেই যে তুমি আমাৰ নঙলা মুখেৰে সদায় টিউচনলৈ অহা-যোৱা কৰিছিলা। এটি মিচিকিয়া হাঁহি মাৰি মোৰ কলিজাখন কাঢ়ি নিছিলা। তোমাৰ সঁহাৰিতে দুয়োয়ে দুয়োকে গোটেই জীৱন একেলগে থকাৰ প্ৰতিশ্ৰুতি দিছিলো।

এতিয়া চাগে মোতকৈ বেছি হেণ্ডচাম ল'ৰা এজন পালা, শুনিছো ল'ৰাজন বোলে চাকৰিয়াল! হওঁক দিয়া কিমান নো এইবোৰ কথা কৈয়ে তোমাক আমনি কৰিম....

বিশেষ নিলিখো দিয়া আৰু একো। যদিও তুমি মোৰ নহ'লা যাৰ স'তে আছা সুখত থাকা তুমি।

ইতি-

তোমাৰ ব্যৰ্থ প্ৰেমিক

জান





# নীলা খামৰ চিঠি

নিকুমণি কলিতা
প্ৰথম ষান্মাসিক

মৰমৰ,

তোমালৈ একাঁজলি মৰম যাচিলোঁ। আজি তোমালৈ দু-আযাৰমান কিবা লিখিম বুলি ভাবিছিলোঁ। বহুদিনৰ পৰা বুকুত খুন্দিয়াই থকা কেইটামান কথা ভগাবলৈ যে কোনো নাছিল। অনুভৱ কৰিছো বাৰে বাৰে 'প্ৰিয়জন'ৰ অৰ্থ। পিছে তোমালৈনো লিখিম কি? আলোড়নৰ এই পৃথিৱীখনৰ প্ৰতিটো শব্দই যেন আজি আধৰুৱা। হেঁপাহৰ শেৱালি ফুলবোৰ দোকমোকালিতেই বুটলি আঁচলত ৰাখি থৈছোহি। কিজানি তোমাৰ কোমল পদচিহ্ন দুৱাৰডলিত পাওঁ, শেৱালিবোৰ খোজে খোজে নিগৰি যাওঁক আৰু ...... আৰু আমাৰ সপোনৰ পঁজাটি তাৰ সুগন্ধিৰে বিয়পি পৰক। আচলতে কি জানানে, আশাবোৰ সযতনে ৰাখিবলৈ তুমিয়েই শিকাই লৈ গৈছিলা। স্মৃতিবোৰ পাহৰিবলৈ তুমিয়েই মানা কৰিছিলা, আৰু চোৱাচোন, আজি মই তোমাৰ কথাবোৰ আখৰে আখৰে পালন কৰিছোঁ। হৃদয়ৰ সমস্ত আজিৰ পৰা পাঁচটা বছৰৰ আগতেই তোমালৈ অৰ্পণ কৰিছিলোঁ। আমি দুয়ো কিমান যে হাঁহিছিলো, নহয়নে?

এই ক্ষণত তোমালৈ যাচিবলৈ শুভ কামনাৰ বাহিৰে যে একোৱেই নাই। কেৱল বৈ আছো বগা সাজযোৰ পিন্ধি বাৰাণ্ডাৰ এচুকত পদূলিলৈ ভুমুকি।

ইতি-

তোমাৰ 'নিকু'

# নীলা খামৰ চিঠি



বৰষা খাটনিয়াৰ
প্ৰথম ষান্মাসিক

প্ৰিয় তোমালৈ,

জাপি জাপি সাঁচি ৰাখিছো তোমাৰ নামত অশেষ সপোন। কেতিয়াবা সপোনতে দেখো সপোনবোৰ বাঢ়ি আহে.... গজি উঠে ...... পাতৰ দৰে সেউজীয়া আৱৰণ লয়। নিজকনো আৰু কিমান ফাঁকি দিব। বেথাবোৰ কেৱল তোমাৰ বাবে... তোমাৰ বাবে। বৰ সহজ ভালপোৱা কিন্তু.... কিন্তু বৰ কঠিন সময়। সময়বোৰ মৰে জীয়ে নতুবা ধোঁৱা হৈ বুকুত কুণ্ডলী পকায়।

ক'ম বুলিও তোমাক কাষলৈ অহাৰ কথা নক'লো। নতুবা ক'ম ক'ম বুলি ভবা কত কথা বুকুতেই হেৰুৱালো। নিজৰ হাতত হাত থৈ মাথো সপোন দেখিলো। জীয়াই থকাৰ জোখাৰে মোৰ হাতত সপোন এটিও গুজি নিদিলা। মইতো কোনো কবিতাৰ নায়িকা নহয়। কলমৰ ঠোঁটেৰে বুকুৰ ভাষা নিগৰাবলৈ।

ইতি-

তোমাৰেই

'মই'

# নীলা খামৰ চিঠি

দীপামণি বৰ্মণ

মৰমৰ সোণ...

কেনে আছা? আশা কৰো তোমাৰ ভাল। হিয়াৰ আকুলতাৰে লিখা মৰমবোৰ ল'বা। আজি তোমালৈ বৰকৈ মনত পৰিছে। তোমাৰ সেই মৰমলগা চকুজুৰিয়ে মোক এতিয়া বাৰুকৈয়ে আমনি কৰে। নেদেখাজনৰ কৃপাত তুমি নিশ্চয় বহুত ভালে আছা। আগে-পিছে দেখাৰ দৰে সেই তিনি আলিটোত সিদিনা মই তোমাক দেখিছিলো। তুমি খাই থকা চিগাৰেটটোৰ অৱশিষ্টখিনি যেতিয়া মাটিত পেলাই মোহাৰি দিছিলা; তেতিয়া মোৰ বুকুৰ বিষটো আকৌ উজাই আহিছিল; উশাহবোৰো চুটি হৈছিল। তেনেকৈয়ে এদিন তোমাৰ জীৱনৰ পৰা মোকো মোহাৰি পেলাইছিলা। অজানিতে হোৱা ভুলবোৰৰ বাবে মোক ক্ষমা কৰিবা। তোমাৰ দুচকুত মই কেতিয়াও চকুপানী চাব নোৱাৰো বাবে, তোমাৰ চকুপানীবোৰ মোৰ চকুত জাপি লৈছো; এতিয়া তুমি মাথো সদায় হাঁহি থাকিবা। এদিন যে তুমি কৈছিলা তুমি মোৰ বাবে বিশেষ, মইকিন্তু তোমাক মোৰ মনৰ মাজত সদায় বিশেষ কৰি যে ৰাখিছো, আৰু তুমি? শেষত তোমালৈ এটা অনুৰোধ তুমি য'তে থাকা সুখত থাকা।

ইতি-

তোমাৰ অস্তিত্বহীন প্ৰেমিকা

# নীলা খামৰ চিঠি



সুপ্ৰিয়া কলিতা
চতুৰ্থ ষান্মাসিক

মৰমৰ সোণ,

স্বপ্নৰ মৰাসুঁতিত প্ৰাণৰ আপোন এপাহ গোলাপৰ সুবাসেৰে মোৰ হৃদয়ৰ সমস্ত আবেগ উজাৰি দিয়া মৰম গ্ৰহণ কৰিবা। কি জানা সোণ, সকলোৱে যে কয় 'প্ৰেমৰ বাট নহয় সহজ', কথাটো মিছা নহয়। কিয়নো, হৃদয় বুলিবলৈ এতিয়া মাথোঁ আছে কাঁইটীয়া স্মৃতি? সময়ৰ চাকনৈয়াত প্ৰতিশ্ৰুতিহীন মনটোৰ অবাধ গতি। তোমাৰ প্ৰতি থকা বিষণ্নতাই মোৰ জীয়াই থকাৰ স্বপ্ন। মগজুৱে কয় তুমি আৰু কেতিয়াও ঘূৰি নাহা। কিন্তু মনটোৱে বাৰে বাৰে কয় জানা সোণ যে তুমি এদিন হ'লেও মোৰ ওচৰলৈ ঘূৰি আহিবা। এতিয়া মোৰ জীয়াই থকাৰ একমাত্ৰ সম্বল হৈছে তোমাৰ প্ৰতি থকা মৰম আৰু ভালপোৱা। জীৱনত আছে বহুতো আশা, তাৰ মাজত আছে কিছুমান বিশেষ, তাতে আছে তোমাৰেই ছবি সোণ। অতীত সুঁৱৰা সেই দিখৌ নৈৰ পাৰত স্বপ্নৰ উকা বালিৰে তোমালৈ গোটেই জীৱন অপেক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিছো তোমাক সোণ।

এতিয়া মাগিছো বিদায় সোণ। যদি তুমি সঁহাৰি নজনোৱা এই বিদায় হ'ব পাৰে চিৰবিদায়।

ইতি-

তোমাৰ

'ধুনু'



# নীলা খামৰ চিঠি



ফাল্গুনী পাঠক
পঞ্চম ষান্মাসিক

প্ৰিয়া

মৰমৰ মোৰ

প্ৰেমেৰে হৃদয় ভৰালো। প্ৰণয়েৰে সপি দিলো জীৱন তোমাক। হেঁপাহৰ হৃদয়ত তুমি মোৰ বাবে চিনাকি অচিনাকি মাদকতা। তোমাতেই মোৰ মৰম। সেয়েহে মোৰ মন তোমাতেই মগন।

বহুদিনৰ মূৰত তোমালৈ বৰকৈ মনত পৰিছে। সেয়েহে কলমটো হাতত লৈ নিলিখাকৈ নোৱাৰিলো। তুমি মোক যি অবিশ্বাস কৰি মোৰ হৃদয়ৰ পৰা আঁতৰি আছা সেই কথা মনত পৰিলেই মোৰ মনটো এতিয়াও উচুপি উঠে। হেঁপাহৰ ৰঙীণ বেলুনটো মন আকাশত উৰুৱাই দিলে হয়তো কেতিয়াবা ই ফুটি যায়। ঠিক তেনেকৈ মোৰ জীৱনৰ এক অধ্যায় তুমি। তথাপিও শেষ আশাৰে লিখিছো বুজি পাবা বুলি।



বহুত ভাল পাইছিলো তোমাক। মোৰ হৃদয়ৰ প্ৰতিটো নিভাঁজ কোণত তুমিয়েই আছা। কিন্তু তুমি কিয় মোক কোৱা অভিনয় কৰা বুলি। অভিনয় নহয় এয়া অভিমান। নহ'লেনো তোমাৰ লগত শামুক বগুৱাদি থাকিলোহেঁতেননে? এয়া তোমাৰ ওচৰত মৰমৰ আবদাৰ। তুমি আকৌ উভতি আহিবানে? মোৰ জীৱনলৈ।

তুমি ভালপোৱা আকাশ। আকাশ বিশাল। সাগৰো বিশাল। তাতকৈ বিশাল তোমাৰ নাৰী হৃদয়। মই ভাবো নিশ্চয় তুমি মোক বুজি পাবা। মই তোমাৰ বাবে অপেক্ষা কৰিম প্ৰতিদিন প্ৰতি পল। তুমি আহিলে ফুলনি বাৰীৰ ফুলবোৰ আকৌ ফুলিব আৰু তাৰ ওপৰত ভোমোৰাই গুণগুণাই আমাৰ প্ৰেমৰ গান গাব। বাৰু বেছিকৈ লিখি তোমাক আমনি নকৰো। তোমাক আকৌ ঘূৰাই পোৱাৰ আশাৰে-

ইতি-

তোমাৰ মৰমৰ

'মন'

# নীলা খামৰ চিঠি




প্ৰকাশ বৰ্মণ
চতুৰ্থ ষান্মাসিক




হিয়াৰ আমঠু,

বহুদিন বিৰতিৰ পিছত চিয়াঁহিৰে ভৰা কলম এটি লৈ শুকান, নিৰস এখিলা বগা কাগজৰ সঁহাৰি বিচাৰিছোঁ। জানোছা দুখবোৰ পাহৰি ৰঙৰ দলিছাখনত এবাৰ টোপনি যাব পাৰো! আজি আমাৰ প্ৰেমৰ ৫০ বছৰ পূৰ্ণ হ'ল। এই দিনটোতেই [illegible] চকুত আমাৰ অন্তৰৰ মিলন হৈছিল। যি মিলন [illegible] পিঠিক আৰুনো কিমান স্পৰ্শ নালাগিল। যা হওঁক, ইতিহাসৰ [illegible] কৰিম। তোমাৰ মনত আছেনে? সেই যে স্কুলৰ চতুৰ্থ শ্ৰেণীৰ ভঙা খিৰিকিখনত আমি দুয়োটা হাতে হাত ধৰি ৰজা-ৰাণী হোৱাৰ সপোন দেখিছিলো। সঁচাকৈ তোমালোকৰ বাৰীৰ বগৰী জোপাৰ বগৰী 'কেইটা' টেঙা। হয়তো তোমাৰ মনত নাই। সেইকাৰণেই হয়তো মোক অভিমান কৰি চকুৰ আঁতৰ হ'লা।

তোমাৰ মৰমে মোক এতিয়াও বৰকৈ আমনি কৰে জানা! সেই যে স্কুলৰ প্ৰথম দিনটো। গেটৰ সন্মুখত মোৰ চকুত চকু থৈ সঁহাৰি জনাইছিলাঁ। যাৰ বিনিময়ত মই কলিজা খোৱা বেঁকা হাঁহি এটি মাৰিছিলো। সেয়াই আমাৰ প্ৰথম স্পন্দন। যাৰ লহৰে আজিও মোৰ হৃদয়ত ঝংকাৰ তোলে। তোমালৈ বুলি .....

তাঁতশালত বুটা বছা ফুলাম গামোছাখন এতিয়াও ৰঙ [illegible] পুষ্প ৰোৱা নাই। তোমাৰ অপেক্ষাতেই দুখনি গালত ফাঁকু [illegible] নাই, মাথোন তোমাৰ বাবে কপালত ৰঙা সূৰুয বোলোৱা নাই [illegible] কিজানি? তুমি মোৰ মনোৰথ পূৰণ কৰিবলে উভতি আহাইঃ[illegible]

ও মৰম তুমি হৃদয়ত বৰ দকৈ এটুকুৰা ঘাঁ দি গলাও। [illegible] ওপৰত মলম লগাবলৈ কোনোৱেই নাই। নাজানো ঘাঁ টুকুৰা [illegible] মোক কেতিয়া ক্লান্ত কৰিব। ঘাঁ টুকুৰা এতিয়া ডাঙৰ হৈছে। [illegible] মোক মাজে মাজে আই বুলি মাতে। শেষত তোমালৈ মোৰ হিয়া [illegible] ভৰা মৰম থাকিল...

মৰমেৰে

তোমাৰ

কেঁচা

কলিজা



# নীলা খামৰ চিঠি




ৰাখিমণি দাস
চতুৰ্থ ষান্মাসিক


মৰমৰ গুণ,

স্বপ্নৰ মৰাসুঁতিত প্ৰাণৰ এপাহ খৰিকাজাঁইৰ সুৱাসেৰে মোৰ হৃদয়ৰ আৱিগ্ৰহ গ্ৰহণ কৰিবা। হৃদয় বুলিবলৈ আজি মাথো কাঁইটীয়া স্মৃতি। সময়ৰ চাকনৈয়াত প্ৰতিশ্ৰুতিহীন মনটোৰ অবাধ গতি। তোমাৰ প্ৰতি থকা বিষণ্ণতাই মোৰ জীয়াই থকাৰ স্বপ্ন। মগজুৱে কয় তুমি হয়তো ঘূৰি নাহিবা কিন্তু মনটোৱে বাৰে বাৰে কয় তুমি এদিন হ'লেও মোৰ ওচৰত আহিবা। জীয়াই থকালৈকে থাকিব তোমাৰ প্ৰতি অনাবিল মৰম আৰু ভালপোৱা। এতিয়া আৰু মই পোহৰ ভাল নাপাওঁ আৰু ভাল নাপাওঁ জোনাক আৰু ভাল নাপাওঁ অতীত সুঁৱৰা সেই মুনাই নৈৰ পাৰৰ স্বপ্নৰ উকা বালিচৰ। তোমালৈ গোটেই জীৱন অপেক্ষা কৰাৰ প্ৰতিশ্ৰুতিৰে।

ইতি-

তোমাৰ মুনু

# নীলা খামৰ চিঠি


ভনীতা ডেকা
ষষ্ঠ ষান্মাসিক


প্ৰিয়তম,

উন্মাদ উমাল মোৰ হৃদয়ৰ মৰমবোৰ কাগজৰ টুকুৰাতেই পঠাইছোঁ। তোমাক দেখাৰে পৰা মোৰ হৃদয়ে পাহ মেলিছে কুমলীয়া কুঁহিপাত। মোৰ দেহ-মন চুই গৈছে এজাক ফিৰফিৰিয়া বতাহে। এই বতাহ জাকৰ পৰশত সঁচাকৈ প্ৰতিনিয়ত তোমাৰ কথাই মোৰ মনলৈ আহে। তুমি মোৰ পৰা আঁতৰি অহা দিনৰ পৰা মই প্ৰতিমুহূৰ্তত মৰি মৰি জীয়াই আছো। উশাহ লোৱাটোক যদি জীয়াই থকা বুলি কয়, তেন্তে মই জীয়াই আছো এটি জীৱন্ত মৰাশ'ৰ দৰেই... দুখৰ নিজৰা নাথাকিলে সুখৰ চৰাইজনীয়ে ক'ত আহি জিৰাবহি...। দুখ আছে বাবেইতো সুখৰ উপলব্ধি কৰিব পাৰি....

মই আজীৱন তোমাৰ সপোনৰ ৰাজকুমাৰী হৈ জীয়াই থাকিব বিচাৰিছো অন্ততঃ তুমি মোৰ বিদায় বেলাৰ এই অন্তিম ইচ্ছাক বাধা নিদিবা। তুমি মোৰ নোহোৱা মই কিন্তু আজিও তোমাৰেই হৈ আছো।

শেষত একাঁজলি ভালপোৱাৰে হিয়াৰ মৰম যাঁচি আজিলৈ আৰু ইয়াতেই সামৰিছোঁ।।।

ইতি-

তোমাৰ আজন্ম প্ৰেমিকা



# নীলা খামৰ চিঠি



প্ৰিয়াংশু গোস্বামী
ষষ্ঠ ষাণ্মাসিক



মৰমৰ

কলিজাৰ এফাল,

তোলৈনো কি লিখিম অ' মৰমবোৰ দেখোন দিখৌ নৈখনৰ দৰেই আৱৰি আছে। তথাপি এয়া কাপটিৰে কিছু মৰমৰ কলিজাৰ কেঁচা তেজেৰে সানি সৰাপাতৰ বোকোচাত বান্ধিছো। কেনে আছ তই বুলি নুসুধো দে আজি তোৰ খবৰ ল'বলৈ মোৰ এতিয়া যে সৎ সাহসকণ নাই। তই নাকান্দিবি না, কান্দিলে তোৰ কাজলবোৰ বেয়া হ'লে আগতে মই কি কৈছিলো মনত নপৰেনে? খঙো নকৰিবি খঙতে ৰঙা পৰি যোৱা পলাশৰ দৰে গাল দুখনি লৈ মোৰ ভয় লাগে। ৰঙাবোৰলৈ বৰ ভয় লাগে অ' মোৰ। মনত পৰেনে কেতিয়াবা তোৰ কৃষ্ণচূড়া তলিৰ বেঞ্চখনিত মোৰ বাবে অপেক্ষা কৰি থাকিলে মই যে মনে মনে আহি তোৰ গালখনিত চিকুটি দিছিলো চিঞৰি উঠিছিলি তই। দুঃখ পাইছ বুলি আকৌ লগে লগে মোৰ ওঁঠজুৰি জিৰাবলৈ দিছিলো তোৰ ৰঙা দুগালত। সেই সকলো এতিয়া বৰ পুৰণি অ'। আপোন সময়বোৰে বিশ্বাসঘাতকতা কৰিলে মোৰ লগত। মৰমবোৰে জোনাক নিশা উমলিবৰ পৰতে অমানিশাৰ এন্ধাৰে বিয়পাই পেলালে চৌপাশ। প্ৰতিশ্ৰুতিবোৰ হেৰাই থাকিল। ইমান মৰম কিয় কৰিছিলি বাৰু তই অবিহনে সকলো শূন্য। অৱশ্যে ভাল লগা বুলি ক'লে তোৰ মোৰ চেনেহৰ প্ৰতীক ৰূপ পোনাটিয়ে থুনুক-থানাককৈ এটি দুটি কথা ক'বলৈ লৈছে। তোক বিচাৰি যেতিয়া সি কান্দি কান্দি হাঁহাকাৰ কৰে তেতিয়া নিজকে অপৰাধীৰ দৰে লাগে। মোৰ মৰমৰ পৰীক্ষা তই এনেকৈ ল'বি বুলি মই কল্পনা কৰিব পৰা নাছিলো। এই কঠিন সময় মই অকলে অতিবাহিত কৰিব পাৰিম বুলি কেনেকৈ ভাবিলি। আমাৰ পোনাটিক পঢ়াই শুনাই ডাঙৰ মানুহ কৰাৰ দায়িত্বৰ প্ৰতি তই কিয় অৱহেলা কৰিলি? তথাপি নাভাবিবি মই নোৱাৰিম বুলি আমাৰ পোনাক মই বহুত ডাঙৰ মানুহ সজাম। কেৱল তোৰ বাবে। হ'বদে আজিলৈ সামৰিছোঁ।

ইতি-
তোৰ
কেঁচা সোণ



# কবিতা শিতান

# সন্ধান



**বিদিশা ৰয়**
পঞ্চম ষাণ্মাসিক

এই জোনাক ৰাতি
ভাবিছোঁ তোমাৰ কথা।
আছানে তুমি বাৰু এই জগতত ?
য'ত আছে তোমাৰ নাম,
প্ৰকৃতিৰ প্ৰতিটো জীৱনৰ মনত।
হে মায়াবী,
তোমাৰেই সৃষ্টি এই জগতখন,
প্ৰকৃতিৰ প্ৰতিটো বস্তুতে
সনা আছে তোমাৰ নাম।
হিয়াৰ মন্দিৰ মেলি থোৱা সত্বেও,
আজিলৈকে পোৱা নাই তোমাৰ দৰ্শন
পোৱা নাই তোমাৰ আশিস,
এই জোনাক ৰাতি।
হে প্ৰভু, কৰিছোঁ তোমাক মিনতি
দিয়া তোমাৰ আশিস, এই জগতখনক,
দিয়া প্ৰভু জ্ঞান মানুহক
যিয়ে ধ্বংসলৈ ঠেলি আছে তোমাৰ এই সৃজনক।
কান্দিছে প্ৰকৃতিৰ প্ৰতিখন হৃদয়ে
কিন্তু গলা নাই মানুহৰ এই কঠোৰ হৃদয়খন,
কেৱল মানুহৰ স্বাৰ্থৰ বিনিময়ত
তোমাৰ সৃজন আজি.....।। **

# সোঁৱৰণ



**জিনিশ্ৰী ডেকা**
প্ৰথম ষাণ্মাসিক

তোমাৰ কথাকেই ভাবি
আজি কান্দিছো উচুপি উচুপি
এদিন হাঁহিছিলো অকলে অকলে তোমাৰ সঁহাৰি পাই।
ভাবিছিলো সদায় থাকিবা মোৰ জীৱনৰ আশিস নিৰ্মালি বুলি
আগুৱাই নিছিলা মোক জীৱনৰ পথত মিচিকিয়া হাঁহি মাৰি
দুখ-দুৰ্গতি সকলোবোৰ নেওচি গৈছিলো আগবাঢ়ি
সেইবোৰ যে মিছা আছিল মোৰ মনে আজিও নুবুজে।
অনুভৱ কৰিছিলো তুমি দিয়া উৎসাহ-উদ্দীপনা
আৰু প্ৰেৰণা এই সকলোবোৰ
মোৰ জীৱনৰ উন্নতিৰ আহিলা।
আজি তোমাৰ কথাকেই সুঁৱৰি চকুলো সৰিছে
নিগৰি নিগৰি।
মোৰ হৃদয়ৰ বাজি থকা বীণখনিৰ তাঁৰ গ'ল যেন ছিঙি
আজি তুমি মোক এৰি গ'লা যে আঁতৰি।
আছোঁ যে মই আন্ধাৰ উপত্যকাত তোমাকে সুঁৱৰি। **

# আত্মাৰ বিলাপ

# তুমি বিহীন এই জীৱন



জিন্তীমণি চৌধুৰী
তৃতীয় ষান্মাসিক

হৃদয়ৰ দুৱাৰখন বন্ধ কৰি
উচুপি উচুপি কান্দি
তোমাৰ উপস্থিতি আশা কৰিছোঁ;
কিজানিবা তুমি আহাই .....

সংগবিহীন এই জীৱনত
তোমাক কাষত বিচাৰিছোঁ,
কলিজাৰ ঢপ্‌ঢপনি শুনিবলৈ
তোমাৰ বুকুত
মোৰ মূৰ থ'ব বিচাৰিছোঁ,
অনুভৱ কৰিব বিচাৰিছোঁ
তোমাৰ হৃদয়ৰ স্পন্দন,
তোমাৰ মৰম।

এতিয়াও আছো তোমাৰ অপেক্ষাত
এটি মিঠা হাঁহিৰ মাজত
এটি আশা লুকাই
কিজানিবা তুমি আহাই .... **



জিনিশ্ৰী ডেকা
প্ৰথম ষান্মাসিক

দিঠকৰ সপোনত
আশাৰ ৰেঙণি দেখি
বালিঘৰ নে ধূলিঘৰ
পলে পলে ভাঙে
ক্ষণে ক্ষণে খহে।

ধুমুহাই নকৰে যে অপেক্ষা
কাৰো বাবেই
দিঠকৰ সপোন
বাস্তৱৰ হুংকাৰ
কিনো পালি আজি
দিঠকৰ মান। **



# ক'ভিড- ১৯



মদুস্মিতা ডেকা
প্ৰথম ষান্মাসিক

বন্ধ দুৱাৰৰ অন্ধ কোঠাত
কোনোবাই হিয়া ভাগি কান্দিছে।
ই মাথোঁ ভাঁহি আহিছে এন্ধাৰ নিশা
বৈ থকা পুৱতি বিহীন নৈৰ সোঁতৰ দৰে।
চৌদিশে হাঁহাকাৰ মাথোঁ হাঁহাকাৰ!
সমগ্ৰ বিশ্ব ছানি ধৰিছে কাল অমানিশাই।
সেই নিতাল মৰা এন্ধাৰৰ স'তে
ক'ভিড নাইনটিনে
বিভীষিকাময় হাঁহিৰে
কৰিছে তাণ্ডৱ নৃত্য।
নিঃশেষ কৰিবলৈ লৈছে মানৱ জাতি
সাৰি যোৱা নাই ৰজা কিম্বা প্ৰজা।
শংকিত আজি বিশ্ব
শংকিত মানৱ জাতি
শংকিত বিজ্ঞান
নাই কোনো পৰিত্ৰাণ।
হে জগতদাত্ৰী প্ৰকৃতি
বিশ্ববাসী মুক্তি ক্ষুধাৰ তাড়ণাত
শত শত আশাৰে আছেহি বৈ
তুমি দিয়া ইয়াৰ পৰিত্ৰাণ।
কাল অমানিশাৰ এন্ধাৰ গুচাই
বিজ্ঞানত দিয়া পৰিত্ৰাণৰ ছাবিকাঠি
হওঁক এই ক'লা অধ্যায়ৰ অৱসান। **

# তুমি তুমি লগা সেই বৰষুণজাক



জিন্তীমণি চৌধুৰী
প্ৰথম ষান্মাসিক

আজি দেখোন বৰষুণজাক
আকৌ আহিছে,
তুমি তুমি লগা সেই সুবাসৰ সৈতে
কিন্তু আজিতো তুমি
মোৰ লগত নাই।
কিন্তু, তথাপিও বৰষুণজাক মই ভালপাওঁ
দুহাত মেলি দুবাহুৰে হৃদয়ৰ তিক্ততাবোৰ
বৰষুণত ধুই পেলাও বাবে
বৰষুণ মই ভালপাওঁ।
বৰষুণজাকৰ প্ৰতিটো স্পৰ্শই তোমাক
অনুভৱ কৰোৱাই,
প্ৰতিটো টোপালতে তোমাৰ কোমল হাতৰ
স্পৰ্শ অনুভৱ কৰোৱাই।
কিন্তু, তুমিও আজিকালি
বৰষুণজাকৰ দৰেই হৈ পৰিলা
কিছু সময়ৰ ভাললগা
গোটেই জীৱনৰ মিঠা অনুভৱৰ সৈতে.... ! **

# এজাক ৰিমজিম বৰষুণ



বৰষা শৰ্মা
তৃতীয় যান্মাসিক

মোৰ প্ৰিয় স্বপ্নীল আকাশখনৰ নীলাভ বৰণটো
কজলালৈ পৰিবৰ্তিত হৈ আহে,
এটোপ এটোপকৈ নামি আহে এজাক বৰষা।
ধৰাৰ বুকুত সেই বৰষুণৰ জিঞ্জিৰিত তালত
তাল মিলাই নাচি উঠে নীলচৰাইয়ে।
এজাক ভোমোৰাৰ প্ৰাণোচ্ছল গুণগুণ গানে
মুখৰিত কৰে সেউজ চৌপাশ।
প্ৰকৃতিক নোৰাবলৈ নামি অহা বৰ্ষাৰ টোপালবোৰে
মিতিৰ পাতে পুষ্প পাপৰিৰ সৈতে।
হৰিৎৰঙী পত্ৰৰ কোলাত নাচি নাচি পৰিৱেশন
কৰে পুৰাতন নৃত্যকলা।
তাৰৰৰ শুভ্ৰাচলক বিদায় জনাই নামি আহোঁতে
হয়তো সিহঁতৰ মনবোৰ বেদনাগধুৰ হৈ পৰে,
নীলবৰণীয়া আকাশখনৰ উচুপনিক ভেটা দিবলৈ
ঈশ্বৰে নিজহাতে গঢ়ি সজাই দিয়ে এখন ৰামধেনু।
সাতোৰঙীৰ উজ্জ্বল বৰ্ণই আকাশৰ মুখত
এটি হাঁহি আঁকি দিয়ে।
বিৰহত ক্ৰন্দনৰত ৰঙা বেলিটো ওলাই আহে,
মুখত এমোকোৰা হাঁহি লৈ;
সেই হাঁহিটো একেই সময়তে পৃথিৱীতো ফুটি উঠে
বৰষুণজাকৰ বাবে কৰ্মক্ষেত্ৰলৈ যাবলৈ অপাৰগ
কিছু দিনহাজিৰা কৰা মানুহৰ মুখত।। **



# বৰষুণ
## এটি জীপাল কবিতা

নয়ন শৰ্মা
প্ৰথম যান্মাসিক

এই পৃথিৱীৰ কঠিন বুকুত
নাজানো ক'ৰপৰা আহিল বৈ
সৰগৰ মধুৰসৰ অমৃত ধাৰা।
এই ধাৰাৰ প্ৰতিটো টোপালে
যেন কৰিলে বসুন্ধৰাক অতিকৈ সুন্দৰ।
যেন প্ৰতিটো টোপালত আছে
এক শান্তিৰ কবিতা।
যিয়ে প্ৰত্যেকজন মানুহৰ মনলৈ
বোৱাই আনে সুন্দৰতা।
এই শান্তিৰ কবিতাটো যেন,
যেন এটা সুখময়, সুন্দৰ
আৰু শান্তিৰ এটা জীপাল কবিতা। **



# বৰষুণ



মনজিৎ দাস
পঞ্চম যান্মাসিক

বৰষুণ, তুমি মৰ্ত্যলৈ নামি আহা,
সেউজীয়া ধাননি পথাৰখনে
তোমাৰ বাবে,
অধীৰ আগ্ৰহেৰে অপেক্ষা
কৰি আছে।
তোমাৰ পৰশ পালে যেন
পথাৰখনে
জীপাল হৈ উঠিব,
সেউজীয়াবোৰ যেন
আৰু সেউজীয়া হৈ পৰিব।
তুমি নামি আহা বৰষুণ।
তোমাৰ পৰশ পাই হয়তো
এদিন ধানবোৰে কলি পেলাব
আৰু এদিন হয়তো
ই সোণালী হৈ পৰিব
আৰু কৃষকৰ শ্ৰম
সাৰ্থক কৰিব।
তুমি নামি আহা বৰষুণ। **



# হেঁপাহ



বৰষা খাটনিয়াৰ
তৃতীয় যান্মাসিক

জোনাক ৰাতি আবেগ সনা দুচকুত তোমাৰ প্ৰতিচ্ছবিয়ে
মোৰ মানসপটত বৰকৈ দোলা দিছে
নাজানো তুমি মোৰ কিমান দূৰৰ লগৰী
তথাপি মোৰ হৃদয়ত তোমাৰ বাবে থোৱা আছে
আছুতীয়া দলিছা পাৰি।
হৃদয়ৰ যেন নিজান কোণত
তুমি তুমি লগা অনুভৱে বৰকৈ আমনি কৰে
মোৰ অবুজন মনটোক,
তুমি জানো বুজি পোৱা মোৰ মনৰ বেথা!!
কত হিয়াভঙা কান্দোন তুমিতো নুবুজা
সপোনবোৰ যেন সপোন হৈয়ে ৰ'ব
বাস্তৱে যেন চিঞৰি মাতিব
তুমি তুমি লগা অনুভৱে যেন
মোৰ মনটোক আকৌ এবাৰ আমনি কৰিব। **

# নাৰী



দীপিকা শীল
তৃতীয় যান্মাসিক

'নাৰী' কেৱল সৰু শব্দ হৈ ৰৈ আছে আজি,
নিজৰ দেশত নিজৰ ঘৰত অস্বাধীন,
অসুৰক্ষিত নাৰী আমি।
চোকা দাৰ ঘাপৰ বলি হৈছে আজি
নন্দিতা শইকীয়াৰ নিচিনা বহুতো নাৰী।
নাৰীৰ কৰুণ কাহিনী কোনেও নুবুজে আজি।
হাজাৰ হাজাৰ নাৰী নিজ দেশত
ধৰ্ষণৰ বলি হৈ অভিশপ্ত জীৱন কটাইছে।
নাৰী আজি নিজ স্বামীৰ ঘৰত সুৰক্ষিত নহয়।
স্বামীৰ নিৰ্যাতন সহ্য কৰিও ভাগ্য বুলি জীয়াই আছে
আজিৰ যুগৰ নাৰী।
নাৰী আজি অবলা, দুৰ্বলা হৈ পৰিছে নেকি?
ক'ত সেই নাৰী শক্তি, ক'ত সেই নাৰীৰ জয়গান?
চোৱা চকু মেলি চাৰিওফালে আজি নাৰী শক্তিক
অন্ধকাৰে আৱৰি ধৰিছে।
জাগি উঠা নাৰী শক্তি!!
জাগি উঠা!! **



# অনুভৱ



প্ৰীতিস্মিতা কলিতা
তৃতীয় যান্মাসিক

শীতৰ নিয়ৰবোৰ
কেৱল পানী বুলি নাভাবিবা,
তাতো লুকাই আছে
আশাবাদী পৃথিৱীৰ বিষাদ।
প্ৰেম অথবা সঁচা মৰমবোৰ
সৰা পাত বুলি নাভাবিবা,
কাৰণ,
সৰাপাতৰ দুখ তুমি নুবুজা
হিয়াখন কঠোৰ বুলি নাভাবিবা,
তাত সকলোৰে নাম লিখিব নোৱাৰি
সঁচা মৰম ভালপোৱাবোৰ
সাঁচি ৰখা এখন বিশাল সাগৰ।
কাৰোবাৰ হিয়া আৰু সাগৰৰ নীলাভবোৰ
য'ত কেৱল কেঁচা কলিজাৰ,
ৰঙীণ তেজেৰে লিখিব পাৰি
অকল প্ৰিয়জনৰ নাম।
"অনুভৱ মাথোঁ তোমাৰ বাবে" **



# জীৱনৰ ৰং



নিকুমণি কলিতা
চতুৰ্থ যান্মাসিক

আজি দোকমোকালিতে শুনা পালো
এক অচিন পখীৰ চিনাকী যেন লগা
এটি সুৰ...
সেউজী আভাৰ মাজতে বিয়পি পৰিছে
তাৰ প্ৰতিটো স্পন্দন...
নাজানো, কিয় জানো আজি
বিচাৰিব লৈছো হেৰোৱা ৰংবোৰ....!
মোৰ হৃদয়ৰ সমস্ত বেদনা, হৰ্ষবোৰ
ঢালি দিব খুজিছোঁ
পখীটিৰ স্পন্দনৰ মাজে মাজে ... টৌৰে
টৌৰে...
বুকুৰ মাজত অহৰ্নিশে পুহি ৰখা
টুকুৰা টুকুৰ ৰংবোৰ বুটলি,
পাৰিম জানো পুৰণি ৰামধেনুখন সাজিবলৈ?
নাই! পৰিবৰ্তন কেৱল সময়েই নহয়
পৰিবৰ্তন হয় মনবোৰো...
পৰিবৰ্তন হয় ৰংবোৰো!
জীৱন চাগে এনেকুৱাই,
চিনাকী ৰংবোৰো এদিন হেৰাই যায়।
পখীটিৰ চিনাকী সুৰটো ক্ৰমাৎ নিঃশেষ হোৱাৰ দৰেই। **

# সংগ্ৰামী সত্বা



প্ৰিয়াংশু গোস্বামী
ষষ্ঠ যান্মাসিক

ক্ৰমাৎ ঘন হৈ অহা সন্ধ্যাটিয়ে
ৰাতিৰ কুমলীয়া পল্লৱটিক চুমিছিল,
জোনাকবোৰ চাৰিওপিনে ছিটিকিছিল...
ফটা কামিজটোৰে তাই ৰুগ্ন শৰীৰটিক
ঢাকিবলৈ অসমৰ্থ!
চহৰৰ ৰাজ অট্টালিকাবোৰত
জীৱন উদ্‌যাপনৰ হৰ্ষোল্লাস।
ঠেঁটুৰৈ লগা কুঁৱলীৰ চাদৰে
দশোদিশ আৱৰিছে চহৰখন,
যান্ত্ৰিকতাৰে ভৰা এই চহৰখনে তাইক চিনি নাপায়...
জীৱনৰ ৰংবোৰ যে বৰ কঠিন,
কত যে চকুপানী শুকাল....
কিমান যে সংগ্ৰামী!
তাইৰ জীৱন তথাপি থমকি নৰয়,
অসহায় নহয় তাই
তাইৰ গৰ্ভত,
নৱ প্ৰস্ফুটিত গোলাপটিৰ দৰে
বাঢ়িছে, পিতৃহীনা পোনাটি....।। **

# সংগ্ৰাম এক জীৱনৰ ৰং



প্ৰকাশ বৰ্মন
ষষ্ঠ ষান্মাসিক

ৰামধেনুৰ ৰঙেৰে ফাঁকু খেলা সময় আৰু নাই....
সময়ৰ কলীয়া ডাৱৰে সমস্ত হ্ৰাস কৰিলে
ধূলিময় এই ধৰাত আৰুনো কিমান?
কিমান বিচাৰিম সেই জীৱনৰ ৰং।
সময়ে হেনো সকলো কৈ যায়?
সঁচাকৈ! ৰাঙলী বেলিৰ হেঙুলীয়া আভাৰে
অন্তৰৰ নিভৃত কোণত সাঁচ বহুৱাই যায়
অচিন বাটলৈ....
হৃদয়ৰ মাজত এক অবুজ ঝংকাৰ
আহ! ৰবকৈ বিয়াইছে ঔ.....
এয়া যেন বিপ্লৱৰ ৰঙা ঘোঁৰাৰ
পাহুৱাল তাণ্ডৱ।
জীৱনৰ বিশাল হেন্দোলনি যেন...
যেন! বাৰিষাই হে ঢেৰেকণি তুলিছে।
অবুজ বিপ্লৱৰ সংঘাতৰ ৰং বিচাৰি
কাঁইটীয়া বাটত উজুটি খাই
তেজৰ চেঁকুৰা বৈছে।
সংঘাতে বিপ্লৱৰ ৰণশিঙা বজাই
জীৱনৰ ৰঙেৰে ৰঙৰ ফাঁকু খেলিছে।
এয়া যেন এক নৱজীৱনৰ কলধ্বনি
যাৰ সোঁতত খৰস্ৰোতা ধাৰেও...
নতশিৰে নমামি জনাইছে
এয়া যেন জীৱনৰ ৰং
এয়া যেন সংঘাতৰ ৰং।। **



# জীৱনৰ ৰং



সুপ্ৰিয়া কলিতা
চতুৰ্থ ষান্মাসিক

জন্মিয়ে আৰম্ভ কৰিছিলো
জীৱনৰ মাৰাথন দৌৰ,
কত পালো কত হেৰুৱালো
অন্তহীন এই যাত্ৰা।
তোমাক নোপোৱাৰ বেদনা
হৃদয়ত কঢ়িয়াই ফুৰা,
অফুৰন্ত মৰমৰ বৰষুণজাক
কত হেৰাল সেই স্মৃতিবোৰ?
সময়ৰ চাকনৈয়াত স্মৃতিবোৰো
নোহোৱা হৈ থাকিব নেকি?
দিখৌ নৈৰ পাৰত বহি ব্যতীত কৰা সময়ৰ
মাদকতা আজি আৰু নাই।
কিন্‌কিনিয়া বৰষুণজাকৰ পিছত হোৱা
ৰামধেনু দেখাৰ পিছত,
কেনেকৈনো আবেগবোৰ ধৰি ৰাখো
হেৰাই থাকিল নেকি মোৰ জীৱনৰ ৰংবোৰ?
জীৱন জীৱন তুমি বৰ অনুপম;
সময়ৰ মায়াজালত ক'ত,
লুকাই থাকিলা তুমি জীৱন
সময়ৰ চাকনৈয়াত ক'ত হেৰাল
মোৰ জীৱনৰ ৰং? **





# আধৰুৱা প্ৰেম



মনপ্ৰীত পৰাশৰ
পঞ্চম ষান্মাসিক

তোমাক দেখিলো প্ৰথম
বহুত মানুহৰ মাজত
সেইদিনাৰ পৰাই তোমাৰ
কথা ভাবিলো
তুমি নজনাকৈ।
তোমাক বিচাৰো বহু দূৰ-দূৰণিত
ক'তো বিচাৰি নাপাওঁ
তোমাৰ সেই সুন্দৰ মুখখনি
কেতিয়াবা তোমাক বিচাৰি নাপাই
হাবাথুৰি খাওঁ
মই ভাবো
তুমি আহিছিলা নেকি? স্বৰ্গৰ দেৱদূত হৈ
মোৰ জীৱনলৈ,
হঠাতে উৰা মাৰি গুচি গ'লা
মোৰ জীৱনৰ পৰা। **

# মোৰ মৃত্যুৰ পিছত



জিন্টু খাটনিয়াৰ
পঞ্চম ষান্মাসিক

মোৰ মৃত্যুৰ পিছত
তুমি নাকান্দিবা,
নিতৌ তুমি মোৰ
কবৰৰ ওচৰলৈ যাবা।
তাৰ কাষত
এজোপা কৃষ্ণচূড়া ৰুবা,
যিদিনা কৃষ্ণচূড়াৰ ফুল ফুলিব
সিদিনা তুমি তাৰ তলত বহিবা
মোৰ কথা ভাবিবা;
তুমি শুনিবা
এটি অচিনাকী চৰাইৰ মাত
সেই মাতৰ সুৰত মোক বিচাৰিবা
তেতিয়া অনুভৱ কৰিবা;
তোমাৰ নিচেই ওচৰত মই
মোৰ সৈতে মনৰ কথা কবা,
তেতিয়া সৰি পৰিব
কৃষ্ণচূড়াৰ ফুল
এটা এটাকৈ তোমাৰ আৰু মোৰ গাত
বতাহে লৈ আনিব
সেই ফুলৰ সুবাস।
তাত থাকিব কাৰোবাৰ ভালপোৱাৰ পবিত্ৰতা।
সেই সুবাসে বিচাৰিব
কাৰোবাৰ মৰম, ভালপোৱা।
সেয়ে মোৰ মৃত্যুৰ পিছত
তুমি....।। **

# শব্দ ভালপোৱা মইজনী


পিংকি দাস
তৃতীয় ষান্মাসিক




শব্দ ভালপাওঁ মই,
ভালপাওঁ এই পৃথিৱীখন
য'ত নেকি মৌন শব্দবোৰে, মৌন ভাষাৰে
বুজাই যায় বহু অব্যক্ত শব্দগাঁথা
এই শব্দবোৰৰ মাজতে বিচাৰি পাওঁ
অজান শান্তি, মৰম ভালপোৱা
শব্দবোৰেই সপোন সজায়, দিঠক দেখায়
কাল্পনিক মনটোৱে শব্দবোৰৰ মাজেৰে
জীৱন গঢ়ায়.....
শব্দৰে সৃষ্টি হয় বহু গল্প, কাহিনী
য'ত নেকি প্ৰস্ফুটিত হয়
বহু বাস্তৱ ঘটনা.....
শব্দৰে লুকুৱাব পাৰি বহু দুখ বেদনা
শব্দৰেই সজাব পাৰি হাঁহিৰ ৰহঘৰা
নিসংগ সময়ৰ একান্ত লগৰী এই শব্দবোৰ
য'ত নেকি বেবেৰিবাং অনুভৱবোৰে
প্ৰাণ পাই উঠে....
সেয়ে ভালপাওঁ শব্দৰ পৃথিৱীখন। **

# অনুভৱ




সৌৰভ তালুকদাৰ
প্ৰথম ষান্মাসিক


প্ৰতিটো ৰাতি জীয়াই থাকে
পুৱাৰ হেঙুলী কিৰণলৈ
প্ৰতিটো দগ্ধ দুপৰীয়া
শীতল পৰে জোনাকৰ শুভ্ৰতাত
হুমুনিয়াহবোৰ বৈ আছে
এপলক আশাত মূৰ্চ্ছা যাবলৈ
সুখৰ অনাবিল আকাংক্ষাত
পাহি মেলা সপোনবোৰ বৈ আছে
ঠুনুকা হৃদয় জুৰাবলৈ
খৰাং পথাৰৰ বুকুত
শাওণে বোৱাই দিয়ে
বৰষাৰ ঢল,
সিঁচি দিয়ে সেউজীয়াৰ মুক্ত আৱৰণ
স্তব্ধ সমাজৰ বিপন্ন সময়ত
আমিও বৈ আছো এজাক দোবালপিটা বৰষুণলৈ
পাহাৰ বগাই নামি আহক
এটি প্ৰজ্বলিত ঢল
উটুৱাই লৈ যাওঁক
বিষাক্ত দেহৰ, ব্যভিচাৰী কণিকা
ধুৱাই দিয়ক, ধৰ্ষিতা পৃথিৱীৰ
শৰবিদ্ধ সময়ক
ধ্বনিত হওঁক শঙ্খৰ নিনাদ
প্ৰস্ফূটিত হওঁক
ৰঙিয়াল সূৰুযৰ এমোকোৰা হাঁহি। **

# অনুৰাধা




প্ৰাণজিৎ দাস
পঞ্চম ষান্মাসিক




কি খবৰ অনুৰাধা? বহুদিন দেখো তোৰ খবৰেই নাই?
সেই যে তোক সৰস্বতী পূজাৰ দিনা
কলেজৰ সন্মুখত ৰাঙলী হৈ থকা
কৃষ্ণচূড়া জোপাৰ তলত লগ পাইছিলো....।
মনত আছেনে তোৰ?
বহুদিন হ'ল নহয় কলেজ বন্ধ হোৱা...
তই চাগে মোক পাহৰিয়ে পেলাইছ।
সেইদিনা কিন্তু তোক ৰঙা ৰঙৰ ৰিহা জোৰেৰে
বৰ ধুনীয়া লাগিছিল।
সঁচাকৈয়ে বহুত ধুনীয়া তই....।
সেই কাৰণেইতো কলেজৰ ল'ৰাবোৰ তোৰ বাবে পাগল।
যেতিয়া ক্লাছ নাথাকে তেতিয়া তোৰ অপেক্ষাত মই
সেই ৰাঙলী কৃষ্ণচূড়া জোপাৰ তলত বহি থাকোঁ।
আৰু তেতিয়া মোক জোকায়....
বাকী মোৰ বন্ধু কেইজনে
আৰে ভাই তোৰেই দিন .....
আমাকনো আৰু ক'ত পাত্তা দিবি?
তোৰ অনুৰাধা আহি গ'ল যেতিয়া।
হয়তো সেই সময়খিনি ভালো লাগিছিল
আৰু মনে মনে বন্ধু কেইজনৰ ওপৰত খঙো উঠিছিল।
অনুৰাধা.......
আজিকালি তুমি মোৰ কিয় খবৰ নাৰাখা?
আগতেইতো ভাত খালানে? কিয় খোৱা নাই?
খোৱা সোনকালে নহ'লে কষ্ট পাবা নহয়.....
আদি এনেবোৰ কথা প্ৰায়ে প্ৰতিটো মুহূৰ্ততে সুধিছিলি।
এইবোৰ সুধিবলৈ আজিকালি তোৰ সময় নাই নেকি?
আৰে মইতো ল'ৰা মানুহ.... মোৰো মন গৈছিল
তোৰ উকা হৈ থকা কপালখন ৰাঙলী কৰিবলৈ?
কিন্তু..... সেই সপোন আজি নিমিষতে হেৰাই থাকিল।
প্লীজ অনুৰাধা এবাৰ কৱ না তোক কেতিয়া লগ পাম?
নে আৰু কেতিয়াও লগ নেপাম এ.....।
সৌ সেই দিনাখন দেখিছিলো তোক
এখন ৰিজৰ্টত ...... এজন ল'ৰাৰ সৈতে
মানুহৰ মুখে মুখে শুনিছো ল'ৰাজন
বোলে বহু ধনী ঘৰৰ,
ডাঙৰ চাকৰিও কৰে আৰু দামী দামী গাড়ীও আছে
বোলে......।
আজিকালি ভালপোৱাবোৰ টকাৰে কিনিব লগা হৈছে।
কি? সঁচা ভালপোৱা মৰমবোৰ দুখীয়াৰ নাথাকে নেকি?
এদিন তইয়ো বুজিবি অনুৰাধা
ভালপোৱা মৰমবোৰ টকাৰে জুখিব নোৱাৰি বুলি...।
অনুৰাধা.....
তোক কাবৌ কৰিছো
তই এতিয়াও মোৰ জীৱনলৈ ঘূৰি আহ....
তাৰ অপেক্ষাত মাথো মই বৈ আছো।
আৰু সদায়েই বৈ থাকিম.....
কাৰণ মই তোক বহুত বহুত
ভালপাওঁ অনুৰাধা.....।। **



# প্ৰেমৰ সপোন

চয়নিকা ৰয়
তৃতীয় ষান্মাসিক

এটা সপোনে বহুদিন ধৰি
কৰিছে আমনি,
সপোনবোৰ মায়াবী
মই নজনা নহয়
সপোনবোৰ আৰু জটিল
কৰি তুলিছা তুমি আহি,
মায়াৰ ৰং সানিছা,
এটা সপোনৰ ভিতৰতে
আৰু অন্য এক স্বপ্ন ৰচিছা,
প্ৰতিটো কাহিনীতে
মুখ্য চৰিত্ৰ তুমি।
হয়তো তুমি নাজানা,
তুমি কাৰোবাৰ হাজাৰ
সপোন খেলা খেলি।। **



# সোঁৱৰণিৰ এখিলা পাত



মৌচুমী পাঠক
পঞ্চম ষান্মাসিক

সঁচাকৈ তোমাৰ লগত পাৰ কৰা
স্মৃতিবোৰ সুঁৱৰিয়েও চোন ভাল লাগে।
মিঠা মিঠা লগা সপোনবোৰ যেন
জীপাল হৈ উঠে।
তুমি তুমি লগা ভাৱনাবোৰেই যেন
মোক জীয়াই থকাৰ শক্তি দিয়ে।
মোৰ আশাৰ সৰু পঁজাটিত
জোনাক হৈ আহিবা তুমি।
তাতেই আমি আশাৰ সপোন ৰচিম এটি দুটি।
সুঁৱৰিম আমি অতীতৰ স্মৃতি।
যাম আগুৱাই হাতে হাত ধৰি তোমাৰ সতে।
সঁচা মৰমৰ অনুভূতিক ল'বা সাৱতি।
অবুজ মনক দিবা বুজনি।
সন্ধিয়াৰ আকাশত জ্বলি ৰ'ম
হৈ নিবৰ তৰাটি।
মোৰ সোঁৱৰণিৰ এখিলা পাতত
সদায় জিলিকি ৰ'ব তোমাৰ নামটি। **



# প্ৰকাশবিহীন মোৰ মনৰ ভাৱনা



মৌচুমী পাঠক
পঞ্চম ষান্মাসিক

ৰাতিবোৰ খেদি আহে,
এডাল দীঘল সাপৰ দৰে
উজাগৰে পাৰ কৰো ৰাতিবোৰ
কাণত হেডফোন, হাতত মোবাইল লৈ
ভাবো প্ৰকাশ কৰিব নোৱাৰা সপোনবোৰৰ কথা।
মাজে মাজে দুচকুৰে ধাৰাসাৰে পানী বৈ
আৰু নিজক প্ৰশ্ন কৰো কিয় বাৰু মই ইমান দুৰ্ভগীয়া।
সোণালী আশা, সপোনবোৰ বুকুত বান্ধি
কিমানদিন আৰু জীয়াই থাকিম এনেকৈ?
নেজানো মোৰ ভালপোৱাৰ শেষ ক'ত?
এনেকৈয়ে শেষ হৈ যাব নেকি মোৰ জীয়া সপোন?
নোৱাৰিলে মই সপোনবোৰ দিঠক কৰিব এইটো জনমত
নিৰাশ নহ'বা কেতিয়াও তুমি।
কথা দিছো, আকৌ উভতি আহিম, অন্ধকাৰ
নেওচি, পোহৰ বিলাবলৈ তোমাৰ ওচৰলৈ।
প্ৰকাশবিহীনভাৱে বৈ যোৱা
মনৰ ভাৱনা প্ৰকাশ কৰিবলৈ
আকৌ আহিম উভতি
সকলোৰে ওচৰলৈ। **





# সময়ৰ সোঁতত

সোনমণি পাটগিৰী
প্ৰথম ষান্মাসিক

গৈ আছো আমি
সময়ৰ সোঁতত মৃত্যুলৈ,
যদিও আজি আছো ইয়াত
কাইলৈ হয়তো নাথাকিম।
সময়ৰ সোঁতত লাহে লাহে
গৈ থাকিব জীৱন,
মৃত্যুৱে হাত বাউলি মাতিব
সকলো সলনি হ'ব
সময়ৰ সোঁতত।
জন্মৰ বাবেই হ'ব মৃত্যু,
চিতাৰ কোলাত শুই পৰিব নশ্বৰ দেহ।
মৃত্যুৰ বিষাদবোৰ এদিন
সময়ৰ সোঁতত নাইকীয়া হ'ব।
সময়ৰ সোঁতত বৰ্তমানবোৰো অতীত হ'ব;
আমি গুচি যাব লাগিব
সময়ৰ সোঁতত
আৰু তাৰ পিছত
সময়ে সকলো ক'ব।। **

# কোনে গৈ ক'ব তোমাক



জর্ণা ডেকা
প্ৰথম ষান্মাসিক

অৰণ্যৰ মাজত হেৰাই যোৱা বৰষুণজাকৰ দৰে
হেৰাই গ'লা তুমি।
ৰাজপথত থকা ধূলিবোৰৰ দৰে..
আঁতৰি গ'লা তুমি।।
নিৰৱৰ মাজত পাতল মৰমবোৰ
উমি উমি থাকে জ্বলি।
কোনে গৈ ক'ব তোমাক
শীতৰ ৰাতিবোৰ আছে বৰফক খামুচি।।
বাট কুৰি বাই বাই জীয়াই আছো
তোমাৰ অতীত ভাৱনাত
আকাশৰ খিৰিকিত জোন ম্ৰিয়মান
উখল মাখল কৰিছে হিয়াত।।
পাহৰিব খুজিলেও নোৱাৰো পাহৰিব।
বাৰে বাৰে পৰি যাওঁ প্ৰেমত
আঁতৰাব খুজিলেও আঁতৰাব নোৱাৰো
চকুপানীৰে সুঁৱৰো আজিও
মোৰে উপত্যকাত।। **



# মোৰ জীৱনৰ অৰ্থ তুমি



বৰষা শৰ্মা
পঞ্চম ষান্মাসিক

হাঁহিৰ অৰ্থ সিদিনাই বুজিছিলো।
যিদিনা তোমাক প্ৰথম দেখা পাইছিলো।
এক নিৰৱ সাঁথৰ হৈ ৰৈ আছিলো।
তোমাৰ মুখনিলৈ চাই।
এক হেঁপাহ পলোৱা তৃপ্তিৰে চাইছিলো।
তোমাৰ মৰমলগা হাঁহিটিলৈ।
নাজানো কিয় ইমান ভাল লাগিছিল তোমাক।
প্ৰথম চাৱনিয়ে চোন বলিয়া কৰিছিল মোক।
জীৱন নামৰ কিতাপখনত এটি এটি কাহিনী
লিখিছো তোমাৰ নামত।
প্ৰতিটো পৃষ্ঠাতে লুটিয়াই চালে দেখো তোমাৰ ছবি।
তুমি তুমি লগা ভাৱনাবোৰতে যেন এতিয়া মই অন্ধ।
ভালপোৱাৰ অৰ্থ বিচাৰি ঘূৰিছিলো।
কিন্তু তোমাক পাই সকলো বুজিলো।
এয়াই নেকি মোৰ সঁচা ভালপোৱাৰ অনুভৱ।
তোমাক লৈ কৰো আশা, দেখো সপোন।
এদিন দিঠক কৰিব বিচাৰো সকলোবোৰ।
জীয়াব বিচাৰো জীৱন তোমাৰ নামত।। **



# আধৰুৱা সপোনৰ শেষ ঠিকনা তুমি



জীমণি মেধী
পঞ্চম ষান্মাসিক

নাজানো সময়ে ক'লৈকে লৈ যাব মোৰ
আধৰুৱা সপোনৰ ঠিকনা,
পাৰিম জানো জীয়াই ৰাখিব, তোমাৰ
মৰমৰ স্মৃতিবোৰ বুকুত সামৰি।।
শূন্য মোৰ বুকুত এক আশাৰ ৰেঙণি
হৈ সোমাইছিলা তুমি,
জনা নাছিলো ইমান গভীৰ হৈ পৰিবা বুলি,
য'ত মই তোমাৰ তুমি মোৰ হৈ
বান্ধ খাই থাকিম এবুকু মৰম হৈ
আধৰুৱা জীৱনৰ এনাজৰীত আজীৱন।।
নোৱাৰো কেতিয়া তোমাক সুখত ৰাখিব।।
নোৱাৰো কেতিয়াও আশাবোৰ পূৰণ কৰিব।।
কাৰণ, মই যে বহু দুৰ্ভগীয়া। তথাপিও
সদায় সপোন ৰচিম, সদায় আশা কৰিম তোমাক লৈ।
বিধাতাই হ'ব নিদিয়ে কেতিয়াও আমাৰ মিলন।
তথাপিও হাৰি নাযাওঁ, এনেকৈয়ে জয় কৰিম আমাৰ আধৰুৱা
সেই জীয়া প্ৰেম কাহিনী।।
এনেকৈয়ে শেষ হৈ যাব মোৰ
আধৰুৱা সপোনৰ শেষ ঠিকনা।। **



# অপেক্ষা মাথোঁ তোমালৈ



গোলাপ বসুমতাৰী
তৃতীয় ষান্মাসিক

আজিও অপেক্ষা কৰি আছোঁ
দিন ৰাতি পাৰ কৰিছো
সময়েও মোক কয়,
"মোৰ হাতততো ইমান সময় নাই
তুমি তাইলৈ যিমান
অপেক্ষা কৰিছা।"
সঁচা কথা কয় মানুহবোৰে
ভালপোৱা পাবলৈ টান নহয়।
টান হয় ভালপোৱা পাহৰিবলৈ
মানুহে কয় ভালপোৱা
ভাবি-চিন্তি কৰিব লাগে
কিন্তু তেওঁলোকক কোনে বুজাব
ভাবি-চিন্তি ষড়যন্ত্ৰহে ৰচা হয়
ভালপোৱা নহয়।
তোমাৰ স্মৃতিবোৰ পাহৰিবলৈ
চেষ্টা কৰিও নোৱাৰোঁ।
এয়াই চাগে সঁচা ভালপোৱা। **

# প্ৰেমৰ বতৰা



চিন্ময় ৰয়
তৃতীয় ষান্মাসিক



আকাশক নুসুধিবা
মই তোমাক কিমান ভাল পাওঁ
আকাশেৰে নুজুখিবা
মোৰ প্ৰেমৰ পৰিসীমা
সূৰুযক নুসুধিবা মই তোমাক কিমান ভাল পাওঁ
সূৰুযেৰে তুলনা নকৰিবা মোৰ প্ৰেমৰ উষ্ণতা
সাগৰক নুসুধিবা
মই তোমাক কিমান ভাল পাওঁ
সাগৰেৰে তুলনা নকৰিবা
মোৰ প্ৰেমৰ গভীৰতা
মোৰ প্ৰেমৰ বিশালতা
মোৰ চকুত চকু থৈ চোৱা
মই তোমাক কিমান ভালপাওঁ
উমান পাবা
মোৰ বুকুত হাত থৈ চোৱা
মই তোমাক কিমান ভালপাওঁ। **



# দুখীয়া-দুৰ্ভিক্ষ



জৰ্ণা ডেকা
প্ৰথম ষান্মাসিক

সৌ দুখীয়া দুৰ্ভিক্ষবোৰলৈ চোৱাচোন,
কেনেকৈ সিহঁতে পৰিস্থিতিৰ লগত
যুঁজি যুঁজি আগবাঢ়ি গৈ আছে
জীৱন পথত।
খাবলৈ নাই, শুবলৈ নাই, পঢ়িবলৈ নাই, সিহঁতৰ
পুষ্টিহীনতাৰ ৰোগত ভুগি
অসমত অত্যাধিক বাঢ়িবলৈ ধৰিছে,
নিবনুৱা দুখীয়াৰ হাৰ।
হে অসমৰ মানৱ জাতি
জাগি উঠা, কৰ্ম কৰা।
সমাজত থকা সকলো দৰিদ্ৰকে
সহায়ৰ হাত আগবঢ়োৱা।
কিমান কষ্ট, কিমান দুখ সহ্য কৰিছে সিহঁতে,
ৰাস্তাৰ একোণত পৰি,
দিনৰ দিনটো ঘূৰি থাকে পেটৰ ভোকত
কতজনৰ ভৰি মলি হৈ
কত লাঞ্ছনা ভুগি অৰ্থহীন গালি
শুনি থাকে সিহঁতে
একমাত্ৰ জীয়াই থকাৰ তাড়নাত।
কোনে বুজিব এইসকলৰ বেদনা,
কোনে তড়িব এইসকলৰ ভোগ,
চূৰ্ণ-বিচূৰ্ণ হৈ যাওঁক
অসৎ লোকৰ জীৱন গাঁথা।। **



# জোনাক নিশাৰ সময়বোৰ



দিপাশ্ৰী দাস
পঞ্চম ষান্মাসিক

জোনাক নিশাৰ শীতল পোহৰত
ছাঁটো হৈ ৰৈ আছোঁ মই
কৃষ্ণচূড়াঁৰ তলত....
জোনাকে ছটিয়াই দিয়া
পোহৰৰ কণিকা সাৰটি নিৰৱে
অপেক্ষা কৰিছো সপোন কোঁৱৰৰ
সপোন কুঁৱৰীয়েও ৰামধেনুৰ ৰঙেৰে
সাত ৰঙী হৈ ....
সুগন্ধী বতাহৰ স'তে খেলিছে
'কিন্তু' ....
পাখিলগা সপোনবোৰেও যে ভাগৰে
বাস্তৱ সপোনবোৰেও যে ভাগৰে
বাস্তৱ আৰু অবাস্তৱৰ
হেজাৰখন আখৰাও
তথাপিও, নিমিষতে মোৰ
সকলো সপোন জৰ্জৰিত কৰা
কঠোৰ বাস্তৱে মোক
কেতিয়াও শান্ত নকৰে
কোনে শুনিব...
উদং বুকুৰ হুমুনিয়াহ
সোণাৰু হৃদয়ৰ সেউজীয়া গান
যন্ত্ৰণাভৰা উশাহবোৰ এতিয়াই
ঘনাই উচুপিছে



কংক্ৰিট হ'বগৈ ....
জীৱনৰ প্ৰতিটো ক্ষণ গণিছো
দিশহাৰা আৰু হেৰাই
যাব ধৰা স্মৃতিৰে...
নষ্টালজিক হৈ পৰা আস্থাহীন
কিছু প্ৰতিশ্ৰুতিৰে...
প্ৰেমহীনতাৰ হেজাৰটা উচুপনিয়ে
অন্বেষণ কৰে মাথো
এখন আছুতীয়া হৃদয়
এই শীতৰ সেমেকা ৰাতি
সাৰ পাই উঠিছে
অবাধ্য হৃদয়ৰ দুখৰ গুণগুণনি
দূৰৈৰ পৰা ভাঁহি অহা
বাঁহীৰ কৰুণ সুৰবোৰেও যেন
বিয়পাইছে এবুকু নিসংগতাৰ কাহিনী
আৰু অনুশোচনাত দগ্ধ কিছু আবেগ
কাৰ বাবে ৰাখিছো
হিয়াৰ কোণত এই একান্ত অনুভূতি
আৰু জোনাক নিশাৰ বাঁহীৰ কৰুণ সুৰবোৰ
কাৰ বাবে এই
দুপৰ নিশাৰ বাঁহীৰ কৰুণ সুৰবোৰে
আৰু উমাল বুকুত শূন্যতা,
নৈপৰীয়া বালিত উশাহটো খামুচি
কাৰ বাবে এই অপেক্ষা,
আৰু দুগাল তিতি যোৱা এই চকুলো
এয়া নহয় অবাস্তৱ
নহয় কোনো সপোন
কাৰণ....
মোৰ আছে হৃদয়
তুমি বুজা নাই?
বুজা নাই? **

# জীৱন মোৰ জাৰ



অভিজিৎ চৌধুৰী
তৃতীয় ষান্মাসিক

জীৱনৰ জাৰত সপোনৰ কেঁচা জুই
উমি উমি জ্বলিছে,
এই জাৰত মই উম ল'বলৈ,
মোৰ সপোন ইন্ধন বহ্নিমান!
মোৰ সপোন ইন্ধন ৰূপে জ্বলন্তমান!
তথাপি জাৰ মোৰ কোঁহে কোঁহে প্ৰৱাহমান
মোৰ সপোন কেঁচা তুঁহ জুই,
জ্বলিলে কেৱল ধোঁৱাহে ওলায়।
শীত তাপিত কৰিব পৰা শক্তিকণো ইয়াৰ নাই,
মোৰ সপোন কেঁচা তুঁহ জুই
জ্বলিলে কেৱল ধোঁৱাহে ওলায়। **



# জীৱনৰ অংক



পিংকি দাস
তৃতীয় ষান্মাসিক



জীৱনৰ আলিদোমোজাত
ভাগৰি পৰোঁ
পোৱা নোপোৱাৰ
হিচাপ কৰি।
কি পালো
কি হেৰুৱালো
যোগ-বিয়োগ
পূৰণ হৰণ কৰোতেই
কোনোবাখিনিত ভুল হয়
জীৱনৰ অংক।
জীৱন হৈ ৰয়
এক উত্তৰবিহীন প্ৰশ্ন
তথাপি উত্তৰ বিচাৰি
খাওঁ হাবাথুৰি
পিছে উত্তৰহে
নাপাওঁ বিচাৰি।
পোৱা নোপোৱাৰ হিচাপ
আঙুলি মূৰত থাকোতেই গণি
পোৱাখিনিও হেৰাই যায়
আঙুলিৰ মুঠি খুলি।
জীৱন ৰহস্যময়
জীৱন এটা নিমিলা অংক
জীৱন এক নুবুজা সাঁথৰ....!**



# দেউতা



ফুলমণি দাস
তৃতীয় ষান্মাসিক

আগবাঢ়ি যোৱাৰ প্ৰতিটো খোজত
তোমাৰ সঁহাৰি, তোমাৰ আশীৰ্বাদে
মোক আৰু বেছি
উৎসাহী কৰি তোলে।
তুমি মোৰ সাহস, মোৰ পৰিচয় তুমি
মোৰ সফলতাৰ আঁৰত
সদায় তুমি আছা।
মোৰ সকলো সুখৰ
নাম তুমি।
মোৰ হাঁহিৰ পিছত
থকা সুখ তুমি।
ভগৱানৰ সলনি যাক
মই পাইছো যাক মই পূজা কৰো
সেয়া আন কোনো নহয়
সেইজন মোৰ মৰমৰ দেউতা।
মোৰ প্ৰতিটো ইচ্ছাৰ
অভাৱ পূৰণ কৰাজনেই
মোৰ দেউতা।
মোৰ সুখত সদায় সুখী তুমি
হাজাৰ বিপদৰ সময়তো
মোৰ কাষত সাহস হৈ
থিয় দিয়া দেউতাৰ
স্বাৰ্থহীন মৰম ভালপোৱা
যিমান ক'লেও কমেই হ'ব।
মোৰ হৃদয়ৰ পৰা ওলোৱা
অমূল্য নাম তুমি 'দেউতা'।
তুমি ৰচা সপোনৰ আলিবাটত
মই খোজ দিম
তোমাৰ সপোন মই
পূৰণ কৰিম দেউতা। **



# মা



গোলাপ বসুমতাৰী
তৃতীয় ষান্মাসিক

মা মোৰ মৰমৰ
মা মোৰ প্ৰথম ভালপোৱা।
যিয়ে মোক নেদেখাৰ পৰাই
মৰম ভালপোৱাৰে বহু
যন্ত্ৰণা সহ্য কৰি
তুলি-তালি ডাঙৰ-দীঘল
কৰি আজিৰ এই শাৰীত
থিয় হ'ব পাৰিছোঁ।
তোমাৰ ভালপোৱাই মোক
অদম্য সাহস দিয়ে।
ডাঙৰ হৈছোঁ যদিও
তোমাৰ পৰা যেতিয়া দুৰ হওঁ
মোৰ অনুভৱ হয়
যেন মই অকলশৰীয়া।
তোমাক হেৰুৱাৰ ভয়ত
কেতিয়াবা উজাগৰী নিশা
উচুপি উচুপি কান্দে মোৰ হিয়া।
তুমি অবিহনে মই
আধৰুৱা 'মা'।
মা তুমি মোৰ ছাঁ।
তোমাৰ আঁচলৰ ছাঁত জিৰাই
মই স্বৰ্গ সুখ পাওঁ।
কেতিয়াবা নিজান কোণত
বহি অনুভৱ কৰোঁ যে
এই পৃথিৱীত ভগৱানতকৈও
সুন্দৰ নাম আছে
সেয়া হ'ল 'মা'।
মৃত্যুৰ বাবে হাজাৰ
পথ আছে কিন্তু
জন্মৰ বাবে এটাই পথ
সেয়া হ'ল 'মা'। **

# মা বিহীন কন্যা মই

নন্দিতা দাস
প্ৰথম ষান্মাসিক

'মা' বিহীন কন্যা মই,
নাজানো কেনেকুৱা হয় 'মা'ৰ মৰম;
নাজানো কেনেকুৱা হয় কন্যাৰ প্ৰতি 'মা'ৰ ধৰম কৰম।

'মা' বিহীন কন্যা মই,
'মা' নোহোৱা জীৱন মোৰ;
'মা' নোহোৱা অনুভূতিয়ে কৰে হৃদয় টুকুৰা টুকুৰ মোৰ।

'মা' বিহীন কন্যা মই,
'মা' বিহীন কন্যা, পানী বিহীন মাছ;
'মা' নহ'লে জীৱনত দুখ কষ্টই নেৰে পাছ।



'মা' বিহীন কন্যা মই,
কেতিয়াবা সপোনত দেখো মাক
কেতিয়াবা দিঠকত বিচাৰি ফুৰো মাক।

'মা' বিহীন কন্যা মই,
হয়তো ভাগ্যতেই নাই মোৰ মাতিবলৈ 'মা' শব্দ;
আৰু হয়তো ভাগ্যই মোক অনুভূত কৰাব এদিন 'মা' শব্দ। **



# সংগীত



কিংকৰ ৰয়
তৃতীয় ষান্মাসিক

সুৰেৰে ৰস ঢালি,
বাদ্যৰ ধ্বনিৰে
মনক জীপাল
কৰাই হৈছে
সংগীত।।
টোপনি নাহিলে
চকু মুদি বিছনাত শুই
নিজক আমোদ
প্ৰদান কৰাই হৈছে-
সংগীত।।
না না ভাষাৰ পৰা,
না নান কথাৰ পৰা,
সুৰ মাধ্যমেৰে
ৰচিত কৰা হয়
সংগীত।।
সুমধুৰ কাহিনীৰ লিখনিৰে,
অতি সুন্দৰকৈ সজাই,
তাক দৰদী কৰি
প্ৰকাশ কৰা
আন এক উদাহৰণ হ'ল
সংগীত।। **

# নিবৃত্তি



বৰষা শৰ্মা
পঞ্চম ষান্মাসিক

কলম কামুৰি এপৰলৈ বাট চালো
এটা শব্দৰো সাৰ-সুৰ নাই,
ৰঙা-নীলা বাখৰুৱা সাজ পিন্ধি
খৰাং নৈখনৰ ধূলি গচকিবলৈ কাৰো মন নাযায়!
আজিকালি লকডাউন হ'ব পাৰে,
সেয়ে চাগে তামোলৰ বটা দি মাতিলেও ওলাই নাহে,
সিহঁতৰো কিহবাত অভিমান জাগিব পাৰে,
সিহঁতৰো বিৰহ সহ্য নহ'ব পাৰে,
নাইবা অতল তলিত;
সুতলৰ কোনোবা এন্ধাৰ গুহাত
সিহঁতে পোহৰ অকণ বিচাৰি যাবও পাৰে। **



# ফাগুন আহিলে, যৌৱনে সাৰ পায়

নিকুমণি দাস
প্ৰথম ষাণ্মাসিক

ফাগুনৰ আগমনত ৰ'ব নোৱাৰি
পচোৱাই লৈ আহে বৰদৈচিলাক,
বিলাই দিয়ে শব্দৰ জোঁৱাৰ
উঠে প্ৰাণ পাই জাতি-জনগোষ্ঠী।
জাগি উঠে হৃদয়ত ব'হাগৰ আগমন,
মহা মিলন,
ভাতৃত্ব বান্ধোন;
কঢ়িয়াই আনে কৃষ্টি-সংস্কৃতি
যি বৰ্ণনাতীত
আঁতৰি যায় মলিনতাবোৰ
পাহৰি যায় দুখ-বেদনাবোৰ;
বিচাৰি পায় হিয়া দিয়া নিয়া মৰমবোৰ
ফাগুণ আহিলে যৌৱনে সাৰ পায়
সৃষ্টি থৌকি বাথৌ শব্দৰ জোৱাৰ।
ফাগুণ তুমি অনন্যা
নাচি হাঁহি আহিবা
কপৌ ফুলৰ পাহি জগাই তুলিবা
বাট চাই আছে ব'হাগৰ বিহুটি
হাতত ফুলাম গামোচাৰে
আনিবলৈ আদৰি। **



# হে প্ৰকৃতি

কৰিস্মিতা ৰয়
পঞ্চম ষাণ্মাসিক

ৰহস্যময়ী স্বপ্নৰ প্ৰকাশ তুমি
এখনি বাস্তৱ তথা মনোৰম ভাৱৰ
স্বতঃস্ফূৰ্ত প্ৰকাশ-প্ৰকৃতি।
চঞ্চল চৰাচৰ জগতক নিভাঁজ আবেগেৰে বান্ধি
জড়-জীৱ ৰূপ প্ৰদান কৰিছা তুমি,
শ্যাম বৰণীয়া, নীল বৰণীয়া, শুভ্ৰ বৰণ
আৰু কত বৰণেৰে বিভূষিতা তুমি
কতনা সাগৰ কতনা বিৱিধ তোমাৰ বুকুত
সকলোকে নিঃস্বাৰ্থতাৰে আশ্ৰিত কৰিছা তুমি....
সময়ৰ সোঁতত মৰুৰ বালিৰ দৰে ম্লান হৈছে
তোমাৰ মনোমোহা সৌন্দৰ্য...।
মানৱৰ দুভৰিৰ গচকত চূৰ্ণ-বিচূৰ্ণ হৈছে তোমাৰ
হৃদয় তোমাৰ শৰীৰ।
তথাপি তুমি আজিও আশ্ৰয় দিবলৈ সংকোচ
কৰা নাই সেই নিৰ্দয়ী মানৱ জাতিক....
তুমি হোৱা কালজয়ী....। **



# আপুনি



ৰীমাঞ্জলী দাস

মোৰ হৃদয়ৰ ৰুদ্ধদ্বাৰ খুলি
সংগোপনে প্ৰৱেশ কৰিলে আপুনি
সিঁচি দিলে ভালপোৱাৰ
সাতৰঙী ৰামধেনুৰ ৰং।

আপুনি সাগৰ
আৰু মই নদী,
সেই সাগৰৰ বিশালতাত
বিলীন হ'ব বিচৰা নদী।

আপুনি দিনৰ পোহৰ
আৰু মই ৰাতি,
দিনৰ পোহৰ নাশ কৰি
এন্ধাৰ নমাই অনা ৰাতি।

আপুনি জোন, মোৰ মন আকাশৰ
আৰু মই তৰা,
জোনৰ লগত উমলি থকা
সেই অসংখ্য তৰাৰ মাজৰ তৰা।

আপুনি আকাশ,
আৰু মই বতাহ।
আপুনি চকুপানী,
আৰু মই বিষাদ।

আপুনি জোনাক,
আপুনি সূৰুয,
আপুনি পৃথিৱী,
আপুনি মোৰ সাহস।

আপুনিয়েই উশাহ,
আপুনিয়েই জীৱন,
আপুনিয়েই প্ৰহৰী,
আপুনিয়েই মোৰ প্ৰেৰণা।

আপুনিয়েই শক্তি,
আপুনিয়েই দেৱতা,
আপুনিয়েই মোৰ সুখ,
আপুনিয়েই মোৰ ভাগ্য।

আপুনিয়েই আত্মা
আপুনিয়েই মোৰ প্ৰেৰণা...
ক্ৰমশঃ আপুনিয়েই মোৰ সকলো!
মোৰ সমস্ত পৃথিৱী। **



# উভতি নাহিল




কিংকৰ ৰয়
তৃতীয় ষান্মাসিক


মনে মানি নোলোৱাত
সিদিনা গৈছিলো
সেই এৰি থৈ যোৱা
পথটিৰ ঘাটলৈ,
কিজানি আছে ঘূৰি—
নাই ক'ত আহিব
আহিবলগা সময়
কেতিয়াবাই শেষ হৈছে।
মিছাতে মনটোক
আঘাতহে দিলো,
সঁচাকে দেই
উভতি নাহিল।। **



যাবৰ সময়ত
বৰ মিঠাকৈ কৈছিল
মই সোনকালে আহিম,
আকৌ তোমাৰ কাষে চাপিম,
পিছে কি ক'ম
উভতি নাহিল।।

বৰ আশা আছিল,
সদায় মনত
পৰিয়ে থাকে,
সপোন দেখিছিলো
আহিব বুলি
বৰ হেঁপাহ আছিল
লগ পাম বুলি,
পিছে নাই
উভতি নাহিল।।





# ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে সাক্ষাৎকাৰ




সাক্ষাৎ গ্ৰহণকাৰী ঃ ৰাকেশ ৰয়
পঞ্চম ষান্মাসিক


"অৰ্ধশতিকা জুৰি সৃষ্টিশীল লেখাৰে অসমীয়া ভাষা সাহিত্যৰ ভড়াঁল চহকী কৰা ভাৰতবৰ্ষৰ এনে এগৰাকী বৰেণ্য ব্যক্তি শিক্ষাবিদ, বৈজ্ঞানিক, সু-সাহিত্যিক, কবি, একেধাৰে নাট্যকাৰ, ঔপন্যাসিক, সু-বক্তা, আবৃত্তিকাৰ অসম গৌৰৱ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, তেজপুৰ বিশ্ববিদ্যালয়ৰ সমূহ প্ৰাক্তন উপাচাৰ্য, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিশ্ববিদ্যালয় মেঘালয়ৰ প্ৰাক্তন উপাচাৰ্য, ড° অমৰজ্যোতি চৌধুৰী ছাৰৰ সৈতে কথা পাতিছিলো নিৰ্মল হালৈ মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদনা সমিতিয়ে। সাহিত্য-চৰ্চা, সাম্প্ৰতিক, ৰাজনৈতিক, সমাজনীতি তথা সামাজিক পৰিবেশৰ ওপৰত বিশিষ্ট সাহিত্যিক গৰাকীয়ে আগবঢ়াইছিল গভীৰ বিশ্লেষণ। সংক্ষিপ্ত সম্পাদিত ৰূপত পাঠকলৈ সেয়া আগবঢ়ালোঁ।"

১। চেনীকুঠি নিম্ন বুনিয়াদী বিদ্যালয়ৰ পৰা অক্সফ'ৰ্ডলৈ আপোনাৰ যি শৈক্ষিক যাত্ৰা এই সম্পৰ্কে আপোনাৰ পৰা জানিবলৈ বিচাৰো।

* মই সৰুতে চেনীকুঠি নিম্ন বুনিয়াদী স্কুলত প্ৰথমে পঢ়িছো আৰু মই সেইখিনি সময়ত পঢ়া-শুনাত সিমান ভাল নাছিলো আৰু মোৰ বহুত কথা তেতিয়া মনতে নৰৈছিল। যেতিয়া স্কুলত নাম লগাই দিয়ে তেতিয়া মোৰ এনেকুৱা লাগিছিল যেন মোক মুকলি ঠাইৰ পৰা আনি জেলত সোমাই দিলে। সেইকাৰণে মই শিক্ষকসকলৰ কথাবিলাক ভালদৰে শুনা নাছিলো তাৰ বাবে মোৰ পঢ়া-শুনা ভাল হোৱা নাছিল আৰু এনেকৈ থাকোতে মোৰ এনেকুৱা এটা ধাৰণা হৈছিল যে মোৰ একো কথা মনতেইনাথাকে। কিন্তু এদিন ছাৰে মুকলিত নেওঁতা মাতিবলৈ দিলে তেতিয়া দেখিলো যে সেই নেওঁতা মাতোতে প্ৰথমবাৰতে মোৰ কথাখিনি মনত ৰৈ গ'ল, কাৰণ এটা সুৰত কথাখিনি কোৱা যায় যেনে একে একে দুই, দুই একে তিনি এনেদৰে...। গতিকে কথাবোৰ মনত থাকি গ'ল তেতিয়া ছাৰে ক'লে যে তোৰ দেউতাক কবিচোন এনেদৰে কবিতা লিখিবলৈ তেতিয়া তোৰ মনত থাকিব চাগে। তাৰ পিছত মই দেউতাক আহি ক'লো আৰু দেউতাই মোক 'মোৰ লক্ষ্য' নামৰ কবিতাটো লিখি দিলে।



But there was Bapu and others
To give us swaraj
As it was getting midnight
I completed my long walk through history
And it looked to me like a
Very interesting story. **





# COLLEGE TEACHING & NON-TEACHING STAFF

Principal : Dr. Bhupesh Sarma, MA, J.D, Ph.D.
Vice Principal :

## TEACHING STAFF :

1. DEPARTMENT OF ASSAMESE :
   - Dr. Anil Ch. Mazumdar, M.A, Ph.D, Associate Professor
   - Sri Rudra Kalita, M.A, Associate Professor
   - Dr. Nabanita Kalita, M.A, Ph.D, Asstt. Professor
   - Vacant

2. DEPARTMENT OF ENGLISH :
   - Dr. Anup Kr. Sarma, M.A, Ph.D, Associate Professor
   - Sri Kishore Kr. Sarma, M.A, Associate Professor
   - Mrs. Nirmali Mahanta Choudhury, MA, B.Ed., M.Phil, Asstt. Prefessor

3. DEPARTMENT OF EDUCATION :
   - Mrs. Gitashri Goswami, M.A, Associate, Professor
   - Vacant

4. DEPARTMENT OF PHILOSOPHY :
   - Sri Manik Ch. Das, M.A, M.Phil, Associate Professor
   - Dr. Tapan Kakati, M.A, Ph.D, Associate Professor
   - Sri Rajen Ch. Das, M.A, M.Phil, Asstt professor

5. DEPARTMENT OF POLITICAL SCIENCE :
   - Sri Hemanta Kr. Seal, M.A, Associate Professor
   - Vacant

6. DEPARTMENT OF ECONOMICS :
   - Dr. Manikanta Das, M.A, Ph.D, Associate Professor
   - Sri Jiten Kr. Bhagawati, M.A, Associate Professor
   - Dr. Kamal Thakuria, M.A, M.Phil, Ph.D, Asstt Professor

# COLLEGE TEACHING & NON-TEACHING STAFF

7. DEPARTMENT OF HISTORY :

Dr. Pranab Das, M.A, Ph.D, Associate Professor
Dr. Tapan Kalita, M.A, B.Ed, Ph.D, Associate Professor
Vacant

8. DEPARTMENT OF SANSKRIT :

Dr. Prabodh Ch. Goswami, M.A, Ph.D, Associate Professor
Dr. Binima Patgiri, M.A, Sastri, Ph.D., Asstt Professor
Vacant

GUEST FACULTY:

Sri Sadananda Das, Edn

CONTRACTUAL BASIS

Mrs. Anjali Roy, Com.
Sri Palash Barman, Com.
Miss Pooja Khataniar, Com.
Sri Gagan Kr. Sarma, History
Miss Diptimoni Choudhury, History
Sri Chandan Talukdar, P.Sc.
Mrs. Dolymoni Baruah, P.Sc.
Sri Mintu Choudhury, Edn
Miss Chandrima Pathak, Edn
Mrs. Anusmita kalita, Ass
Mrs. Dipa Goswami, SNS

NON TEACHING STAFF :

Sri Bhupendra Nath Sarma, U.D.A.
Sri Rideep Kalita, U.D.A.
Sri Mamin Chandra Deka, L.D.A.
Sri Anil Roy, L.D.A. (Non Sanction)
Sri Prabhat Chandra Roy, Peon
Sri Ghana Kanta Roy, Grade-IV
Sri Dhirup Kalita, Computer Assistant (Contractual)

LIBRARY STAFF :

Sri Kushal Das, M.A., B.Lib. Sc., Librarian
Sri Niranjan Das, Labrary Assistant (Non Sanction)
Sri Bhabesh Das, Bearer (Non Sanction)
Sri Parag Kalita, Bearer (Non Sanction)
Sri Sourav Kumar Sarma (Contractual)

OTHER STAFF :

Sri Bapan Roy, Night Watchman
Sri Manoj Basfor, Safaiwala
Mrs. Mira Bezbaruah, Grade- IV
Sri Parikshit Medhi, Security
Mrs. Kakila Das, Grade- IV
Sri Karuna Kalita, Mali



## ১৯৭৯ চনৰ পৰা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক আৰু সাধাৰণ সম্পাদকৰ নামৰ তালিকা

| বৰ্ষ | আলোচনী সম্পাদক | সাধাৰণ সম্পাদক |
|---|---|---|
| ১৯৭৯–১৯৮০ | ................ | |
| ১৯৮৫–১৯৮৬ | ................ | কিৰণ কলিতা |
| ১৯৮৬–১৯৮৭ | ................ | ফলিন কলিতা |
| ১৯৮৭–১৯৮৮ | ................ | ত্ৰৈলোক্য শৰ্মা |
| ১৯৮৮–১৯৮৯ | বিনয় দত্ত | ভৱেশ শৰ্মা |
| ১৯৮৯–১৯৯০ | প্ৰদীপ ঠাকুৰীয়া | অনিল চন্দ্ৰ ৰয় |
| ১৯৯০–১৯৯১ | ৰঞ্জিত কুমাৰ ৰয় | সুৰেণ কলিতা |
| ১৯৯১–১৯৯২ | মনোৰঞ্জন পাঠক | সমেন দাস |
| ১৯৯২–১৯৯৩ | তপন ৰয় | হেমন্ত কুমাৰ ৰয় |
| ১৯৯৩–১৯৯৪ | নয়ন কুমাৰ মেধী | ভৱেশ পাঠক |
| ১৯৯৪–১৯৯৫ | বিবেকানন্দ দাস | পৰেশ ডেকা |
| ১৯৯৫–১৯৯৬ | গণেশ চন্দ্ৰ শৰ্মা | হিতেশ ৰয় |
| ১৯৯৬–১৯৯৭ | চন্দ্ৰ হালৈ | উৎসৱ ৰয় |
| ১৯৯৭–১৯৯৮ | কংকন শৰ্মা | দ্বীপেন্দ্ৰ নাথ দাস |
| ১৯৯৮–১৯৯৯ | গৌতম কুমাৰ শৰ্মা | হেমেন কলিতা |
| ১৯৯৯–২০০০ | চৈয়দ আলকাচ আলী | দিপুল পাটগিৰি |
| ২০০০–২০০১ | দীপক শৰ্মা | অনুপম দাস |
| ২০০১–২০০২ | মৃদুল গোস্বামী | উৎপল মজুমদাৰ |
| ২০০২–২০০৩ | মনোজ কুমাৰ শৰ্মা | ধনজিৎ কলিতা |
| ২০০৩–২০০৪ | অৰূপ কলিতা | ৰাজীৱ আলী |
| ২০০৪–২০০৫ | হৰেকৃষ্ণ ৰয় | কিশোৰ শৰ্মা |
| ২০০৫–২০০৬ | মানস কুমাৰ চৌধুৰী | প্ৰাঞ্জল ডেকা |
| ২০০৬–২০০৭ | অনুপ কলিতা | কুশল ৰয় |
| ২০০৭–২০০৮ | দীপজ্যোতি শৰ্মা | কুশল ৰয় |
| ২০০৮–২০০৯ | ৰাজীৱ দাস | ধনজিৎ গোস্বামী |
| ২০০৯–২০১০ | নৱদ্বীপ শৰ্মা | মোহিত ৰাভা |
| ২০১০–২০১১ | সঞ্জীৱ কুমাৰ শৰ্মা | বনজিৎ শৰ্মা |
| ২০১১–২০১২ | ধনঞ্জয় হালৈ | কমল মেধী |
| ২০১২–২০১৩ | ধ্ৰুৱজ্যোতি পাঠক | ৰণেনজিৎ শৰ্মা |
| ২০১৩–২০১৪ | দিগন্ত দাস | দিপুমণি শৰ্মা |
| ২০১৪–২০১৫ | ধ্ৰুৱজ্যোতি চৌধুৰী | সমৰজিৎ মেধি |
| ২০১৫–২০১৬ | ভাগ্যশ্ৰী গোস্বামী | ৰূপজ্যোতি দাস |
| ২০১৬–২০১৭ | ধিমানজ্যোতি শৰ্মা | হিৰক আলী |
| ২০১৭–২০১৮ | পিংকু দাস | নৱজিৎ দাস |
| ২০১৮–২০১৯ | মিৰ্জানুৰ ৰহমান | মানসজ্যোতি দাস |
| ২০১৯–২০২০ | ফুলমণি কলিতা | হান্নান আলী<br>নিতুমণি দাস |

# ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে দেশমাতৃ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া সেইসকল বীৰ শ্বহীদলৈ মই হৃদয়ৰ নিভৃত কোণৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। যিসকল ব্যক্তিৰ কঠোৰ প্ৰচেষ্টাৰ ফলত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ দৰে ঐতিহ্যমণ্ডিত এই মহান মহাবিদ্যালয়খনৰ জন্ম হৈছিল, সেইসকল মহান ব্যক্তিলৈ মই শত সহস্ৰ প্ৰণাম জনাইছোঁ।

বিগত বৰ্ষ সমূহৰ দৰে আমাৰ মহাবিদ্যালয়ৰ ২০১৯-২০ ইং বৰ্ষৰ নিৰ্মল হালৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সভাপতিৰ আসনত বিনা প্ৰতিদ্বন্দ্বিতাৰে দায়িত্ব লাভ কৰি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা শিক্ষকবৃন্দ আৰু শ্ৰদ্ধাৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰৰ লগতে মহাবিদ্যালয়খনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত কৰ্মচাৰীসকললৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এনেদৰে সভাপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰি কৰ্মদায়িত্ব সমূহ সততাৰে পালন কৰি ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ সহযোগত বাৰ্ষিক সপ্তাহ আৰু সৰস্বতী পূজাৰ কাৰ্যসমূহ সুকলমে চলাই নিয়া হয়। সভাপতিৰ কাৰ্যকালত বহুতো সমস্যাৰ সমাধানৰ প্ৰচেষ্টা সদায় চলাই আছিলোঁ কিন্তু এনেতে আমি সকলোৱে এটা বিৰল সমস্যাৰ সন্মুখীন হৈছিলোঁ যাক হয়তো কোনেও কল্পনা কৰা নাছিল যাক বৈজ্ঞানিকভাৱে নাম দিয়া হৈছিল COVID-19 অৰ্থাৎ ক'ৰনা ভাইৰাছ। সকলোৱে এই ভাইৰাছৰ ফলত আক্ৰান্ত হৈ সমগ্ৰ বিশ্বই স্থবিৰ হৈ পৰিছিল। কিন্তু তথাপিও আমি সকলোৱে চৰকাৰৰ আদেশমতে আইন, SOP সমূহ নিয়মানুভাৱে পালন কৰিছিলোঁ আৰু অৱশেষত সকলোৰে প্ৰচেষ্টাৰ ফলত এই মহামাৰী আমাৰ মাজৰ পৰা লাহে লাহে আঁতৰি যাবলৈ লৈছিল আৰু পৰিস্থিতি সমূহ পুনৰ আগৰ পৰ্যায়লৈ ঘূৰি আহিবলৈ আৰম্ভণি ঘটিছিল। মোৰ কাৰ্যকালত সভাপতি হিচাপে মই যিমানকণ সময় দিব লাগিছিল হয়তো সিমানকণ সময় এই অকল্পিত পৰিস্থিতিৰ বাবেই দিবলৈ সক্ষম হ'ব নোৱাৰিলোঁ। তথাপি যিমানখিনি পাৰি সময়ত কৰ্মসমূহ আগবঢ়াই নিবলৈ চেষ্টা কৰিছিলোঁ।

অৱশেষত মোৰ কাৰ্যকালত মোক প্ৰতিটো দিশতে দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা ব্যক্তিসকলৰ ভিতৰত মাননীয় অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰ আৰু সমূহ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত অজানিতে কৰা ভুলৰ বাবে ক্ষমা-মাৰ্জনা বিচাৰি আৰু নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৰ্বোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয় আই অসম"

**মৃন্ময় দাস**

*সভাপতি, ছাত্ৰ একতা সভা*





# ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তা আৰু মোৰ বন্ধু-বান্ধৱীলৈ হিয়াভৰা শ্ৰদ্ধা তথা মৰম নিবেদন কৰিলোঁ।

যিসকলে অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত বুকুৰ কেঁচা তেজেৰে ইতিহাস ৰচিলে সেই বীৰ শ্বহীদসকলক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। লগতে শ্ৰদ্ধা যাচিছোঁ সেইসকল স্বপ্নদত্ত মহান মনিষীক যিসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলতেই জন্ম লাভ কৰিছিল এই মহাবিদ্যালয়ে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জয়ী হওঁ। জয়যুক্ত হোৱাৰ পিছত শপত গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ চৌহদত এক চাফাই কাৰ্যসূচীৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ দ্বাৰা গছপুলি ৰোপণ কৰা হয়।

ইয়াৰ পিছতেই মহাবিদ্যালয়ত পালন কৰা হয় সৰস্বতী পূজা। এই পূজাত শ শ লোকৰ সমাগম দেখা গৈছিল। পূজাৰ সময়ত অধ্যক্ষ মহোদয়, ছাৰ-বাইদেউ, অগ্ৰজ-অনুজ, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলে যথেষ্টখিনি সহযোগিতা আগবঢ়ায়।

একাদিক্ৰমে ২৪ ফেব্ৰুৱাৰী ২০২০ ইং তাৰিখৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ খেলপথাৰখন যথেষ্ট পৰিমাণে উন্নত কৰা হয় আৰু ভলীবলৰ বাবে ফিল্ড এখন বনোৱা হয়। এই অনুষ্ঠানৰ বঁটাখিনি আৰু চাৰ্টিফিকেটবোৰো আগতকৈ উন্নতমানৰ কৰাৰ বাবে চেষ্টা কৰা হয়। লগতে বিশিষ্ট ব্যক্তিৰ দ্বাৰা বঁটা বিতৰণী অনুষ্ঠান তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিশিষ্ট আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সংগীতানুষ্ঠান অনুষ্ঠিত হয়।

ইয়াৰ পিছতে আৰম্ভ হয় ক'ৰোণাৰ ভয়াবহতা। ক'ৰোণাৰ ভয়াবহতা নাশ হোৱাৰ পিছত নৱাগত আদৰণি সভাখন কিছু পলমকৈ হ'লেও অনুষ্ঠিত কৰি নবাগত অনুজসকলক অতি উৎসাহেৰে আদৰণি জনোৱা হয়। নৱাগত আদৰণি সভাখনত উন্নতমানৰ তোৰণ, উন্নতমানৰ মঞ্চৰ ব্যৱস্থা কৰা হৈছিল। নৱাগত আদৰণি সভাত বিভিন্ন অনুষ্ঠানৰ লগতে নিমন্ত্ৰণ জনোৱা হয় জনপ্ৰিয় কণ্ঠশিলী গিতালী কাকতিক।

এই নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰাত ক'ৰোণাৰ বাবে যথেষ্ট অসুবিধা হৈছিল যদিও মোক প্ৰত্যক্ষভাৱে সহায় কৰা অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰ, তত্বাৱধায়ক ড° মণিকান্ত দাস ছাৰৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ ওচৰত চিৰকৃতজ্ঞ।

২০২০-২০২১ বৰ্ষৰ নিৰ্বাচন অনুষ্ঠিত নোহোৱাৰ বাবে পুনৰ ছাত্ৰ একতা সভাৰ দায়িত্ব পাওঁ আৰু ইয়াৰ পিছতে অনুষ্ঠিত কৰা হয় সৰস্বতী পূজা। য'ত আগতকৈ অধিক পৰিমাণৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি দেখা গৈছিল। সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত সৰস্বতী পূজাখন সুকলমে পালন কৰা হয়।

ছাত্ৰ একতা সভাৰ সময়ছোৱাত মহাবিদ্যালয়ত পালন কৰা বিভিন্ন অনুষ্ঠানসমূহ—

২০১৯-২০২০ আৰু ২০২০-২০২১ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সময়ছোৱাত মহাবিদ্যালয়ত পালন কৰা বিভিন্ন অনুষ্ঠানসমূহ—

(১) স্বচ্ছ ভাৰত অভিযানৰ দ্বাৰা মহাবিদ্যালয়ৰ চৌহদ চাফাই অভিযান।
(২) তিনিদিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয়ত নাট্য প্ৰশিক্ষণ দিয়া হয় আৰু চাৰ্টিফিকেট প্ৰদান কৰা হয়।
(৩) শ্বহীদ দিৱস পালন, গণৰাজ্য দিৱস, স্বাধীনতা দিৱস পালন।
(৪) ক'ৰোণাৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ মাজত মাস্ক, চেনিটাইজাৰ বিতৰণ।
(৫) ছোৱালীসকলৰ আত্মৰক্ষাৰ বাবে পাঁচদিনীয়া কাৰ্য্যসূচীৰে আত্মৰক্ষাৰ প্ৰশিক্ষণ।
(৬) অনলাইন মাধ্যমত ক'ৰোণাৰ সময়ত বিভিন্ন প্ৰতিযোগিতা।

*ছাত্ৰ একতা সভাৰ উন্নয়নমূলক কাম-কাজ—*

(১) মহাবিদ্যালয়খন চাফ-চিকুণ কৰি ৰখাৰ বাবে পাঁচটা ডাঙৰ ডাষ্টবিন ৰখা হয়।
(২) ছাত্ৰ জিৰণি আৰু ছাত্ৰী জিৰণি কোঠাত আলমিৰা এটাকৈ প্ৰদান কৰা হয়।
(৩) মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক বেজ প্ৰদান কৰা হয়।
(৪) সুপ্ত প্ৰতিভা বিকাশৰ বাবে ভলীবলৰ খেলপথাৰ এখন বনোৱা হয়।

*মোৰ দৃষ্টিত মহাবিদ্যালয়ত দেখা অভাৱ—*

(১) মহাবিদ্যালয়ৰ খেলপথাৰখন উন্নতমানৰ কৰিব লাগে কিয়নো তেতিয়াহে মহাবিদ্যালয়ৰ বিভিন্ন সুপ্ত প্ৰতিভাৰ বিকাশ ঘটিব।
(২) মহাবিদ্যালয়ৰ মূল সমস্যা হ'ল পানীৰ সমস্যা।
(৩) যিহেতু আগতকৈ অধিক পৰিমাণৰ ল'ৰা-ছোৱালীয়ে নামভৰ্তি কৰিছে যাৰ বাবে আৰু কেইটামান কোঠাৰ অভাৱ।
(৪) ল'ৰাৰ আবাসগৃহ এটাৰ প্ৰয়োজন।
(৫) মহাবিদ্যালয়ৰ কেন্টিনখন কিছু উন্নতমানৰ আৰু সদায় খোলা ব্যৱস্থা কৰিব লাগে।

*কৃতজ্ঞতা স্বীকাৰ—*

শ্ৰদ্ধাৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰ প্ৰতিটো দিশতে মোক সদায় উৎসাহিত কৰা আৰু কিবা ভুল দেখিলে শুধৰাই দিয়া শ্ৰদ্ধাৰ গীতাশ্ৰী গোস্বামী বাইদেউ, ড° তপন কাকতি ছাৰ, খোজতে সদায় সহায় কৰি অহা তত্বাৱধায়ক ড° মণিকান্ত দাস ছাৰ, সদা দাস ছাৰ, গীতাশ্ৰী গোস্বামী বাইদেউ, ড° তপন কাকতি ছাৰ, ড° নৱনীতা কলিতা বাইদেউ, হেমন্ত শীল ছাৰ, পূজা বাইদেউ, ৰুদ্ৰ মাণিক দাস ছাৰ, ড° তপন কলিতা ছাৰ, ড° কমল ঠাকুৰীয়া ছাৰ, ড° নৱনীতা কলিতা বাইদেউ, হেমন্ত শীল ছাৰ, পূজা বাইদেউ, ৰুদ্ৰ কলিতা ছাৰ প্ৰমুখ্যে প্ৰতিজন শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া ক্ৰমে মৃন্ময় দাদা, ফাগুনী, ৰূপজ্যোতি, বিজিতা, ফুলমণি, জয়ন্ত, হিৰক, ৰাকেশ, ৰাখীমণি, সুপ্ৰিয়াৰ লগতে বন্ধু কিশোৰ, গোলাপ, ভনিতা (চিমা), হিৰক, মনজিৎ, মৃণাল, ভাৰ্গৱ, সতীশ, কংকন, পংকজ, ধৃতিস্মিতা, দেৱী আদিৰ ওচৰত চিৰঋণী হৈ ৰ'ম।

*সামৰণি—*

মোৰ বিগত দুই বছৰৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে কৰা ভুল-ভ্ৰান্তিৰ মাৰ্জনা কৰে যেন। নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয়"
"জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

নিতুল দাস
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা





# ছাত্ৰ একতা সভাৰ
# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অশ্ৰুসিক্ত অঞ্জলি তথা গভীৰ শ্ৰদ্ধা যাচিছোঁ মাতৃভূমিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক। যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু প্ৰচেষ্টাত নিৰ্মল হাঁলৈ মহাবিদ্যালয় গঢ় লৈ উঠিছে সেই সকল মহান ব্যক্তিলৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ ২০১৯-২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকা হিচাপে যিসকল ছাত্ৰ-ছাত্ৰী আৰু সমনীয়াসকলে মোক মনোনীত কৰি এই বিশেষ দায়িত্বৰ লগতে মহাবিদ্যালয়ৰ হকে কিবা অলপ কৰাৰ সুবিধা দিছে তেওঁলোকক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এই মহাবিদ্যালয়ত মই সহঃ সাধাৰণ সম্পাদিকা হিচাপে হাতত লৈছিলো মহাবিদ্যালয়ৰ সৰস্বতী পূজাটো। সৰস্বতী পূজাটো মোৰ লগতে আমাৰ ছাত্ৰ একতা সভাৰ সকলো সদস্যৰে প্ৰথমটো কাম বা দায়িত্ব আছিল। এনেদৰে আমি সকলোৱে মিলিজুলি সৰস্বতী পূজাখন অনুষ্ঠিত কৰিলোঁ। তাৰ পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ আৰম্ভ হ'ল। তাৰ প্ৰথম দিনটো আছিল সাংস্কৃতিক শোভাযাত্ৰা। এনেদৰে গতানুগতিকভাৱে নৱাগত আদৰণি সভাও মই আৰু আমি সকলোবোৰে চলাই নিয়াত সক্ষম হ'লো। কিন্তু ইয়াৰ মাজতে মহামাৰীৰ বাবে পুৰণি ছাত্ৰ-ছাত্ৰীসকলক বিদায় জনাবলৈ অনুষ্ঠান পাতিবলৈ নোৱাৰিলো, তাৰ বাবে মই বহুত দুঃখিত।

অকল্পিত মনত জাগি উঠিল আমাৰ মহাবিদ্যালয়ত খালী থকা ঠাইত বৃক্ষৰোপণৰ লগতে মহাবিদ্যালয়খন পৰিস্কাৰ কৰি ৰখা মোৰ সপোন।

মোৰ কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন দিহা-পৰামৰ্শ দি উৎসাহিত কৰাৰ বাবে ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক সন্মানীয় অধ্যাপক ড° মণিকান্ত দাস দেৱক তথা সভাপতি মহোদয়ক আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালছোৱাত অজানিতে কৰা ভুল-ত্ৰুটিসমূহৰ মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে মই সামৰণি মাৰিলোঁ।

"জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয়"
"জয় আই অসম"
"জয়তু ছাত্ৰ একতা সভা"

ফাল্গুণী পাঠক
সহঃ সাধাৰণ সম্পাদিকা

# আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



আলোচনী বিভাগৰ প্ৰতিবেদন লিখিবলৈ মনত এক মিঠা অনুভূতিৰ সৃষ্টি হৈছে। লিখনিৰ পোন প্ৰথমে মই সুঁৱৰিছো সেই সকল বীৰ শ্বহীদক যি সকলে স্বদেশৰ কাৰণে নিজৰ প্ৰাণ আহুতি দিয়ে আৰু যিসকল চিৰদিনৰ বাবে পংগু হৈ ৰ'ল সেই সকলোৰো আৰোগ্য কামনা কৰিছো লগতে যি সকল মহান ব্যক্তিৰ ত্যাগৰ ফলত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ জন্ম হ'ল, সেই সকল ব্যক্তিলৈও মোৰ অশেষ শ্ৰদ্ধা নিবেদিছোঁ।

প্ৰথম মহাবিদ্যালয়খনত নামভৰ্তি কৰাৰ দিনৰে পৰা মোৰ সপোন আছিল সৰুকৈ হ'লেও মৰমৰ মহাবিদ্যালয়খনৰ কাৰণে কিবা এটা কৰা। কেইদিনমান পিছতে সেই ক্ষণতে মহাবিদ্যালয়ত সাধাৰণ নিৰ্বাচনৰ প্ৰতিদ্বন্দ্বিতা আৰম্ভ হ'ল। মোৰ ক্ষেত্ৰত এটা ব্যতিক্ৰম হৈছিল যে মই সেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা নাছিলো কাৰণ মই তেতিয়া প্ৰথম ষাণ্মাসিকত নামভৰ্তি কৰিছিলোঁ মাথোন। লাহে লাহে মহাবিদ্যালয়খন জানিবলৈ লৈছিলোহে মাথোন। কিন্তু যেতিয়া নিৰ্বাচনৰ অন্তত আলোচনী বিভাগৰ পদটো খালী থকা বাবে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু শিক্ষা গুৰুসকলে মোক সেই পদত নিয়োগ কৰে। মোক যোগ্য বুলি বিবেচনা কৰি আলোচনী বিভাগৰ সম্পাদিকাৰ গধুৰ দায়িত্বভাৰ অৰ্পণ কৰাৰ বাবে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ আন শিক্ষাগুৰুসকলক মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৯-২০ ইং চনৰ আলোচনী বিভাগৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে পৰিচালনা কৰিবলগা হ'ল- 'মহাবিদ্যালয় সপ্তাহ'ৰ বিভাগীয় দায়িত্বসমূহ। আলোচনী বিভাগৰ পৰা কবিতা আবৃত্তি (ইংৰাজী/অসমীয়া) থিতাতে গল্প লিখা, থিতাতে কবিতা লিখা এনেধৰণে মুঠ ছয়টা শাখাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পিছত ক'ৰোণা মহামাৰীৰ কাৰণে মহাবিদ্যালয় বন্ধ হ'ল যাৰ ফলত ৰাভা দিৱস, শিক্ষক দিৱস, নৱাগত আদৰণি সভা য'ত প্ৰাচীৰ-প্ৰত্ৰিকাখন উন্মোচন কৰা হয়, সেই সকলো অনুষ্ঠিত কৰিব নোৱাৰিলোঁ। যেতিয়া মহামাৰীৰ প্ৰকোপ অলপ কম হয় আৰু মহাবিদ্যালয় খোল খায়, তেতিয়া মই আলোচনী বিভাগৰ পৰা ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱস উপলক্ষে থিতাতে লিখা কবিতা, থিতাতে লিখা প্ৰবন্ধ, কবিতা আবৃতি আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰিলোঁ। লগতে প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়ালো আৰু প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰিছিল আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰে।

আলোচনী বিভাগৰ দ্বাৰা আয়োজিত মহাবিদ্যালয় সপ্তাহত ড° ভূপেন হাজৰিকাদেৱৰ মৃত্যু দিৱস আৰু লগতে প্ৰাচীৰ প্ৰত্ৰিকা খনত যিসকল ছাত্ৰ-ছাত্ৰীয়ে লিখা-মেলা কৰিছে, চিত্ৰকলা আঁকিছে তেওঁলোকক মই ধন্যবাদ জনাইছোঁ লগতে তেওঁলোকৰ প্ৰতিভাসমূহ যাতে আগুৱাই যায় তাৰ বাবে তেওঁলোকক মই শুভেচ্ছা যাঁচিছো।



আলোচনীখন প্ৰকাশ কৰাত মোক সহায় কৰা দাদা-বাইদেউ সুপ্ৰিয়া কলিতা, নিতুল দাস আৰু মোৰ মৰমৰ বন্ধু ৰাকেশ ৰয়, হিৰকজ্যোতি শৰ্মা আৰু জয়ন্ত কলিতাক মই প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ তত্বাৱধায়িকা হিচাপে ড° নৱনীতা কলিতা বাইদেউক মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ লগতে শিক্ষা বিভাগৰ গীতাশ্ৰী গোস্বামী বাইদেউলৈও মোক দিয়া উপদেশ আৰু পৰামৰ্শৰ বাবে প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত, আলোচনীখন সম্পাদনাৰ ক্ষেত্ৰত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা-মাৰ্জনা বিচাৰিছোঁ। তদুপৰি 'প্ৰাগ্‌জ্যোতি' সম্পাদনা সমিতিৰ প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ সদস্যলৈ মোৰ কৃতজ্ঞতা থাকিল। উন্নতৰ মাজৰ পৰা অধিক উন্নত হোৱাৰ সংজ্ঞা বুজোৱা শ্ৰদ্ধাৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

প্ৰতিবেদনৰ অন্তত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ অক্ষৰ বিন্যাসৰ ইতিৰেখা টানিলো।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"
"জয়তু প্ৰাগ্‌জ্যোতি"
"জয় নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"
"জয় আই অসম"

**ফুলমণি কলিতা**
সম্পাদিকা 'প্ৰাগ্‌জ্যোতি'



# Report of the Secretary, Cultural Department

At the beginning of the report, I have offered my salutations on the altar of those great people who contributed to the establishment of Nirmal Haloi College, Patacharkuchi in 1979, which is now one of the leading colleges of lower Assam.

Also, I offer my heartfelt gratitude to my respected professors, functionaries and students of Nirmal Haloi College, Patacharkuchi and thank everyone for thinking that, I'm grateful to take charge of an important responsibility like cultural secretary of our college during the session 2019-2020.

The cultural department plays a very important role in developing other talents besides studies of the students. The development of cultural aspects along with student's studies indicates all round development of a college.

At the beginning of my tenure, I invited two trainers from National School of Drama (NSD) and students those interested in acting are trained free of cost with a three day programme for the first time at our college. It was attended by about 25 students who were given one certificate each from NSD group at the end of training (National School of Drama is a theatre training institute situated at New Delhi, India. It is an automous organization under ministry of culture, government of India).

Then, like any other time, the college week was held with a week long programme. After the cultural procession, competitions of other departments were held. On the second day, music competition was organized at Dr. Bhupen Hazarika Auditorium of the College where Borgeet, Folk Songs, Jyoti Sangeet, Rabha Sangeet, Parbati Prasad Baruah Sangeet, Jayanta Hazarika Sangeet, Modern Songs, Tribal song, Rabindra Sangeet Competition are held on the third day. A solo acting competition was organized at the same venue and Dance competitions was organized on the fourth (4th) Day where Folk dance, Modern dance and Classical dance competitions are held. Also on the same day, A 'Go as you like' competition was held at the college field alter. Along with it I have expressed my gratitude to the students who expressed



their talents by participating in these competitions wishing them a bright future.

Sadly without completing tenure for a year, everything was closed down completely due to outbreak of CORONA that took a terrible turn all over the world. Therefore, me as well as other members of our union, didn't get chance to do other departmental works. At this time, I pray for the well being of the souls of those who have lost their lives in different parts of the world due to CORONA infection.

Before the conclusion of my report, I will always be grateful to our hon'ble Principal Sir, hon'ble Manikanta Das Sir and hon'ble Rudra Kalita Sir. who was in-charge of cultural events and my seniors and other members who have extended a helping hand to me in my work during the time in charge of the students union as a cultural secretary.

Finally, I apologise to everyone for the inadvertent mistakes during my tenure and also conclude my report by praying to God for all round progress in the college.

**Bijita Das**
Jayatu Nirmal Haloi College
Patacharkuchi



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মই মোৰ পৰম শ্ৰদ্ধাৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি
শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ সদস্য তথা মোৰ মৰমৰ দাদা-বাইদেউ,
মোৰ সহপাঠী তথা মোৰ ভাইটি-ভণ্টী সমন্বিতে সকলোলৈকে মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ। ১৯৭৯ চনত
যিসকল মহান ব্যক্তিৰ উদ্যমী প্ৰচেষ্টাত এই মহাবিদ্যালয়খন গঢ় লৈ উঠিল তেওঁলোক আটাইকে মই শতসহস্ৰ
প্ৰণিপাত জনাইছোঁ।

২০১৯-২০২০ ইং শিক্ষাবৰ্ষত মোক নিৰ্মল হালৈ মহাবিদ্যালয়ৰ 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ সম্পাদিকা
হিচাপে কাৰ্যনিৰ্বাহ কৰি এইখন মহাবিদ্যালয়ৰ হ'কে সেৱা আগবঢ়াবলৈ যি সুযোগ প্ৰদান কৰিলে তাৰ বাবে মই
মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা মহাশয় সমন্বিতে ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড° মণিকান্ত দাস মহাশয়
তথা 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ তত্বাৱধায়ক মাণিক চন্দ্ৰ দাস মহাশয়ৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

মই মোৰ কাৰ্যকালত নিজ কাৰ্যসমূহ সুচাৰুৰূপে পালন কৰিব পাৰিছোঁ নে নাই সেইটো মহাবিদ্যালয়ৰ
শিক্ষাগুৰু তথা সমূহ কৰ্মকৰ্তা আৰু ছাত্ৰ সমাজে বিচাৰ কৰিব। কিন্তু মই মোৰ সাধ্যানুসাৰে মহাবিদ্যালয়ৰ উন্নতিৰ
হকে যি যৎকিঞ্চিৎ কাৰ্য সম্পাদন কৰিব পাৰিলোঁ তাৰ বাবে মই চিৰকৃতজ্ঞ। মই মোৰ কাৰ্যকালৰ প্ৰত্যেকটো দিনতে
মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিছিলোঁ।

বৰ্তমান যুগটো হ'ল বৌদ্ধিক যুগ। এনে সময়ত যুক্তি তথা জ্ঞানৰ মাজেৰে নিজৰ প্ৰতিভাক প্ৰতিপন্ন কৰা
খুবেই প্ৰয়োজন। প্ৰতিযোগিতাৰ এই জগতখনত নিজকে সু প্ৰতিষ্ঠিত কৰিবলৈ কুইজ, তৰ্ক আৰু গঠনমূলক
আলোচনাৰ প্ৰয়োজন আছে। মই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে মোৰ সন্মুখত আহি পৰিছিল মহাবিদ্যালয় সপ্তাহ
আৰু মই মোৰ বিভাগত মহাবিদ্যালয় সপ্তাহ আগতকৈ কিছু পৃথককৈ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ চেষ্টা
কৰিছিলোঁ। য'ত মই ছাত্ৰ সমাজৰ পৰা ভালদৰে আদৰণি পাবলৈ সক্ষম হৈছিলোঁ। তাৰোপৰি এইবেলি ভূপেন
হাজৰিকা দেৱৰ মৃত্যু দিৱসৰ প্ৰাক্ক্ষণত মই মোৰ বিভাগৰ পৰা শিক্ষাগুৰুসকলক সম্বৰ্ধনা জনাই ছাত্ৰ-ছাত্ৰীসকলক
লৈ তৰ্ক, কুইজ আৰু বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ।

মোৰ সম্পাদকীয় কাৰ্যকালত মোক দিহা-পৰামৰ্শৰে সৎ পথেৰে আগুৱাই যোৱাত মোৰ অতিকৈ শ্ৰদ্ধাৰ
শিক্ষাগুৰু ড° মনোজ কুমাৰ শৰ্মা, মাণিক চন্দ্ৰ দাস, কিশোৰ শৰ্মা ছাৰ, গীতাশ্ৰী গোস্বামী, নিৰ্মালি মহন্ত চৌধুৰী,
ড° নৱনীতা কলিতা, সদানন্দ দাস, অনুপ কুমাৰ শৰ্মা, বিনিমা পাটগিৰিৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ সম্পাদকীয় কাৰ্যকালত মহাবিদ্যালয়ৰ বিভাগীয় অনুদানৰ পৰা পোৱা ধনেৰে এটি Podium
আগবঢ়াইছিলোঁ।

মোৰ কাৰ্যকালৰ সময়ত যদি মোৰ দ্বাৰা অজানিতে কিবা ভুল-ভ্ৰান্তি হৈছে তাৰ বাবে মই মহাবিদ্যালয়ৰ
সকলোৰে ওচৰত ক্ষমা-মাৰ্জনা বিচাৰিছোঁ।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে মই গৌৰৱবোধ কৰোঁ। প্ৰতিবেদনৰ অন্তত মই মহাবিদ্যালয়ৰ
সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

**সুপ্ৰিয়া কলিতা**
সম্পাদিকা
তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ।





# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ অশেষ প্ৰচেষ্টাৰ ফলত অসমৰ বজালী জিলাৰ গৌৰৱ তথা গোটেই অসমৰ ভিতৰতে এখন আগশাৰীৰ বিদ্যা মন্দিৰ নিৰ্মল হালৈ মহাবিদ্যালয় ১৯৭৯ চনত গঢ়ি উঠিছিল, সেই সকলৰ প্ৰচেষ্টা আৰু ত্যাগক শ্ৰদ্ধাৰে সুঁৱৰিছো। যিসকল বীৰ-বীৰাঙ্গনাই দেশৰ বাবে অকালতে নিজৰ জীৱন উছৰ্গা কৰি গ'ল, সেই সকলৰ পুণ্য স্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰী তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

খেল হৈছে আধুনিক শিক্ষাৰ এটা অন্যতম উৎস। আধুনিক বিশ্বৰ প্ৰতিখন সভ্য দেশেই খেল-ধেমালিৰ ওপৰত বিশেষ গুৰুত্ব দিছে। কিন্তু আমাৰ অসমৰ পৰিবেশ তথা অৰ্থৰ সমস্যাই অসমৰ খেলজগতখনক ক্ৰমশঃ গ্ৰাস কৰি আহিছে। এই সমস্যা দূৰ কৰিব পাৰিলে যুৱক-যুৱতী সকলৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধন হোৱাৰ উপৰিও ইয়াৰ মাধ্যমেৰে বিশ্ব ভ্ৰাতৃত্ব আৰু বন্ধুত্ব অধিক সুদৃঢ় হ'ব। সেয়েহে মানুহে পঢ়া-শুনাৰ লগতে আৰু দেহটোক সুস্থ-সবল কৰি ৰাখিবলৈ খেলৰ চৰ্চা কৰা অতি প্ৰয়োজন।

গুৰু খেল বিভাগৰ দায়িত্ব ভাৰ গ্ৰহণৰ পিছতে মোৰ একমাত্ৰ লক্ষ্য আছিল মহাবিদ্যালয়ৰ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাবোৰ বিকশিত কৰাৰ বাবে এখন মঞ্চ তৈয়াৰ কৰা। মহাবিদ্যালয় সপ্তাহেই আছিল এই প্ৰতিভাসমূহৰ চিনাক্তকৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। সেয়েহে মই যিমানদূৰ সম্ভৱ প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰাত গুৰুত্ব প্ৰদান কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দৌৰ, লং-জাম্প, হাই-জাম্প, ক্ৰিকেট, ফুটবলকে ধৰি বিভিন্ন ধৰণৰ খেলসমূহ অনুষ্ঠিত কৰিছিলোঁ। আমাৰ মহাবিদ্যালয়ত যাতে সকলো খেলৰে চৰ্চা কৰা হয় যিয়ে আগন্তুক সময়ত সকলো খেলত আমাৰ মহাবিদ্যালয়ৰ নাম উজ্বলাবলৈ সক্ষম হ'ব, তাৰ বাবে এই প্ৰতিবেদনৰ [illegible] দিয়াৰ বাবে আহ্বান জনালোঁ।

মোৰ কাৰ্যকালৰ প্ৰতিটো দিশতে সহায় আৰু উপদেশ আগবঢ়োৱা অধ্যক্ষ মহোদয় ড° ভূপেশ শৰ্মা ছাৰ, গুৰু খেল বিভাগৰ তত্ত্বাৱধায়ক জিতেন ভাগৱতী ছাৰ, ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক ড° মণিকান্ত দাস ছাৰ, লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুসকল আৰু ছাত্ৰ একতা সভাৰ সম্পাদক আদি আটাইকেইজনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত কাৰ্যকালৰ সময়ত হোৱা ভুল-ভ্ৰান্তিৰ মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"
"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"
"জয় আই অসম"

**ৰাকেশ ৰয়**
গুৰু খেল বিভাগ, সম্পাদক



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্-মুহূৰ্তত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ লগত জড়িত সেইসকল ব্যক্তিলৈ মই
শ্ৰদ্ধাঞ্জলি নিবেদিছো, যিসকল ব্যক্তিৰ অক্লান্ত ত্যাগ, চেষ্টা, শ্ৰম আদিৰ বলতেই আমাৰ এই
মহাবিদ্যালয়খন ১৯৭৯ ইং চনত স্থাপিত হৈছিল।
আকৌ লগতে মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কাৰ্যকৰ্তা, ছাত্ৰ-ছাত্ৰী তথা
মোৰ বন্ধু-বান্ধৱীলৈ মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা নিবেদন কৰিছোঁ।
২০১৯-২০ ইং বৰ্ষৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত লঘু
খেল বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ সেৱা কৰাৰ সুবিধাকণ দিয়াৰ
বাবে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক ড° মণিকান্ত দাস ছাৰ আৰু নিৰ্মল
হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰক মই মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন
কৰিলোঁ।
ক্ৰীড়া হ'ল এনেকুৱা এটা মাধ্যম, যিটো মাধ্যমৰ যোগেদি আমাৰ মানসিক তথা শাৰীৰিক
বিকাশ সাধন হয়। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদকৰ
দায়িত্ব পোৱাৰ কিছুদিন পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। এই মহাবিদ্যালয় সপ্তাহ আৰম্ভ
হোৱাৰ কিছুদিন পূৰ্বেই মই কিছুমান লঘু খেলৰ বাবে প্ৰয়োজনীয় সামগ্ৰী মহাবিদ্যালয়লৈ অনাৰ
ব্যৱস্থা কৰোঁ। তাৰ পিছত মহাবিদ্যালয় সপ্তাহত লঘু খেল বিভাগৰ দ্বাৰা অনুষ্ঠিত প্ৰতিযোগিতাসমূহত
যোগদান কৰা সকললৈ মোৰ ফালৰপৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। খেলসমূহ অনুষ্ঠিত
কৰোতে যিসকল দাদা-বাইদেউ তথা মোৰ বন্ধু-বান্ধৱীয়ে মোক সহায় কৰিছিল, তেওঁলোকক মই
মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।
আমাৰ দায়িত্ব লোৱাৰ কিছুদিন পিছৰ পৰাই 'কভিড'ৰ সংক্ৰমণ বাঢ়ি আহিল আৰু সকলো
কাম-কাজ বন্ধ হৈ পৰিল, লগতে মহাবিদ্যালয়খনো আনুষ্ঠানিকভাৱে বন্ধ ঘোষণা কৰা হ'ল। তেতিয়া
ভালেখিনি সময় সেই 'কভিড'ৰ মাজতেই পাৰ কৰিবলগীয়া হ'ল। বহুখিনি সময় তেনেকৈ পাৰ
কৰাৰ পিছত লাহে লাহে সময় পৰিস্থিতি অলপ ভাল হ'ল। তেনেকৈ গৈ গৈ কিছুদিন পিছত
তত্ত্বাৱধায়কৰ জৰিয়তে মই মহাবিদ্যালয়ৰ ভলীবল খেলপথাৰখনৰ উন্নতিকৰণ কিছু ব্যৱস্থা গ্ৰহণ
কৰিলোঁ। এইক্ষেত্ৰত মই ধন্যবাদ জনাইছো মোৰ শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক ড° তপন কলিতা ছাৰ দেৱক।
কিয়নো ছাৰ অবিহনে মোৰ কাৰণে ইমানখিনি কৰা সম্ভৱ হৈ নুঠিলহেতেঁন। সকলো ক্ষেত্ৰতে ছাৰে
মোক সদায় সাহস প্ৰদান কৰিছিল আৰু বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়াইছিল। যাৰ বাবে মই সদায়
ছাৰৰ ওচৰত চিৰকৃতজ্ঞ।
নিৰ্মল হালৈ মহাবিদ্যালয় শৈক্ষিক ক্ষেত্ৰত যদিও ইমান আগবঢ়া, তথাপিও আন কিছুমান
দিশত এই মহাবিদ্যালয়খন কিছু পিছপৰা বুলি মই ভাবো। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ খেলপথাৰখনত
সকলো ধৰণৰ খেল অনুষ্ঠিত কৰিব পৰা নাযায়। কিয়নো সেই পথাৰখনত মহাবিদ্যালয় সপ্তাহ
অনুষ্ঠিত হোৱা সময়খিনিতহে গুৰুত্ব প্ৰদান কৰা যায়। বাকী সময়খিনিত খেলপথাৰখনৰ ওপৰত



একো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নহয়। যাৰ ফলত খেলপথাৰখনৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে যোৱা পৰিলক্ষিত হোৱা দেখা গৈছে।
এইক্ষেত্ৰত মই অধ্যক্ষ মহোদয়ক এটি অনুৰোধ কৰিব বিচাৰো যাতে, মহোদয়ে খেলপথাৰখনৰ উন্নয়নৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ
কৰে। যাতে এই মহাবিদ্যালয়ৰ পৰাই বিভিন্ন খেলুৱৈৰ জন্ম হয় আৰু আমাৰ এই মহাবিদ্যালয়খনৰ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়।
মোৰ এই কাৰ্যকালত মোক প্ৰতিটো ক্ষণতে সহায় কৰা তথা বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক
মোৰ শ্ৰদ্ধাৰ ড° মণিকান্ত দাস ছাৰ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰ দেৱক মই মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন
কৰিলোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়।"
"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

**জয়ন্ত কলিতা**
সম্পাদক
লঘু খেল বিভাগ



# ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত নিৰ্মল হাঁলৈ মহাবিদ্যালয় গঢ়ি তোলা সেই মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। যিসকল ব্যক্তিয়ে নিৰ্মল হাঁলৈ মহাবিদ্যালয়ক উচ্চ শৈক্ষিক অনুষ্ঠান হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত এতিয়ালৈকে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই আহিছে তেখেতসকলক জনাইছোঁ মই মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

পোন প্ৰথমে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে কিছু কাম কৰিবলৈ সুযোগ দিয়াৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তাৰ লগতে ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। ২০১৯-২০২০ ইং বৰ্ষৰ নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক হিচাপে যি গধুৰ দায়িত্ব পালন কৰাৰ সুবিধা দিলে তাৰ বাবে সঁচাকৈয়ে আনন্দিত হৈছোঁ। মই মোৰ কৰ্তব্য পালনত কিমানদূৰ কৃতকাৰ্য হৈছো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। কিন্তু মই মোৰ কাৰ্য সুচাৰুৰূপে চলাই নিয়াত অশেষ চেষ্টা কৰিছোঁ।

সম্পাদকৰূপে শপত লোৱাৰ পিছত মোৰ কাৰ্যকালৰ প্ৰথম দায়িত্ব আছিল মহাবিদ্যালয় সপ্তাহ। ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদক হিচাপে মই অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহ আছিল— একক কেৰম প্ৰতিযোগিতা, দ্বৈত কেৰম প্ৰতিযোগিতা, পাঞ্জা প্ৰতিযোগিতা, ডবা প্ৰতিযোগিতা, লুডু প্ৰতিযোগিতা ইত্যাদি। ভৱিষ্যতে প্ৰতিযোগিতাসমূহৰ পৰিৱেশ অনুৰূপ হ'ব বুলি মই আশাবাদী।

মোৰ কাৰ্যকালত মোক বিভিন্ন দিশত সহায় আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰ আৰু বিভাগীয় তত্ত্বাৱধায়ক ড° কমল ঠাকুৰীয়া ছাৰৰ লগতে ছাত্ৰ একতা সভাৰ লগত জড়িত সমূহ ছাৰ-বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা শ্ৰদ্ধা জনালোঁ। আৰু লগতে মোৰ কাৰ্যকালছোৱাত মোক বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা বন্ধু-বান্ধৱীলৈ মোৰ ফালৰ পৰা ধন্যবাদ যাচিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা সকলো অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা-মাৰ্জনা বিচাৰি নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ এইখিনিতে সামৰণি মাৰিলোঁ।

"জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয়"
"জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

**হীৰক জ্যোতি শৰ্মা**
সম্পাদক
ছাত্ৰ জিৰণি কোঠা





# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তা আৰু বন্ধু-বান্ধৱীলৈ, ভাইটি-ভণ্টীলৈ হিয়াভৰা শ্ৰদ্ধা আৰু মৰম যাচিছোঁ। যিসকল ব্যক্তিয়ে নিৰ্মল হাঁলৈ মহাবিদ্যালয়ক উচ্চ শৈক্ষিক অনুষ্ঠান হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত এতিয়ালৈকে আগবাঢ়ি আহিছে তেখেতসকলক জনাইছো মই মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

পোন প্ৰথমে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে কিছু কাম কৰিবলৈ সুযোগ দিয়াৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে সমূহ কৰ্মকৰ্তা তথা বন্ধু-বান্ধৱীসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকা হিচাপে যি দায়িত্ব পালন কৰিবলৈ সুবিধা দিলে তাৰ বাবে মই সঁচাকৈয়ে আনন্দিত হৈছোঁ। এই দায়িত্ব বহন কৰাত মই কিমানদূৰ সফল হৈছোঁ সেয়া বিচাৰ কৰিব মোৰ শ্ৰদ্ধাৰ শিক্ষা গুৰুমণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীসকলে।

সম্পাদিকাৰূপে শপত গ্ৰহণ কৰাৰ পিছত মোৰ কাৰ্যকালৰ প্ৰথম দায়িত্ব আছিল মহাবিদ্যালয় সপ্তাহ। ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকা হিচাপে অনুষ্ঠিত কৰা খেলসমূহ আছিল কেৰম, লুডু, পাঞ্জা, কইনা প্ৰতিযোগিতা ইত্যাদি। মোৰ কাৰ্যকালৰ সময়ত মই ছাত্ৰী জিৰণি কোঠাত কিছুমান সামগ্ৰীৰ অভাৱ অনুভৱ কৰিছিলো। ছাত্ৰী জিৰণি কোঠাৰ কিছুমান অভাৱ মোৰ কাৰ্যকালত মই পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো আৰু এই ক্ষেত্ৰত মোক মোৰ মাননীয় অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰ আৰু বিভাগীয় তত্ত্বাৱধায়িকা নিৰ্মালী মহন্ত চৌধুৰী বাইদেউৱে যথেষ্টখিনি সহায় কৰিছে। এই ছেগতে মই মোৰ ফালৰ পৰা অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ। মোক প্ৰতিটো কামতে দিহা পৰামৰ্শ দিয়া মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু মণ্ডলী আৰু লগতে ছাত্ৰ একতা সভাৰ প্ৰতিজন দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীলৈ শ্ৰদ্ধা আৰু হিয়াভৰা মৰম যাচিছো।

সদৌ শেষত, মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা-মাৰ্জনা বিচাৰি নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ এইখিনিতে ইতিৰেখা টানিলো।

"জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয়"
"জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয়, ছাত্ৰ একতা সভা"

**ৰাখীমণি দাস**
সম্পাদক, ছাত্ৰী জিৰণি কোঠা

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত নিৰ্মল হালৈ মহাবিদ্যালয় গঢ়ি তোলা সেই মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। যিসকল ব্যক্তিয়ে নিৰ্মল হালৈ মহাবিদ্যালয়ক উচ্চ শৈক্ষিক অনুষ্ঠান হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত এতিয়ালৈকে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই আহিছে তেখেতসকলক জনাইছোঁ মই মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

"নিৰ্মল হালৈ মহাবিদ্যালয়"ৰ নিচিনা এখন শিক্ষানুষ্ঠানৰ ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ পাই মই নিজকে গৌৰৱবোধ কৰিছোঁ। মোৰ কাৰ্যকালত বিভাগীয় তত্ত্বাৱধায়ক মাননীয় তপন কাকতি ছাৰৰ লগতে মণিকান্ত দাস ছাৰক মই কৃতজ্ঞতা যাচিছো কাৰণ তেওঁলোকে মোক যিখিনি সহায় তথা পথ দেখুৱাই দিছে সেইখিনি কথা মই কেতিয়াও পাহৰিব নোৱাৰো। ২০১৯-২০২০ ইং বৰ্ষৰ "মহাবিদ্যালয় সপ্তাহ"ত সমাজসেৱা বিভাগৰ "চাফাই অভিযান" প্ৰতিযোগিতাৰ লগতে "খৰাহি সজা" প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। মোৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ যথেষ্টখিনি সহায়-সহযোগ পাইছোঁ গতিকে এই ক্ষণতে তেওঁলোকক মই ধন্যবাদ যাঁচিলো।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা-প্ৰাৰ্থনা বিচাৰিছোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"
"জয় আই অসম"

**ৰূপজ্যোতি হালৈ**
সম্পাদক, সমাজসেৱা বিভাগ



# ২০১৯-২০ ইং বৰ্ষত মহাবিদ্যালয় সপ্তাহৰ ফলাফলসমূহ

## সাংস্কৃতিক বিভাগৰ ফলাফলসমূহ

### সংগীত প্ৰতিযোগিতা ঃ

(ক) বৰগীত—
প্ৰথম— নিকুমণি কলিতা
দ্বিতীয়— জয়প্ৰকাশ মজুমদাৰ
তৃতীয়— প্ৰকাশ বৰ্মণ

(খ) লোকগীত—
প্ৰথম— নিকুমণি কলিতা
দ্বিতীয়— জয়প্ৰকাশ মজুমদাৰ

(গ) জ্যোতি সংগীত—
প্ৰথম— নিকুমণি কলিতা
দ্বিতীয়— জয়প্ৰকাশ মজুমদাৰ
তৃতীয়— প্ৰকাশ বৰ্মণ

(ঘ) ভূপেন্দ্ৰ সংগীত—
প্ৰথম— নিকুমণি কলিতা
দ্বিতীয়— জয়প্ৰকাশ মজুমদাৰ
তৃতীয়— অনুস্মিতা চৌধুৰী

(ঙ) ৰাভা সংগীত—
প্ৰথম— জয়প্ৰকাশ মজুমদাৰ
দ্বিতীয়— নিকুমণি কলিতা
তৃতীয়— অনুস্মিতা চৌধুৰী

(চ) পাৰ্বতী প্ৰসাদ বৰুৱা সংগীত—
প্ৰথম— নিকুমণি কলিতা
দ্বিতীয়— জয়প্ৰকাশ মজুমদাৰ
তৃতীয়— মিৰ্জানুৰ ৰহমান

(ছ) জয়ন্ত হাজৰিকা সংগীত—
প্ৰথম— জয়প্ৰকাশ মজুমদাৰ
দ্বিতীয়— নিকুমণি কলিতা
তৃতীয়— জয়ন্ত কলিতা

(জ) আধুনিক গীত —
প্ৰথম— নিকুমণি কলিতা
দ্বিতীয়— জয়প্ৰকাশ মজুমদাৰ
তৃতীয়— জয়ন্ত কলিতা

(ঝ) জনজাতীয় সংগীত—
প্ৰথম— নিকুমণি কলিতা
দ্বিতীয়— জয়প্ৰকাশ মজুমদাৰ

(ঞ) ৰবীন্দ্ৰ সংগীত—
প্ৰথম— প্ৰকাশ বৰ্মণ
দ্বিতীয়— নিকুমণি কলিতা

### একক অভিনয় প্ৰতিযোগিতা ঃ

প্ৰথম— নিকুমণি দাস
দ্বিতীয়— ধ্ৰুৱজ্যোতি শৰ্মা ষষ্ঠ যান্মাসিক
তৃতীয়— ত্ৰিদিপ চৌধুৰী ষষ্ঠ যান্মাসিক

### নৃত্য প্ৰতিযোগিতা ঃ

লোকনৃত্য—
প্ৰথম— নিকুমণি দাস
দ্বিতীয়— ধ্ৰুৱজ্যোতি শৰ্মা ষষ্ঠ যান্মাসিক
তৃতীয়— ত্ৰিদিপ চৌধুৰী ষষ্ঠ যান্মাসিক

আধুনিক নৃত্য—
প্ৰথম— সুস্মিতা কলিতা চতুৰ্থ যান্মাসিক
দ্বিতীয়— মন্দিৰা দাস দ্বিতীয় যান্মাসিক
তৃতীয়— সীমা তালুকদাৰ

শাস্ত্ৰীয় নৃত্য—
প্ৰথম— কবিতা দাস চতুৰ্থ যান্মাসিক
দ্বিতীয়— প্ৰকাশ বৰ্মণ ষষ্ঠ যান্মাসিক
তৃতীয়— সীমা তালুকদাৰ

## ভেশছন্ন প্ৰতিযোগিতা ঃ

প্ৰথম— নুৰ নিহাৰ জেছমিন (চিপাহী)
দ্বিতীয়— ত্ৰিদিপ চৌধুৰী (বুঢ়ী)
তৃতীয়— ভনিতা ডেকাৰ দল (শাহু-বোৱাৰী)
ৰেচমিনা চুলতানা

## গুৰুখেল বিভাগৰ ফলাফলসমূহ-

### ল'ৰাৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— সুমন কলিতা চতুৰ্থ ষান্মাসিক
দ্বিতীয়— ধনজিৎ কলিতা ষষ্ঠ ষান্মাসিক
তৃতীয়— আবেদ আলী দ্বিতীয় ষান্মাসিক

### ছোৱালীৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— নিকুমণি দাস ষষ্ঠ ষান্মাসিক
দ্বিতীয়— গিতুমণি হালৈ উচ্চতৰ ১ম বৰ্ষ
তৃতীয়— ডিম্পী হালৈ ষষ্ঠ ষান্মাসিক
সুমিতা ডেকা ষষ্ঠ ষান্মাসিক

### ল'ৰাৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— সুমন কলিতা চতুৰ্থ ষান্মাসিক
দ্বিতীয়— আবেদ আলী দ্বিতীয় ষান্মাসিক
তৃতীয়— প্ৰণৱ ৰয় চতুৰ্থ ষান্মাসিক

### ছোৱালীৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— গিতুমণি হালৈ উচ্চতৰ ১ম বৰ্ষ
দ্বিতীয়— নিকুমণি দাস ষষ্ঠ ষান্মাসিক
তৃতীয়— ডিম্পী হালৈ ষষ্ঠ ষান্মাসিক
সুমিতা ডেকা ষষ্ঠ ষান্মাসিক

### ল'ৰাৰ দীঘল জাঁপ প্ৰতিযোগিতা ঃ

প্ৰথম— ধনজিৎ কলিতা ষষ্ঠ ষান্মাসিক
দ্বিতীয়— মিতু ৰয় দ্বিতীয় ষান্মাসিক
তৃতীয়— চুমিতা ডেকা ষষ্ঠ ষান্মাসিক

### ছোৱালীৰ দীঘল জাঁপ প্ৰতিযোগিতা ঃ

প্ৰথম— নিকুমণি দাস ষষ্ঠ ষান্মাসিক
দ্বিতীয়— ৰেচমিন চুলতানা দ্বিতীয় ষান্মাসিক
তৃতীয়— চুমিতা ডেকা ষষ্ঠ ষান্মাসিক

### ল'ৰাৰ ওখ জাঁপ প্ৰতিযোগিতা ঃ

প্ৰথম— খঞ্জন দাস দ্বিতীয় ষান্মাসিক
দ্বিতীয়— সুমন কলিতা চতুৰ্থ ষান্মাসিক
তৃতীয়— বিশাল দাস দ্বিতীয় ষান্মাসিক

### ছোৱালীৰ ওখ জাঁপ প্ৰতিযোগিতা ঃ

প্ৰথম— জুলি দাস দ্বিতীয় ষান্মাসিক
দ্বিতীয়— নিকুমণি দাস ষষ্ঠ ষান্মাসিক
তৃতীয়— টিংকুমণি দাস ষষ্ঠ ষান্মাসিক
উপমা দাস চতুৰ্থ ষান্মাসিক
বিভা ৰয় দ্বিতীয় ষান্মাসিক

### ল'ৰাৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— সুমন কলিতা চতুৰ্থ ষান্মাসিক
দ্বিতীয়— ধনজিৎ কলিতা ষষ্ঠ ষান্মাসিক
তৃতীয়— ধীৰাজ ডেকা দ্বিতীয় ষান্মাসিক
অঞ্জন কলিতা তৃতীয় ষান্মাসিক

### ছোৱালীৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— নিকুমণি হালৈ ষষ্ঠ ষান্মাসিক
দ্বিতীয়— জুলি দাস দ্বিতীয় ষান্মাসিক
তৃতীয়— টিংকুমণি দাস ষষ্ঠ ষান্মাসিক
নীলাক্ষী দাস ষষ্ঠ ষান্মাসিক

### ল'ৰাৰ ৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— ধীৰাজ ডেকা দ্বিতীয় ষান্মাসিক
দ্বিতীয়— মনজিৎ দাস চতুৰ্থ ষান্মাসিক
তৃতীয়— আবেদ আলী দ্বিতীয় ষান্মাসিক
সীমান্ত কলিতা চতুৰ্থ ষান্মাসিক

### ছোৱালীৰ ৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— টিংকুমণি দাস ষষ্ঠ ষান্মাসিক
দ্বিতীয়— গিতুমণি হালৈ উচ্চতৰ প্ৰথম বৰ্ষ
তৃতীয়— জুলি দাস দ্বিতীয় ষান্মাসিক
ডিম্পী হালৈ ষষ্ঠ ষান্মাসিক



### ছোৱালীৰ ১৬০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— ৰিম্পী ডেকা দ্বিতীয় ষান্মাসিক
দ্বিতীয়— টিংকুমণি দাস ষষ্ঠ ষান্মাসিক
তৃতীয়— মনিতা বড়ো ষষ্ঠ ষান্মাসিক
গিতুমণি হালৈ উচ্চতৰ ১ম বৰ্ষ
নিচুকণি— ভায়োলিনা ডেকা দ্বিতীয় ষান্মাসিক

### ল'ৰাৰ মাৰাথন দৌৰ প্ৰতিযোগিতা ঃ

প্ৰথম— দ্বীপজ্যোতি লহকৰ চতুৰ্থ ষান্মাসিক
দ্বিতীয়— ধীৰাজ ডেকা দ্বিতীয় ষান্মাসিক
তৃতীয়— অলকেশ ডেকা চতুৰ্থ ষান্মাসিক
চতুৰ্থ— ৰাকেশ ৰয় দ্বিতীয় ষান্মাসিক

### ল'ৰাৰ ফুটবল প্ৰতিযোগিতা ঃ

বিজয়ী দল — সুৰজিৎ কলিতাৰ দল

### ল'ৰাৰ ওজন দলিওৱা ঃ

প্ৰথম— কৃতাৰ্থ মেধি ষষ্ঠ ষান্মাসিক
দ্বিতীয়— অলকেশ কলিতা ষষ্ঠ ষান্মাসিক
তৃতীয়— ধনজিৎ কলিতা ষষ্ঠ ষান্মাসিক
সীমান্ত কলিতা চতুৰ্থ ষান্মাসিক

### ছোৱালীৰ ওজন দলিওৱা ঃ

প্ৰথম— বৰষা নাথ ষষ্ঠ ষান্মাসিক
দ্বিতীয়— নিকুমণি দাস
তৃতীয়— অনুস্মিতা ডেকা চতুৰ্থ ষান্মাসিক

### ল'ৰাৰ ডিচকাছ দলিওৱা ঃ

প্ৰথম— ধনজিৎ কলিতা ষষ্ঠ ষান্মাসিক
দ্বিতীয়— ৰাহুল ৰাভা ষষ্ঠ ষান্মাসিক
তৃতীয়— কৃতাৰ্থ মেধী ষষ্ঠ ষান্মাসিক

### ছোৱালীৰ ডিচকাছ দলিওৱা ঃ

প্ৰথম— নিহাৰিকা গোস্বামী দ্বিতীয় ষান্মাসিক
দ্বিতীয়— ভায়োলিনা ডেকা চতুৰ্থ ষান্মাসিক
তৃতীয়— ধনুস্মিতা দাস দ্বিতীয় ষান্মাসিক

### ল'ৰাৰ জেভলিন দলিওৱা ঃ

প্ৰথম— ৰাহুল ৰাভা ষষ্ঠ ষান্মাসিক
দ্বিতীয়— নৱজিৎ চৌধুৰী ষষ্ঠ ষান্মাসিক
তৃতীয়— অলকেশ কলিতা ষষ্ঠ ষান্মাসিক

### ছোৱালীৰ জেভলিন দলিওৱা ঃ

প্ৰথম— নিহাৰিকা গোস্বামী দ্বিতীয় ষান্মাসিক
দ্বিতীয়— অংকিতা দাস ষষ্ঠ ষান্মাসিক
তৃতীয়— বৰষা নাথ ষষ্ঠ ষান্মাসিক

## লঘুখেল বিভাগৰ ফলাফলসমূহ-

### কাবাদী (ল'ৰা) ঃ

প্ৰথম— নিপু ডেকাৰ দল
হিমাংশু বৰা

### কাবাদী (ছোৱালী) ঃ

প্ৰথম— সুস্মিতা কলিতাৰ দল
সুস্মিতা ৰাভা
ধনুস্মিতা ডেকা
বৰষা মেধি
বৰষা নাথ
দিব্যা বৰা
জোনালী বেগম
দ্বিতীয়— ভনিতা ডেকাৰ দল
হিমাক্ষী ৰয়
টিংকুমণি দাস
নিশিতা বৰ্মা
ফাৰিডা বেগম
নিলাক্ষী ৰয়
হিমাক্ষী দাস

### ভলীবল (ল'ৰা) ঃ

প্ৰথম— নিপু ডেকাৰ দল
বিশাল দাস
মিৰ্জানুৰ ৰহমান
সঞ্জয় হালৈ

ডিপু চৌধুৰী
মানস বায়ন
নৱ চৌধুৰী
দ্বিতীয়— দ্বীপজ্যোতিৰ দল
দেৱাশীষ পাঠক
গগন দাস
জিতু ঠাকুৰীয়া
হিমাংশু বৰা
ভাস্কৰদ্বীপ তালুকদাৰ
ভাস্কৰ

**ৰচী টনা (ল'ৰা) ঃ**

প্ৰথম— ধনজিৎ কলিতাৰ দল
কৃতাৰ্থ মেধী
বিবেক
মৃণাল
অমল
অলকেশ
দিপাংকৰ
দ্বিতীয়— দেৱাশীষ পাঠকৰ দল
জিতুল শইকীয়া
ভাস্কৰদ্বীপ তালুকদাৰ
গগন দাস
চুমন কলিতা

**ৰচী টনা (ছোৱালী) ঃ**

প্ৰথম— নিহাৰিকা গোস্বামীৰ দল
দ্বিতীয়— সুস্মিতা কলিতাৰ দল
সুস্মিতা ৰাভা
বৰষা নাথ
বৰষা মেধী
ধনুস্মিতা ডেকা
দিব্যা বৰা
মিনাক্ষী দাস

**বেডমিন্টন (ল'ৰা) ঃ**

প্ৰথম— ৰিংকুদ্বীপ ঠাকুৰীয়া (যুটীয়া)
নিপজ্যোতি দাস
দ্বিতীয়— অশোক ডেকা
তৃতীয়— মিণ্টু চৌধুৰী

**বেডমিন্টন (ছোৱালী) ঃ**

প্ৰথম— মামুন গোস্বামী (যুটীয়া)
ধৃতিস্মিতা দাস
দ্বিতীয়— বৰষা শৰ্মা (যুটীয়া)
নম্ৰতা প্ৰীতম শৰ্মা



# মহাবিদ্যালয় সপ্তাহ ঃ ২০১৯-২০২০












# মহাবিদ্যালয় সপ্তাহ ঃ ২০১৯-২০২০











মহাবিদ্যালয়ৰ মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি'ৰ বাবে 'শুভেচ্ছা বাণী' সংগ্ৰহৰ উদ্দেশ্যে
বজালী জিলাৰ মাননীয় উপায়ুক্ত শ্ৰীযুত ভাৰতভূষণ দেৱচৌধুৰীৰ সৈতে সাক্ষাতৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি'ৰ বাবে 'শুভেচ্ছা বাণী' সংগ্ৰহৰ উদ্দেশ্যে
বজালী জিলাৰ মাননীয় আৰক্ষী অধীক্ষক শ্ৰীযুত ধৰ্মেন্দ্ৰ কুমাৰ দাসৰ সৈতে সাক্ষাতৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি'ৰ বাবে
অসমৰ এগৰাকী বৰেণ্য ব্যক্তি ড° অমৰজ্যোতি চৌধুৰীৰ সাক্ষাৎ গ্ৰহণৰ এটি মুহূৰ্ত



স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাসদেৱক
সম্বৰ্ধনা জনোৱাৰ এটি মুহূৰ্তত মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক আৰু ছাত্ৰী-ছাত্ৰীৰ একাংশ

# মহাবিদ্যালয়ৰ 'প্ৰাচীৰ পত্ৰিকা' উন্মোচনৰ কেইটিমান মুহূৰ্ত









## দেৱালৰ শিল্প










## মহাবিদ্যালয়ত অনুষ্ঠিত কেইটিমান অনুষ্ঠানৰ মুহূৰ্ত



সৰস্বতী পূজা




শ্বহীদ তৰ্পণ অনুষ্ঠান





মহাবিদ্যালয়ত অনুষ্ঠিত শিক্ষক দিৱস অনুষ্ঠানৰ দুটি মুহূৰ্ত




স্থানীয় বিধায়ক শ্ৰীযুত ৰণজিৎ দাসদেৱক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ এটি মুহূৰ্তত জনপ্ৰিয় গায়িকা শ্ৰীগীতালি কাকতি

## মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা













MINISTRATIVE BLO